# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখঃ ২৯/১২/২০২০ মঙলবাৰ

**আজি ইংৰাজী ২৯-১২-২০২০ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত পূৰ্ব নিৰ্ধাৰিত সময়সূচী মতে অসম বিধান সভাৰ শীতকালীন অধিবেশন অনুষ্ঠিত হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্চন নম্বৰ - ২২ মামুন ইমদাদুল হক চৌধুৰী

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** অধ্যক্ষ মহোদয়, point of order- Sir, মোৰ মৰিয়নি সমষ্টিত , অসমৰ সীমাত নগালোকসকলে কেম্প বহুৱাইছে ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, আপুনি কোৱেশ্চন আৱাৰৰ পিছত ক'ব। মই আপোনাক ক'বলৈ দিম।

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** ছাৰ- এইটো অসমৰ স্বাৰ্থজড়িত বিষয়।

**মাননীয় অধ্যক্ষ ঃ** নহয়- নহয় .... you can't break the Rule. It is not point of order. মই কৈছো , মই আপোনাক টাইম দিম আফটাৰ কোৱেশ্চন আৱাৰ। Don't disturb ....... Don't disturb the Proceedings. আপুনি এজন পুৰনি বিধায়ক হৈ ও ৰুল নাজানে ? After Question Hour I will allow.

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** ছাৰ- এইটো গুৰুত্বপূৰ্ণ বিষয়।

**মাননীয় অধ্যক্ষ ঃ** Will you listen to me ? After Question hour you can raise .

**শ্ৰীৰূপজ্যোতি কুৰ্মী (মৰিয়নি) ঃ** ছাৰ, চৰকাৰ পক্ষ ৰ পৰা কোনো যোৱা নাই। মুখ্যমন্ত্ৰী বা কোনো মন্ত্ৰী বা চীফ চেক্ৰেটেৰী- চৰকাৰৰ কোনেও যোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** কোৱেশ্চন আৱাৰত ডিচটাৰ্ব নকৰিব। .... আপুনি ক'বলৈ সুবিধা পাব.... আপুনি বহিব নে, বাহিৰলৈ যাব। .... ঠিক আছে .... Marshall... He abstract in the Proceeding. I have suspended you for the day. Please... go... go. Proceeding abstract কৰিছে আপুনি।

( মাননীয় অধ্যক্ষৰ আদেশক্ৰমে বিধান সভাৰ মাৰ্চেলে বিধায়ক শ্ৰীৰূপজ্যোতি কুৰ্মীক সদনৰ পৰা উলিয়াই নিয়ে)

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা ক'ব বিচাৰিছে যে, কোৱেশ্চন আৱাৰটো very important । মই কৈছো , তেখেতক ক'বলৈ দিম । After Question Hour he can raise the issue. কিন্তু আগতে যিকোনো কৰিলে নহ'ব নহয়, ৰুলতো মানিব লাগিব। ...... কোৱেশ্চন আৱাৰ .... মিনিষ্টাৰ প্লিজ ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰীমামুন ইমাদাদুল হক চৌধুৰী (নাওবৈছা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই National Health Mission ৰ ওপৰত কোৱেশ্চনটো আনিছিলো, তাৰ উত্তৰটো মাননীয় মন্ত্ৰী মহোদয়ে

দিছে- ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ অধীনত সৰ্ববমুঠ- ১৮,৯৩০ জন ঠিকাভিত্তিত কৰ্মচাৰী আছে। তদুপৰি ৮৩৬ জন কৰ্মচাৰী অস্থায়ীভাবে কৰ্মৰত। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসমৰ অভিযান সঞ্চালক, কাৰ্য্যবাহী সঞ্চালক আৰু বিত্ত সঞ্চালক পদৰ বাহিৰে সকলো কৰ্মচাৰী অস্থায়ী। মোৰ প্ৰশ্নটো আছিলে ছাৰ, এই অস্থায়ী কৰ্মচাৰী সকলক স্থায়ী কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা কৰিছেনেকি? বা কিবা নিয়ম বনাইছে নেকি? আজি কিছুদিন পূৰ্ব্বে সংবাদ মাধ্যমযোগে আমি গম পাইছো- সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াৰ এটা প্ৰেছ কনফাৰেন্স আমি চাইছিলো- তাত তেখেতে কৈছে যে কেবিনেটে সিদ্ধান্ত লৈছে- যে এন এইছ এমৰ যিসকল কৰ্মচাৰী আছে- তেওলোকৰ চাকৰি ৬০ বছৰলৈকে স্থায়ী , তাৰ মানে এজন স্থায়ী কৰ্মচাৰীয়ে যিমান ফেচিলিটি পায়- ৬০ বছৰলৈকে তেওঁলোকক সেই ফেচিলিটি দিয়া হ'ব বুলি মাননীয় কেবিনেটে সিদ্ধান্ত লৈছিল । এই কথাটোৰে মই সদনৰ মজিয়াত, মাননীয় বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ যিসকল কৰ্মচাৰী তেওঁলোক সাধাৰণতে নিযুক্তি পোৱাৰ পিছত এখন চুক্তি পত্ৰত স্বাক্ষৰ কৰিব লাগে আৰু সেই চুক্তি পত্ৰ অনুযায়ী তাত লিখা কাৰ্য্যকাল অনুসৰি তেওঁলোকৰ চাকৰি প্ৰথম অৱস্থাত আৰম্ভ হয় আৰু পৰৱৰ্ত্তী পৰ্য্যায়ত চাকৰি বঢ়াই থকা হয়। আমাৰ ৰাজ্যত বিশেষকৈ সংবাদ মাধ্যমেই হওক এটা প্ৰশ্ন আছিল যে এন এইচ এম শেষ হ'লে এই কৰ্মচাৰীসকলৰ ভবিষ্যত কি হ'ব। মই ভাবো যে এই প্ৰশ্নৰ বিভিন্ন সময়ত বিভিন্ন ধৰনে আলোচনা হৈছিল- আৰু আমি প্ৰতিবাৰেই বাতৰি কাকত বা আন মাধ্যমত ক'ব লগা হৈছিল তেওলোকে চাকৰিৰ বিষয়ে চিন্তা কৰিব নালাগে। চৰকাৰ তেওঁলোকৰ লগত থাকিব। যিহেতু চুক্তিৰ ওপৰত তেওঁলোকৰ চাকৰি নিৰ্ভৰশীল গতিকে এজন চৰকাৰী চাকৰিয়ালে পোৱা ছুটি ইত্যাদি তেওঁলোকে পোৱা নাছিলে । তেওঁলোকৰ বছৰত নিৰ্দ্দিষ্ট দিন কেইটামান আছিল কিন্তু মেটাৰনিটি লিভেই হওক, কেজুৱেল লিভেই হওক বা ই এলে হওঁক এইধৰনৰ কথা বতৰাবিলাক সম্পূৰ্ণভাবে এটা এড-হক বা তদৰ্থ পৰ্য্যায়ত চলি আছিল। অসম চৰকাৰৰ যোৱা কেবিনেটত আমি তিনিটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছো। যিসকল এন এইচ এমৰ চাকৰিয়ালে ইতিমধ্যে কোনো নিগেটিভ ৰিপোৰ্ট নোহোৱাকৈ ১০ বছৰ চাকৰি কাৰ্য্যকাল সম্পূৰ্ণ কৰিছে তেওঁলোকক আমি ৬০ বছৰলৈকে চাকৰিৰ নিশ্চয়তা প্ৰদান কৰিছো। অৰ্থাৎ তেওঁলোক এতিয়া এন এইচ এম বন্ধ হৈ যাওঁক বা এন এইচ এম চলি থাকক - তেওঁলোকে ৬০ বছৰত চাকৰিৰ পৰা অৱসৰ পাব। মাজত যদি এন এইছ এম বন্ধও হৈ যায় এই কৰ্মচাৰীসকলৰ দৰমহাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত হ'ব। এই সিদ্ধান্ত আমি সৰ্ব্ব শিক্ষা অভিযানৰ শিক্ষকসকলৰ ক্ষেত্ৰত কৰিছো আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মচাৰী সকলৰ ক্ষেত্ৰত কৰিছো । ইয়াৰ লগতে তেওঁলোকে আৰু কেইটামান সুবিধা লাভ কৰিব , অকল ৬০ বছৰত অৱসৰে নহয় তেওঁলোকেও আৰ্জিত ছুটি বা ই এল- বছৰত চৰকাৰী কৰ্মচাৰীসকলে যেনেকৈ লাভ কৰে- তেনেকৈ লাভ কৰিব।কেজুৱেল লিভ আৰু মেটাৰনিটি লিভ চৰকাৰী কৰ্মচাৰীয়ে যেনেকৈ পায় তেনেকৈয়ে এন এইছ এমৰ কৰ্মচাৰীসকলেও লাভ কৰিব। অৱশ্যে তেওলোকৰ দৰমহা ভাৰত চৰকাৰৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ পি আই পিত তেওঁলোকৰ দৰমহা যি ধৰনে নিৰ্দ্দিষ্ট কৰা হ'ব সেই ধৰনে বৰ্ত্তমান তেওঁলোকে দৰমহা পাই থাকিব । দৰমহাৰ গাঁথনিৰ তৎকালীন পৰিৱৰ্ত্তন নহয়। কিন্তু চাকৰিৰ নিশ্চয়তা চৰকাৰে তেওঁলোকক প্ৰদান কৰিব। লগতে ছুটি আৰু আন সুবিধাসমূহ চৰকাৰী কৰ্মচাৰীৰ দৰে সম মৰ্যদাৰ হৈ থাকিব। আজিৰ দিনত আমি উত্তৰটো অস্থায়ী বুলি এইটো কাৰনতে লিখিছো-

কাৰণ আনুষ্ঠানিক নোটিফিকেশ্যন বাকী আছে। অহা ১০-১৫ দিনৰ ভিতৰত এই সংক্ৰান্তত নোটিফিকেশ্যন ইছ্যু হোৱাৰ লগে লগে তেওঁলোকৰ চাকৰীৰ পৰা অস্থায়ী শব্দটো উঠি যাব। এইখিনিয়ে আজিৰ দিনৰ পোজিশ্যন।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।... চাপ্লিমেন্টৰী আছে ...... কওঁক ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ছাৰ মন্ত্ৰী মহোদয়ে, যিটো উত্তৰত ক'লে কনট্ৰেকছুৱেল বুলি যিখিনি ষ্টাফ আছে- কেন্দ্ৰীয় চৰকাৰৰ লগত যি চুক্তি আছে, এইবিলাক কথা ঠিক আছে অধ্যক্ষ মহোদয় এইবিলক আমি নধৰো- কিন্তু এটা কথা অধ্যক্ষ মহোদয়, চুপ্ৰিম কোৰ্টৰ এটা গাইড লাইন আছে- equal work equal Pay - অধ্যক্ষ মহোদয় জি এন এমৰ পাৰ্মানেন্ট ষ্টাফে ২৫ হাজাৰ টকা পায় কিন্তু যিখিনি কনট্ৰেকচুৰেল এন এইচ এমৰ যোগেদি আছে তেওঁলোকে ১৬ হাজাৰ টকা পায়। মই জনা মতে- মোৰ ভুলো হ'ব পাৰে- তেওঁলোকে ডি এ টোও ভালকৈ পোৱা নাই। ৰেগুলাৰ যিখিনি আছে, তেওঁলোকে যিটো দৰমহা পাই আছে, সিমানখিনি যাতে কনট্ৰেকচুৰেলও পায় বা আন আন সুবিধাখিনিও পায় তাৰ বাবে মন্ত্ৰী মহোদয়ে যাতে ব্যৱস্থা লয়, তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন এইছ এম হোৱাৰ পিছত প্ৰথমবাৰৰ বাবে চৰকাৰে ইমান ডাঙৰ এটা ৰিস্ক লৈছে। এন এইছ এম বন্ধ হৈ গ'লেও গোটেই দায়িত্ব ৰাজ্য চৰকাৰে মুৰ পাতি ল'ব। equal work equal Pay ৰ ওপৰত Supreme Court ৰ Judgement ত পৰৱৰ্ত্তী সময়ত বিভিন্ন ধৰনৰ ব্যাখ্যা আহিছে। ৰাজ্য চৰকাৰে আইন আদালতক সন্মান জনাই দা -দৰমহা দি আহিছে। আমি এন এইছ এমৰ কাৰনে ১৪০০ কোটি টকা বছৰি পাওঁ। চেলাৰীত যদি আমি ১০০ শতাং দিও তেনেহ'লে ঔষধ ইত্যাদি কেনেকৈ আনিম, এন এইছ এমৰ বাকী প্ৰগ্ৰেমবিলাক আমি কেনেকৈ কৰিম। গতিকে আমি বছৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি টকা পাওঁ তাৰে এটা আমি বেলেঞ্চ ৰাখিব লাগে। দৰমহাৰ বাবে ৩০ শতাংশ খৰছ কৰিম, ঔষধত আমি ১০ শতাংশ খৰছ কৰিম, চিভিল কনষ্ট্ৰাকশ্যনৰ বাবে ২০ শতাংশ খৰছ কৰিম। সেই বাবে এন এইছ এমৰ কৰ্মচাৰীসকলৰ কোনোবা কোনোবা হয়তো ৰাজ্য চৰকাৰৰ সমানে দৰ্মহা পোৱা নাই। কিন্তু এন এইছ এমৰ যিকোনো G N M - নাৰ্চে চৰকাৰৰ within 2/3 Year ত এডজাষ্ট হৈ গৈ আছে। ১০ বছৰ পুৰণা জি এন এম বহু কম ভাগেই এন এইছ এমত আছে। গতিকে আমাৰ পলিচিটো হ'ল যে প্ৰথমে এন এইছ এমত কাম কৰক আৰু এন এইচ এমত কাম কৰা মানুহখিনিক আমি স্বাস্থ্য বিভাগত নিযুক্তিত প্ৰায়োৰিটি দিম যাতে তেওঁলোকে এন এইচ এমৰ পৰা Health Department লৈ ওলাই আহিব পাৰে। যোৱা কেইদিন মানত যিমান জি এন এম নিযুক্তি হৈছে তাৰে অধিকাংশই অস্থায়ীৰূপে এন এইচ এমত কাম কৰি থকা জি এন এম গতিকে আমি তেওঁলোকৰ চাকৰিৰ নিৰাপত্তাৰ কাৰণে, তেওঁলোকৰ পৰিয়ালৰ নিৰাপত্তাৰ কাৰণে তেওঁলোকৰ পৰিয়ালৰ নিৰাপত্তাৰ বাবে ৰাজ্য চৰকাৰে যিমান কৰিব পাৰে আমি সিমানখিনি কৰি আছো আৰু অনাগত দিনতো কৰি থাকিম।

**মাননীয় অধ্যক্ষ ঃ** নেক্সট কোৱেশ্যন ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন এইচ এমৰ বাহিৰেও আমাৰ অসমৰ বিভিন্ন হস্পিটেলত আজি প্ৰায় ১৫-২০ বছৰৰ পৰা থাৰ্ড গ্ৰেড আৰু ফ'ৰ্থ গ্ৰেডত বহুতে কাম কৰি আছে। মাননীয় মন্ত্ৰী মহোদয়ে বিগত বিধান সভাত এটা পলিচি লোৱাৰ কথা কৈছিলে গতিকে তেওঁলোকৰো পদসমূহ স্থায়ীকৰণ কৰাৰ বাবে কিবা ব্যৱস্থা কৰিব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ঃ** অধ্যক্ষ মহোদয়, প্ৰথম অৱস্থাত আমি বুজিব লাগিব যে এই নিযুক্তিসমূহ ৰাজ্য চৰকাৰে কৰা নাই। গৰ্ভনিঙ বডিয়ে ৰাজ্য চৰকাৰৰ অনুমতি নোলোৱাকৈ নিজাববীয়াকৈ তেওঁলোকে বিভিন্নধৰণে কৰ্মচাৰী নিযুক্তি দিছিলে এইটো বিশ্বাসৰ ওপৰত যে হস্পিটেলৰ উপাৰ্জনৰ পৰা আমি তেওঁলোকক দৰ্মহা দি থাকিম। আমি লাহে লাহে মেডিকেল কলেজবিলাকক নিৰ্দেশ দিছো যে আপোনালোকে আৰু নিযুক্তি নিদিব। আজি যদি মই কওঁ যে আমি ৰাজ্য চৰকাৰে তেওঁলোকক সহায় কৰিম তেনেহ'লে ৰাতিৰ ভিতৰতে ৫ হাজাৰ নিযুক্তি হৈ যাব। এই বিলাক আমাৰ গ্ৰে এৰিয়া বুলি কোৱা হয়। এচ টি, এচ চি বা ও বি চি কোনো ৰিজাৰ্ভেশ্যনৰ ব্যৱস্থা নৰখাকৈ নিযুক্ত কৰা হৈছিল। কৰবাত এশ শতাংশই জেনেৰেল কাষ্ট মানুহক নিযুক্তি দিয়া হৈছে। এই গাঁথনিবিলাক ভঙাটো খুবেই জটিল। গতিকে আমাৰ চেষ্টাটো হ'ব যে আমি যদি হস্পিটেলবিলাকক এটা নিৰ্দিষ্ট পুঁজি দিব পাৰো তাৰ পৰাই তেওঁলোকক দৰমহা দি থাকিব। এই বিষয়টো ইতিমধ্যে চৰকাৰে প্ৰাৰম্ভিক চিন্তা চৰ্চা কৰিছে। মেডিকেল কলেজবিলাকক নতুন নিযুক্তি দিবলৈ মানা কৰিছো। ডি এইছ এচক কৈছো যে যিখিনি এনেধৰনে কাম কৰি আছে আমাক তালিকাখন দিয়ক যাতে পৰিমানটো আমি জানিব পাৰো। আজিৰ তাৰিখত আমি নিজেই নাজানো কিমান সংখ্যক মানুহ এনেদৰে কাম কৰি আছে। এই গোটেই বস্তুটো চিষ্টেমেটিক কৰিবলৈ চৰকাৰক অলপ সময়ৰ প্ৰয়োজন হ'ব।

**শ্ৰীদূৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চিকিৎসা বিজ্ঞানৰ MBBS আৰু BDS পাঠ্যক্ৰমত চাহ জনজাতিৰ বাবে সংৰক্ষিত আসনত অচাহ জনজাতিৰ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰিছে। এই বিষয়ে মোৰ ওচৰত তথ্য আছে। মই চৰকাৰক দাখিল কৰিছো। এই তালিকাখনৰ ১৮ জনৰ ১২ জনেই অচাহ জনজাতি। গতিকে মই আশা কৰিম যে চৰকাৰে ইয়াৰ এটা উচিত তদন্ত কৰিব আৰু যিখিনি অ চাহ জনগোষ্ঠীৰ প্ৰাৰ্থী অৰ্ন্তভুক্ত হৈছে সেইখিনিক কৰ্ত্তন কৰিব। লগতে যিসকল প্ৰাৰ্থীয়ে ভূৱা জাতিগত প্ৰমাণ পত্ৰ লৈ MBBS আৰু BDS পৰীক্ষাত অৱতীৰ্ণ হৈছে তেওঁলোকৰ ক্ষেত্ৰত আইনী ব্যৱস্থা গ্ৰহণ কৰিব। প্ৰতি বছৰে চাহ জন জাতিৰ তালিকাত অ চাহ জনজাতি প্ৰাৰ্থী সোমাই আহিছে বা নাম ভৰ্ত্তি কৰি আহিছে। ইয়াৰ এটা উচিত তদন্ত চৰকাৰে কৰিবনে? ভূৱা জাতিগত প্ৰমাণ পত্ৰ দি যাতে নাম ভৰ্ত্তি কৰিব নোৱাৰে ইয়াৰ এটা স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবনেকি? ইয়াকে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাহ জনজাতিৰ কোটাত চাহ জন জাতি নোহোৱা কোনোবা প্ৰাৰ্থী এডমিশ্যন হৈছে বুলি চৰকাৰৰ হাতত কোনো তথ্য নাই। প্ৰতি বছৰে যিসকল প্ৰাৰ্থীয়ে আবেদন কৰে তাৰ ভিতৰত যিসকল নিৰ্বাচিত হয় তেওঁলোকৰ নাম তালিকা ৰি ভেৰিফিকেশ্যনৰ বাবে আমি চাহ জনজাতি কল্যাণ দপ্তৰলৈ প্ৰেৰণ কৰো। এই বাৰো আমি প্ৰায় ২১ গৰাকী প্ৰাৰ্থীৰ নাম চাহ জনজাতি কল্যাণ দপ্তৰলৈ প্ৰেৰণ কৰিছিলো তেওলোক চাহ জনজাতিৰ লোক হয়নে নহয় প্ৰমাণ কৰাৰ বাবে। কিন্তু এতিয়ালৈকে চাহ জনজাতি কল্যাণ দপ্তৰে এজনো প্ৰাৰ্থী চাহ জন জাতি নহয় বুলি চৰকাৰক জনোৱা নাই। সেয়েহে এইটো মুহুৰ্ত্তত মই ক'ব পৰা অৱস্থাত নাই। অ চাহ জনজাতিৰ প্ৰাৰ্থীয়ে নাম ভৰ্ত্তি কৰিছে বুলি যি ১২ জন ব্যক্তিৰ কথা মাননীয় সদস্যগৰাকীয়ে নাম পঢ়ি দিছে ইতিমধ্যে তাৰ ৰিপোৰ্ট চাহ জন জাতি দপ্তৰৰ পৰা আহিছে । মই স্পষ্ট কৰি দিব পাৰিম যে তেওঁলোকৰ ক্ষেত্ৰত টি ৱেলফেয়াৰ ডিপাৰ্টমেন্টৰ ভিউটো কি? যিহেতু নামখিনি নাই গতিকে এই মুহুৰ্ত্তত ক'বলৈ মই অসুবিধা পাইছো।

**শ্ৰীদূৰ্গা ভুমিজ (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, মোৰ হাতত নামখিনি আছে, মই আজিয়েই আপোনাক দাখিল কৰিম। অধ্যক্ষ মহোদয়, Tea Tribes Directorate ও সন্দেহৰ আৱৰ্ত্তত আছে। তেওঁলোকে বিগত দিনত চাহ জন জাতি হয় বুলি যিখিনি এপ্ৰ'ভেল দিছে তাৰ ওপৰত তদন্ত হোৱা উচিত। ইয়াৰ ওপৰিও ২০১৯ চনৰ লিষ্টত জীৱন চুলতানা বুলি চাহ জন জাতিৰ লোক বুলি তেওঁলোকে কৈছে- তাৰ ওপৰতো এটা এনকোৱাৰী হ'ব লাগে। ২০১৯ চনৰ MBBS অভিষেক যাদৱ আৰু ২০১৯ চনৰে সুনীতা ৰয়ৰ ক্ষেত্ৰতো মই তদন্ত হোৱাটো বিচাৰিছো। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক কওঁ যে ইতিমধ্যে আমাৰ চাহ জন গোষ্ঠীৰ ছাত্ৰ-সন্থাই স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক স্মাৰক পত্ৰৰ জৰিয়তে জনাইছে। মই আশা ৰাখিম এইবিলাক বিষয়ত উচিত তদন্ত চৰকাৰে কৰিব। চাহ জনগোষ্ঠীৰ লোক হয়নে নহয় ডাইৰেক্টৰে কেনেকৈ গম পাব? গতিকে এটা উচিত তদন্ত হ'ব লাগে। আগন্তুক দিনত যাতে চাহ জনজাতিৰ সংৰক্ষিত আসনত প্ৰকৃত চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীয়েহে নাম ভৰ্ত্তি কৰিব পাৰে তাৰ এটা বিহীত ব্যৱস্থা ল'ব বুলি আশা কৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াৰ যিটো observation, তাৰ ক্ষেত্ৰত মই দুটামান কথা সদনক Clear কৰিব খুজিছো যে এইবাৰো আমাৰ নামভৰ্ত্তিত ৰেইচমা বেগম, কুমাৰ নিলোফা ৰহমান আৰু ফাৰহাণ আনচাৰী এই তিনি গৰাকী ছাত্ৰ বা ছাত্ৰীয়ে নামভৰ্ত্তিৰ কাৰণে তেওঁলোকে প্ৰাৰম্ভিক দিশত উত্তীৰ্ণ হৈছে, ভেৰিফিকেচনৰ কাৰণে আমি পঠাইছোঁ। এগৰাকীক বাদ দি দুই গৰাকীয়ে চাহ জনজাতিৰ বুলি চাহ জনজাতি মন্ত্ৰালয় আৰু নিৰ্দিষ্ট বাগানৰ চাহ জনজাতিৰ সংস্থা আৰু জিলা উপায়ুক্তই তেওঁলোক বাগানৰ হয় বুলি প্ৰমাণপত্ৰ দি পঠাইছে। প্ৰশ্নটো হ'ল যে, এই বিষয়ে যদি আমি চাব যাওঁ আমাৰ সদনত যেতিয়া, আজিৰ পৰা কিছু বছৰ আগতে কোন চাহ জনজাতিৰ হয় আৰু কোন নহয় তাৰ বিষয়ে বিতৰ্ক হৈছিল তেতিয়া আমি এটা সিদ্ধান্ত লৈছিলো যে মেডিকেল নামভৰ্ত্তিৰ নিয়মত আমি জনগোষ্ঠীৰ নাম লিখি দিম, যাতে বেলেগ জনগোষ্ঠী তাত আহিব নোৱাৰে। মোৰ যিমান দূৰ মনত আছে সেই সময়ৰ মাননীয় মন্ত্ৰী পৃথিৱী মাঝি, দিনেশ প্ৰসাদ গোৱালা, দূৰ্গা ভূমিজ ডাঙৰীয়াও তেতিয়া সদনত আছিল, তেখেত সকলৰ প্ৰচেষ্টাত প্ৰায় ১০০ ৰ ওপৰত জাতিৰ নাম তেওঁলোকে চাহ জনজাতি বুলি লিখি দিছিল। জানি বা নাজানি তেওঁলোকে জুলহা বুলি এটা জনগোষ্ঠী সেই লিষ্ট খনত অন্তৰ্ভূক্ত কৰিছিল। অসমৰ জুলহা জনগোষ্ঠীটো সাধাৰণতে ইছলাম ধৰ্মৰ লগত জড়িত। গতিকে চুলতানা বাগিছাৰ নহয় বুলি যদি আমি ক'ব যাওঁ তেতিয়াহলে যিখন লিষ্ট এই বিধান সভাৰ সদস্য সকলে বনাইছিল সেই লিষ্টৰ পৰা জুলহা জনগোষ্ঠীৰ নাম আঁতৰাব লাগিব। যি সময়ত নামৰ এই লিষ্ট কৰা হৈছিল তেতিয়া আমি সকলোৱে কংগ্ৰেছ দলত আছিলোঁ আৰু কংগ্ৰেছ দলৰ দিনতে আমি সকলোৱে মিলি মই মোক বাদ দিয়া নাই, আমি সকলোৱে মিলি সিদ্ধান্ত লৈছিলোঁ যে, জুলহা জনগোষ্ঠী চাহ জনগোষ্ঠী হয়। দ্বিতীয়তে, যাদৱ, তেলী এই জনগোষ্ঠী বিলাক আমি যদি বাগিছাৰ প্ৰব্ৰজনৰ ইতিহাসটো জানো যে, তেলী বা আন যিবিলাক জাতি উৰিষ্যা বা আন ঠাইত তেওঁলোকে নিজস্ব কামত ব্যস্ত আছে। তেলী সকলে তেলী জীৱন জাপন কৰি আছে, কিন্তু অসমৰ বাগিছাত যি সকল আহিল তেওঁলোক চাহ শ্ৰমিক হ'ল। বৰাক উপত্যকাত এনেকুৱা চাহ শ্ৰমিকৰ এখন দীঘলীয়া তালিকা আছে যিখিনি মানুহক আপত দৃষ্টিত ভূমিজ বা মাঝি এই উপাধি বিলাক তেওঁলোকৰ নহয়, তেওঁলোকৰ উপাধি বিলাক আমাৰ যিবিলাক সচাৰচৰ প্ৰব্ৰজনকাৰী ভাৰতীয় লোক সকলৰ যি অসমত বহুত দিন আগতে অহা যি সমূহ উপাধি তেওঁলোকেও সেই

উপাধিকে লৈ আছে। তাৰফলত চাহ বাগিছাৰ আসনৰ ক্ষেত্ৰত কিছু undue advantage লোৱাটো নুই কৰিব নোৱাৰি। কিন্তু আমাৰ বাগিছাৰ বিধায়ক সকলে ৰাজি হ'ব লাগিব যে এই জনগোষ্ঠী বিলাকৰ নাম আমি কাটি দিম বা এই জনগোষ্ঠী বিলাকৰ নাম কাটিওটো এনেই দিব নোৱাৰো, আমি ক'ব লাগিব যে, এই জনগোষ্ঠী বিলাক Ethnographic report ৰ ফালৰ পৰা বাগিছাৰ শ্ৰমিকৰ ভিতৰত নপৰে। যেতিয়ালৈকে এই সিদ্ধান্ত লোৱা নহ'ব আৰু এই সিদ্ধান্ত বাগিছাৰ ফালৰ পৰা আহিব লাগিব, চাহ জনজাতিৰ ফালৰ পৰা আহিব লাগিব, তেওঁলোকে যেতিয়ালৈকে স্পষ্টভাৱে এখন Memorandumত আমাক লিখি নিদিয়ে যে এই জনগোষ্ঠী কেইটাৰ নাম আপোনালোকে বাগিছাৰ লিষ্টৰ পৰা গুচাই দিয়ক, তেতিয়ালৈকে মই ভাৱো এই ধৰণৰ ঘটনা চলি থাকিব। সেই দিশত মই তিনিটা ভাৱিছো মনতে যে, আমি অহাবাৰ এটা সিদ্ধান্ত ল'ব লাগিব ৰুল এমেণ্ড কৰি যে অকল জনগোষ্ঠী থাকিলে নহ'ব তেওঁলোকে বাগানত কাম কৰাৰ প্ৰমাণ from the wage list হওঁক, যি ধৰণৰ হওঁক অতিৰিক্ত প্ৰমাণো তেওঁলোকে কিছু দিব লাগিব। কিন্তু এই ক্ষেত্ৰত অসুবিধা আকৌ আহি পৰে, যে আজি চাহজনজাতিৰ বহু ব্যক্তিয়ে বাগানত নাথাকে। তেখেত সকলে নিজেই গাঁৱত থাকে। গতিকে এই সিদ্ধান্ত বিলাক আমি নিজে ল'ব লাগিব, জনগোষ্ঠীটোৱে চৰকাৰক গাইড কৰিব লাগিব। আৰু এটা ব্যৱস্থা হ'ব পাৰে যে, আদিবাসী বুলি যদি ৰিজাৰ্ভেচন হয় তেতিয়াহলে adibasi community is very less. তাতে হয়তো চাহ জনজাতি is an economic idea but Adibasi denotes certain tribe. য'ত নেকি জুলহা সোমাব নোৱাৰে। তেনেকৈ আমি ৰিজাৰ্ভেচন কৰিব পাৰিম নেকি, বৰাক আৰু ব্ৰহ্মপুত্ৰৰ চিত কেইটা আমি ভগাব পাৰিম নেকি, তেতিয়াহয়তো ব্ৰহ্মপুত্ৰভেলীত এই confusion টো নাই। এই confusion টো বেছিভাগ বৰাক ভেলীৰ পৰা আহে। আমি পপোলেচন ৰাইজত বাগনৰ চিতখিনি বৰাক আৰু ব্ৰহ্মপুত্ৰত আমি ভগাব পাৰিম নেকি, এই ধৰণৰ কিছু নতুন কথা আমি চিন্তা কৰিব লাগিব। অধ্যক্ষ মহোদয়ক মই অনুৰোধ কৰিম আপুনি যদি ভাৱে আপোনাৰ নেতৃত্বত বা আপুনিও আমাৰ চাহ বাগিছাৰ বিধায়ক সকলক লৈ এটা কমিটি বনাই দিব পাৰে যাতে ৩০ দিনৰ ভিতৰত তেখেত সকলে আমাক পৰামৰ্শ দিয়ে যে এই ব্যৱস্থাটো আমি কেনেকৈ সংশোধন কৰিব পাৰো। আপুনি যদি ভাৱে যে, বিধান সভা একেবাৰে শেষ আমি আৰু কমিটি নবানাও, পৰৱৰ্ত্তী বিধান সভাৰ অধ্যক্ষই বা চৰকাৰে দায়িত্ব লোৱাৰ লগে লগে এই বিষয়টোৰ ওপৰত তিনি মাহ মন্থন কৰিলে আমি নিশ্চয় সমধান এটা বিচাৰি পাম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** অধ্যক্ষ মহোদয়, কথাটো ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিলে তিনি গৰাকী বৰ্তমান প্ৰচেচত আছে, সঞ্চালকালয়ৰ কাৰ্য্যালয়ত তেওঁলোক প্ৰমাণপত্ৰৰ বাবে চিনাক্তকৰণৰ কাৰণে পঠিয়াইছে, সেই কেইগৰাকীৰ কথাই কৈছো মই আচলতে।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** আপোনালোকৰ দুজনক ইতিমধ্যে জিলা উপায়ুক্ত সেই বাগানৰ শ্ৰমিক আৰু চাহজনজাতি সঞ্চালিকা সকলোৱে তেওঁলোকক চাহ বাগিছাৰ হয় বুলি স্বাস্থ্য বিভাগক জনাইছে।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** এইটো আচলতে ৰি এনকুৱাৰী হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ভূমিজ ডাঙৰীয়া আপুনি মোক এখন কাগজ দিব I will decide.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই নিজেই প্ৰস্তাৱ কৰিছোঁ এই ৰি এনকুৱাৰীৰ দায়িত্ব দূৰ্গা ভূমিজ ডাঙৰীয়াৰ নেতৃত্বত সদনৰ তিনি জনীয়া কমিটিখনক দায়িত্ব দি দিয়ক। চৰকাৰৰ

কোনো আপত্তি নাই, কিন্তু বস্তুটো based on document হ'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ভূমিজ ডাঙৰীয়া এইটোক লৈ দিবেট নকৰো।

**শ্ৰী দূৰ্গা ভূমিজ (ডুমডুমা) ঃ** আজি বিধান সভাতে আচলতে জুলহা নামৰ চাহ জনগোষ্ঠীত নাই, আজিৰ পৰা জুলহা নামৰ জনগোষ্ঠী চাহ জনগোষ্ঠীৰ তালিকাৰ পৰা বাহিৰ কৰিব লাগে এইটো কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** You can not do that, এইটো আপুনি কৰিলে বদনাম হয়। মই ভালকৈ বুজিলো কথাটো। Definitely, I will try. কাৰণ আমি চাহ জনগোষ্ঠীৰ ক্ষেত্ৰত যথেষ্টখিনি এইখন সদনে কৰিছোঁ। গতিকে আমি বুজিছো আৰু ভূমিজ ডাঙৰীয়া মোক আপুনি বস্তুখিনি দিব। এতিয়া তেৰছ গোৱালা আপোনাৰ কিবা আছে নেকি, কওঁক। চমুকৈ কব, কথাখিনি বহলাই কৈ দিছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে এইটো এটা গুৰুত্বপূৰ্ণ সমস্যা আমাৰ জনগোষ্ঠীৰ কাৰণে আৰু মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে মই সন্তুষ্ট। কিন্তু ইয়াৰ বাস্তৱত ৰূপ দিব লাগিব। কাৰণ আলী, আহমেদ, হুছেইন চাহ জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক লোক পৰম্পৰাৰ লগত এক বিন্দু মিল নাই।

**মাননীয় অধ্যক্ষ ঃ** We should not further discuss it.

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান) ঃ** কোনো কাৰণত কেতিয়াও মানিব নোৱাৰো। এই ক্ষেত্ৰত প্ৰমাণপত্ৰ ইচ্চুৰ ক্ষেত্ৰত বেমেজালি আছে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ কমিটি এটা বনোৱাৰ কথা কৈছে।

**শ্ৰী তেৰছ গোৱালা (দুলীয়াজান)ঃ** এইবাৰ মন্ত্ৰী ডাঙৰীয়াই যিটো পৰামৰ্শ দিছে সেইটো কাৰ্য্যকৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো কৰিলে ভাল হ'ব। ৰফিকুল ইছলাম ডাঙৰীয়া আপুনি কওক।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** মানননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দূৰ্গা ভূমিজ ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে সেইটো বহুত গুৰুত্বপূৰ্ণ। মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে উত্তৰ দিছে, প্ৰকৃততে এই ৰিজাৰ্ভেচনখিনি এই কাৰণে হৈছিল যে চাহ বাগন অঞ্চল বিলাকত শিক্ষা-দীক্ষাৰ হাৰ বহুত কম, বহুত পিছপৰা, এইটো পদক্ষেপ বহুত ভাল আমিও সকলোৰে এইটোক উৎসাহিত কৰিছোঁ হ'ব লাগে। এতিয়া যদি চাহ বাগানৰ নামত কোনো ছাত্ৰৰ নামত বাহিৰৰ পৰা যদি কোনোবা বক্ৰ পথৰে প্ৰমাণ পত্ৰ লৈছে সচাঁকৈ তদন্ত হৈ ইয়াৰ বিহীত ব্যৱস্থা হ'ব লাগে, বাতিল হ'ব লাগে ১০০ শতাংশই আমি একমত। লগতে মাননীয় অধ্যক্ষ মহোদয়, কিছু কথা যিহেতু আহিছে, মই নিজে কিছু চাহ বাগান অঞ্চলত গৈছো, আমাৰ বৰাকৰ বিধায়ক সকল আছে, আমাৰ সুজামউদ্দিন ডাঙৰীয়া, নিজামুদ্দিন ডাঙৰীয়া আছে। আলগাপুৰ, কাক্‌লিচৰা এইবোৰ অঞ্চলতো বাগান আছে। আমিও কেতিয়াবা ইলেক্‌চন খেলিবলৈ গৈ তাতে আনচাৰি পাইছো। আহিছে কোনোবা, চুলতান, বেগমৰ কথা যে আহিছে, য'ত আমি মাঝি পাইছো, য'ত আমি ভূমিজ পাইছো তাত আমি চুলতান, বেগমও দুই এজন পাইছো। যিহেতু যেতিয়া বাগানীয়া ভাই সকল আহিছিল অসমৰ বাগানত আহিছে তেতিয়া এনেকুৱা নাছিল যে এটা ধৰ্ম বা এটা জাতিৰে মানুহ আহিব। হয়, হ'ব পাৰে ৯৫ শতাংশ, ৯৮ শতাংশ কোনোবা এটা জনগোষ্ঠীৰ, কিন্তু আনচাৰি যিটো জুলহা বুলি কোৱা হৈছে ইউ পি বা বিহাৰত এই সকলক আনচাৰি বুলি কোৱা হয়। সেই সকল নিজকে আনচাৰি বুলি তেখেত সকলে কয় আৰু আমি অসমত জুলহা বুলি কওঁ। সেই সকল

আমি পাইছোঁ, বাগানত তেখেত সকলে কাম কৰি আছে। গতিকে এই কথাখিনি আহিছে।

**माननीय অধ্যক্ষ ঃ** ঠিক আছে, আপোনাৰ কথাখিনি ৰেকৰ্ড কৰা হৈছে আৰু বহলাই নালাগে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিচাৰিছো বক্ৰ পথৰে কোনোৰেও পইচা পাতি দি মেনেজ কৰি, যিটো চলে বিভিন্ন ঠাইত, তেনেকুৱা যাতে কোনো প্ৰমাণপত্ৰ লৈ মেডিকেলত আহিব নোৱাৰে। কিন্তু ইয়াৰ কাৰণে যাতে এনেকুৱা নহয়, যেনেকৈ আমাৰ মাননীয় সদস্যই কৈছে যে আলী, হুছেইন ইয়াৰ লগত কোনো সম্পৰ্ক নাই, এই কথাটো শুদ্ধ নহয়।

**মাননীয় অধ্যক্ষ ঃ** সেইটো মই বুজিছো। ঠিক আছে।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ** বাগানত যি সকলে কাম কৰি আছে যি সকল বাগানী হয় সেই সকল যি ধৰ্মৰে নহওঁক কিয়, যি জাতি-জনগোষ্ঠীৰে নহওঁক কিয় সেই সকলে এই সুবিধাটো পাব লাগে এইখিনি আমাৰ অনুৰোধ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আৰু নালাগে। পৰৱৰ্ত্তী প্ৰশ্নলৈ যাওঁ। মই এটাই ক'ব খুজিছো যে এইটো ফেক্ট। মোৰ যোৰহাটত বেছি বাগান নাই, দুখন বাগান। এইটো এটা ফেক্ট, যে এটা ঠাইত আমাৰ ইছলাম ধৰ্মীয় বাগানৰ লেবাৰ খিনি আছিল, মই সুধিছিলো আপোনালোকে কেনেকৈ, তেওঁলোকে একেবাৰে বাগানৰ লাইফ ষ্টাইলৰ নিচিনা থাকে, লাইন কৰিয়ে থাকে। সেইকাৰণে এই কথাটোৰ এটা ডিটেইলচ ডিচ্‌কাচন কৰিলে ভাল। যাতে আমি সহনশীলতাৰে কথাবিলাক বুজি যিটো টি ট্ৰাইবৰ কাৰণে আমি যিটো কথা ভাৰিছো সেইটো যাতে প্ৰকৃতাৰ্থত হয় তাৰ কাৰণে কাম কৰিব লাগিব। তাতত্যাগ অলপ অলপ সকলোৰে কৰিব লাগিব। কিন্তু মই চেষ্টা কৰিম। Time is so limited, I don't know but I will prefer if the next Assembly can do that. Next Question no 24, Kamalakshya Dey Purkayastha. Minister Finance Question no 24.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। অধ্যক্ষ মহোদয়, দৰ্মা আয়োগ, অৰ্থাৎ পে কমিচন্ প্ৰথমৰ পৰা ষষ্ঠ দৰ্মা আয়োগ যিটো, প্ৰথম দৰ্মা আয়োগ ১৯৪৬, দ্বিতীয় দৰ্মা আয়োগ ১৯৭১, তৃতীয় দৰ্মা আয়োগ ১৯৭৯, চতুৰ্থ দৰ্মা আয়োগ ১৯৮৮, পঞ্চম ১৯৯৪, ষষ্ঠ ২০০৮। অৰ্থাৎ অধ্যক্ষ মহোদয়, দৰ্মা আয়োগৰ যেতিয়া ৰিকমেণ্ডচন হয় বা ১০ বছৰৰ মূৰে মূৰে ৰিকমেণ্ডচন দিব লগা হয়। কিন্তু বহুত কিবাকিবি কাৰণে বা বহুতৰ বিত্তৰ অসুবিধাৰ কাৰণে হয়তোবা দুই এক বছৰ ইফাল সিফাল হৈ যায়। কিন্তু মই এটা বস্তু ধৰিব পৰা নাই অধ্যক্ষ মহোদয়, আজিলৈ যিমান পে কমিচন্ হ'ল প্ৰত্যেকটা এক জানুৱাৰীৰ পৰা কাৰ্য্যকৰী হৈছে। কিন্তু সপ্তম পে কমিচন্ যিটো সেইটো কাৰ্য্যকৰী হ'ল এক এপ্ৰিল ২০১৬ বৰ্ষৰ পৰা। এই এক জানুৱাৰীৰ পৰিবৰ্তে এক এপ্ৰিল পৰা কিয় দৰ্মা আয়োগটো কাৰ্য্যকৰী কৰা হ'ল। চৰকাৰৰ কিবা অৰ্থৰ নাটনি আছিল নেকি বা কিবা আছে নেকি? এই বস্তুটো ধৰিব পৰা নাই। মন্ত্ৰী মহোদয়ৰ পৰা মই সঠিককৈ জানিব বিচাৰিছো যে এক জানুৱাৰীৰ পৰা কিয় এইটো কাৰ্যকৰী কৰা নাই।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যিহেতু বিত্তীয় বছৰ এক এপ্ৰিলৰ পৰা আৰম্ভ হয়, গতিকে ইয়াৰ আগতেও আমি যদি চাব যাওঁ যেতিয়াহ'লে আমি দেখা পাওঁ যে প্ৰথম যেতিয়া অসমত বিত্তীয় আয়োগ হৈছিল প্ৰথম বিত্তীয় আয়োগে এইটো নিয়ম কৰিছিল যে এক এপ্ৰিলৰ পৰাহে দৰমহা আয়োগটো কাৰ্য্যকৰী হ'ব লাগে। বিশ্বৰ দৰমহা আয়োগ বিলাকে প্ৰথম

লোৱা সিদ্ধান্তটোক বাদ দি তেওঁলোক জানুৱাৰীলৈকে গুচি গ'ল। আমাৰ কাৰণে সুবিধা হয়, বাজেট দিবৰ কাৰণে, বাজেট ৰূপায়ণৰ কাৰণে, যদি ব্যৱস্থাবোৰ এক এপ্ৰিলৰ পৰা আৰম্ভ হয় আৰু সেই দৃষ্টিভঙ্গীৰ পৰা লক্ষ্য ৰাখি অসম চৰকাৰে সিদ্ধান্ত লৈছে যে এইবাৰ বা ভৱিষ্যতৰ বেতন আয়োগ বিলাক এক এপ্ৰিলৰ পৰা আৰম্ভ হ'ব এক জানুৱাৰীৰ পৰিবৰ্তে। কাৰণ চৰকাৰৰ কাৰণে নতুন বিত্তীয় বৰ্ষ এক এপ্ৰিলৰ পৰা আৰম্ভ হয়, এক জানুৱাৰীৰ লগত আমাৰ বিশেষ কোনো চৰকাৰৰ সম্বন্ধ নাথাকে। দ্বিতীয়তে, আমাৰ যিখন বিত্তীয় কমিচন আছিল পি পি বাৰ্মা ডাঙৰীয়াৰ নেতৃত্বত, টকা-পইচাৰ অসুবিধাৰ কথাটো এই কাৰণে নহয় যে তেওঁলোকে এক এপ্ৰিল ২০১৭ ৰ পৰাহে আমাক কাৰ্য্যকৰী কৰিব দিছিল। আমি এবছৰ আগুৱাই আনি এক এপ্ৰিল ২০১৬ ৰ পৰা কাৰ্য্যকৰী কৰিলো। অৰ্থাৎ আমাৰ যদি মন বেয়া হ'লহেঁতেন আমি কি কৰিলোহেঁতেন যে বিত্তীয় আয়োগে কৈছে ১-৪-২০১৭, Let us implement from 1-1-2017. কিন্তু আমি সেইটো নকৰি এবছৰ, বিত্তীয় আয়োগে ২০১৭ ৰ পৰা কাৰ্যকৰী কৰিব পৰামৰ্শ দিলে, আমি ২০১৬ চনৰ পৰা দিলো। কিন্তু এক জানুৱাৰীৰ পৰিৱৰ্তে এক এপ্ৰিল কৰি দিলো। যাতে এটা চিচটেমত সি পৰিণত হয়। আপোনালোকে যদি পুৰণা ৰেকৰ্ডত চাই যে প্ৰথম বিত্তীয় আয়োগৰ সুপাৰিশ সেই ধৰণৰহে আছিল।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** অধ্যক্ষ মহোদয়, মই এটা বস্তু জানিব বিচাৰিছো মন্ত্ৰী মহোদয়ৰ পৰা প্ৰথমটো হৈছে ঠিক আছে, তাৰ পিছত যিকেইটা আমাৰ বিত্তীয় আয়োগ হৈছে তেওঁলোকেও এক জানুৱাৰীৰ পৰা কৰিলে। গতিকে তেওঁলোকেও যদি কৰিব পাৰিলে এইবাৰ কিয় এইটো সলনি হ'ল। দ্বিতীয়তে, এটা বস্তু জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** উত্তৰ দিলে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** লগতে, চেভেন পে কমিচনৰ আমাৰ জনা মতে কেন্দ্ৰৰ হাৰে বেতনটো পাব লাগে। আমাৰ অসমৰ ৰাজ্যিক কৰ্মচাৰী যিখিনি আছে তেখেতসকলে কেন্দ্ৰীয় চৰকাৰৰ হাৰে বেতনটো পাই আছে নেকি মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। কাৰণ ক'ৰবাত ক'ৰবাত আপত্তি হৈ থাকে যে কেন্দ্ৰৰ হাৰে পোৱা নাই বুলি কোনোবাই আন্দোলন কৰি থাকে। চৰকাৰে যেতিয়া কৈছে যে কেন্দ্ৰীয় হাৰে পাব, এই প্ৰত্যেকজন কৰ্মচাৰীয়ে কেন্দ্ৰৰ হাৰে পাইছে নে পোৱা নাই, এইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ মতে দৰমহা পায় আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰীয়ে ৰাজ্য চৰকাৰৰ বেতন আয়োগৰ মতে দৰমহা পায়। প্ৰাক্তন মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই যেতিয়াই প্ৰথম কৈছিল যে কেন্দ্ৰীয় চৰকাৰৰ সম হাৰত দৰমহা পাব, তেওঁ একে কৰি দিয়া নাছিল। বেচিকটোহে সম হাৰত কৰিছিল। গতিকে কংগ্ৰেছ দলৰ দিনত যি ষ্টেণ্ডাৰ্ড চেত কৰা হৈছিল তাক আমি ফলো কৰি আছো। সম হাৰত দৰমহা হয়, সমান দৰমহা নহয়। কাৰণ তেওঁলোকৰ হাউচ ৰেন্ট এলাউন্সৰ নিয়ম বেলেগ, আমাৰ হাউচ ৰেন্ট এলাউন্সৰ নিয়ম বেলেগ। কিন্তু যিটো স্কেল সেইটো প্ৰায় ১০০ শতাংশ একে নহ'ব কাৰণ তেওঁলোকৰ পদৰ নাম বেলেগ, আমাৰ পদৰ নাম বেলেগ বা তেওঁলোকে যি কাম কৰে বা আমাৰ যি কাম কৰে সেই কাম মিলালে মোটামোটি একে ধৰণৰ দৰমহা আমি দিওঁ। তেওঁলোকৰ ডাইৰেক্টৰ জন হৈছে আটাইতকৈ তলৰ ৰেংকৰ অফিচাৰ আৰু আমাৰ ডাইৰেক্টৰ জন হ'ল আটাইতকৈ ডাঙৰ ৰেংকৰ অফিচাৰ। এতিয়া যদি ডাইৰেক্টৰ জনে বিচাৰে মোক ডাইৰেক্টৰৰ দৰমহা দিয়ক, নাম লৈ নহ'ব। কিন্তু তেওঁলোকে যি কাম কৰে, আমি যি কাম কৰো দুয়োটাৰ যেতিয়া মিল হয় তেতিয়া

আমাৰ অধিকাংশ কৰ্মচাৰীয়ে পে স্কেল কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত পাই, সমানত নাপায়। এই বস্তুটো যি ধৰণে আগৰ কংগ্ৰেছ চৰকাৰৰ দিনত যি প্ৰিন্সিপ'ল লোৱা হৈছিল সেই প্ৰিন্সিপ'লটোকে আমি চলাই আছো আৰু তাৰ কোনো ব্যতিক্ৰম ৰাজ্য চৰকাৰে কৰা নাই।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম।

**শ্ৰী আমিনুল ইছলাম, ধিং** ঃ মাননীয় অধ্যক্ষ মহোদয়, যিহেতু **৬ষ্ঠ** দৰমহা আয়োগৰ মেদ উকলিল, **৭ম** দৰমহা আয়োগৰ পৰামৰ্শাৱলীৰ ওপৰত এতিয়া দৰমহাৰ গাঁঠনি চলি আছে। কিন্তু **৫ম** দৰমহাৰ আয়োগৰ সময়তে কৰ্মচাৰী সকলৰ **৩১** মাহৰ বকেয়া অতিৰিক্ত পাব লগীয়া আছিল, সেইটো থাকি গ'ল। তাৰ ভিতৰত কিছুদিন আগতে চৰকাৰে **৮** মাহৰ বকেয়াতো পাইছিল বাকী **২৩** মাহৰ বকেয়াতো এতিয়ালৈকে থাকি গ'ল। কৰ্মচাৰীসকলে আশাপালি আছে প্ৰায় **১০-১৫** বছৰ হৈ গ'ল, সেইখিনি বকেয়া দিয়া হ'ব নেকি, এই মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড° হিমন্ত বিশ্ব শৰ্মা (বিত্তী বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীজনে যিটো **২৩** মাহৰ কথা উল্লেখ কৰিছে। It goes back to 6th pay commission. অৰ্থাৎ যেতিয়া অসমত কংগ্ৰেছৰ চৰকাৰ আছিল, সেই সময়ত 6th pay commission আহিছিল আৰু আমাৰ চৰকাৰৰ দিনত 7th pay commission আহিছে। মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই কোৱাৰ দৰে যে pay commission অহাৰ লগে লগে implementation নহয়, report দেৰিকৈ আহে। যেতিয়া report দেৰিকৈ আহে সেই সময়ৰ চৰকাৰৰ দায়িত্ব থাকে যে date of implementation ৰ দিনৰ পৰা তেওঁলোকক arrear দিব লাগে। আমাৰ চৰকাৰে যেতিয়া **৭ম** দৰমহা আয়োগৰ প্ৰতিবেদন পালে, date of implementation 1/4/2017 আছিল। আমাৰ কেবিনেটে1/4/2017 ৰ সলনি 1/4/2016 ৰ পৰা arrear দি দিলো। কিন্তু আগৰ কালছোৱাত যদিও government is continuous process মই referece তো এই কাৰণে আনিব লগা হৈছে **৬ষ্ঠ** দৰমহা আয়োগৰ যেতিয়া প্ৰতিবেদন দিছিল, তেতিয়া চৰকাৰে কৰ্মচাৰীসকল কোনো arrear দিয়া নাছিল। কৰ্মচাৰীসকলে আন্দোলন, সংগ্ৰাম দুয়োটা কৰাৰ পিছত, কোনোবাবাৰ পঞ্চায়ত নিৰ্বাচনৰ আগত **৬** মাহৰ arrear দিয়ে, কোনোবাবাৰ লোক সভাৰ নিৰ্বাচনৰ আগত **৬** মাহৰ arrear দিয়ে, শেষত বিধান সভাৰ নিৰ্বাচনৰ আগত finally **৬** মাহৰ arrear দি কৰ্মচাৰী পৰিষদক তেতিয়া চৰকাৰে জনাই দিছিলে যে আপোনালোকে এই demand তো লাগি নাথাকিব, এইটো বন্ধ কৰক। কৰ্মচাৰী সকলে যদিও সন্মতি দিয়া নাছিলে, তেওঁলোকে প্ৰতিবাদও কৰা নাছিল।

7th pay commission ৰ implementation আৰম্ভ হোৱাৰ পিছত আমি 6th or 5th pay commission লৈকে ঘূৰি যাব নোৱাৰো। মই ভাৱো যে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলে এইটো appreciate কৰিব আমাৰ ক্ষেত্ৰত যে আমি **১** এপ্ৰিল, **২০১৭** চনৰ পৰা দিয়াৰ পিছতো আমি **১** এপ্ৰিল, **২০১৬** চনৰ পৰা arrear দিলো আৰু আন চৰকাৰে প্ৰাপ্ত খিনি দিবলগীয়া হোৱাৰ পিছতো নিদিয়াকৈ থাকি গৈছে। আজি আমাৰ ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলক আপোন ঘৰ, বিদ্যালক্ষ্মী আদি আৰু এতিয়া আমি তেওঁলোকক insurance বা তেওঁলোকৰ medical reimbursement ৰ সলনিকৰণৰ কাৰণেও কৰ্মচাৰীসকলৰ লগত কথা বতৰা পাতি সম্পূৰ্ণ এটা শুদ্ধ দিশত আগবাঢ়িছো। আমাৰ চৰকাৰৰ কাৰ্য্যকালত কৰ্মচাৰীসকলৰ লগত কোনো ধৰণৰ dispute নাই বা দেখাও দিয়া নাই। এইবাৰে আমি প্ৰথম পাঁচ বছৰৰ চৰকাৰ বুলি দাবী কৰিব পাৰো য'ত ৰাজ্যিক কৰ্মচাৰী সকলে এদিনৰ বাবেও কোনো ধৰণৰ আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰা

নাই। আৰু কৰ্মচাৰী আৰু চৰকাৰৰ মাজত যিটো এটা ব্যৱস্থা, সম্বন্বয়, মৰম, প্ৰেম, আদৰ, এই ব্যৱস্থা অসমৰ ইতিহাসৰ আগত কেতিয়াও দেখা নাছিল। মই জানো যে **২৩** মাহৰ বকেয়া দৰমহা তেওঁলোকক নিদি তেওঁলোকক অন্যায় কৰা হৈছিল। এই অন্যানতোক ন্যায়লৈকে ৰূপান্তৰ কৰিবৰ বাবে আমাৰ হাতত resource নাই, কিন্তু আমাৰ কাৰ্যকালত তেওঁলোকক অতি অন্যায় হ'ব দিয়া নাছিলো আৰু ভৱিষ্যতেও তেওঁলোকৰ অন্যায় হ'ব নিদিওঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Question No. 25 - মাননীয় সদস্য শ্ৰী অনন্ত কুমাৰ মালো।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীঅনন্ত কুমাৰ মালো (অভয়াপুৰী দক্ষিণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ মই পাইছো আৰু মন্ত্ৰী মহোদয়ে কৈছে যে পশু চিকিৎসালয় ডাক্তৰৰ কোৱাটাৰ নিৰ্মাণৰ বাবে **৩৪,৮৬,৬৩০.০০** টকা প্ৰশাসনীয় অনুমোদন দিয়া হৈছে আৰু অতি সোনকালে নিৰ্মাণৰ কাম আৰম্ভ কৰা হ'ব। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, তাতে দুটা কাম বাকী থাকিল - ক্ষেত্ৰ সহায়ক আৰু পিয়নৰ থকাৰ বাবে কোৱাটাৰ নাছিল, সেই দুটা কাম যদি কৰি দিলেহেতেন, তেতিয়া হ'লে মই নথৈ আনন্দিত হ'লোহেতেন।

গাখীৰৰ পৰা উৎকৃষ্ট খাদ্য দধি, ঘিঁ, চানা আদি সৃষ্টি হয়। সেই কাৰণে আমাৰ এই জীৱ জন্তু সকলক অধিক গুৰুত্ব দিব লাগে। মই বিত্তীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে পশু চিকিৎসা বিভাগৰ ওপৰত অধিক গুৰুত্ব দি আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে যাতে অধিক সা-সুবিধা দিব পাৰে এই জীৱ-জন্তু সকলক তাৰ কাৰণে মই বিত্ত মন্ত্ৰী মহোদয়ক আৰু বিভাগীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দৃষ্টি গোচৰ কৰিছো।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকী মই ধন্যবাদ জনাইছো। অসমৰ আৰ্থ-সামাজিক দিশৰ দ্ৰুত উন্নয়নৰ ক্ষেত্ৰত পশু-পালন আৰু পশু চিকিৎসা বিভাগে অপৰিসীম দায়িত্ব পালন কৰিব পাৰে। কিন্তু কথা হ'ল যে যিটো সময়ত মই এই বিভাগৰ দায়িত্ব গ্ৰহণ কৰিছিলো সেই সময়ত বিভাগটো একেবাৰে মৃতপ্ৰায় অৱস্থা আছিল। কিন্তু যোৱা দিন কেইটা আমি infrastructure development ৰ কাৰণে যথেষ্টখিনি কাম-কাজ কৰিছো। ৰাজ্যখনত বৰ্তমান **৪৩৮** খন পশু চিকিৎসালয় আৰু **৭৭৬** খন পশু চিকিৎসালয় উপ-কেন্দ্ৰ আছে। এই বিলাক নিৰ্মাণৰ কাৰণে আমি বিভিন্ন আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিছো। ইয়াৰ উপৰিও যোৱা চাৰে চাৰিটা বছৰত যিবিলাক খালী পদ আছিল বিশেষকৈ **১০৩** জন ভেটেনাৰী অফিচাৰ আমি নিযুক্তি দিছো APSC ৰ যোগেদি। আজি কেইদিনমান আগতে **২২১** জন Veterinery Field Assistant ক আমি নিযুক্তি দিছো আৰু যিবিলাক খালী পদ আছে, সেই বিলাক অৰ্থাৎ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদ পুৰণ কৰিবৰ বাবে আমি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো।

ইয়াৰ উপৰিও সন্মানীয় সদস্যগৰাকীয়ে গাখীৰ সম্পৰ্কে ঠিক কথা কৈছে আৰু লগতে বহুত কেইটা গুৰুত্বপূৰ্ণ কথা কৈছে। সেই কাৰণে আমি কিছু কৌশল গ্ৰহণ কৰিছো, সেই কৌশলসমূহ কাৰ্য্যকৰী কৰাৰ কাৰণে বিশেষভাৱে পৰিকল্পনা কৰিছো যেনে আমাৰ দেশীয় গৰু, ম'হ, ছাগলী, গাহৰী আৰু হাহঁৰ উৎপাদন অধিক হাৰত যাতে বৃদ্ধি কৰিব পৰা যায়, তাৰ কাৰণে আমি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছো। মই আমাৰ সন্মানীয় সদস্যসকলৰ এই ক্ষেত্ৰত আন্তৰিক সহযোগিতা কামনা কৰিছো। কাৰণ Animal Husbandry Veterinery টো এনেকুৱা এটা বিভাগ যাৰ জৰিয়তে আমি স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পাৰো। কৰ'না কালত আমাৰ কিছুমান Farmer যথেষ্ট ক্ষয়-ক্ষতিৰ সন্মুখীন হৈছিল, প্ৰায় **১শ** কোটি টকা মানৰ লোকচান হৈছিল যি বজাৰ পোৱা নাছিল।

Farmer সকলে হাহঁ-কুকুৰাক খুৱাবলৈ সক্ষমো হোৱা নাছিল। গতিকে ভৱিষ্যতৰ দিন আমি ভাবিছো যে এই বিভাগতো শক্তিশালী কৰিবৰ কাৰণে সন্মানীয় সদস্যগৰাকীয়ে মাননীয় বিত্তীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰাৰ দৰে ময়ো অনুৰোধ কৰিছো যাতে এই বিভাগতো অনাগত দিনত আৰু অধিক গতিশীল কৰি যাতে ইয়াৰ জৰিয়তে স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পৰা যায় তাৰ কাৰণে তেখেতে সহায় - সহযোগিতা আগবঢ়ায়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন ছিকন্দাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিত ৰাজ্যিক পশু চিকিৎসালয় বা ডাক্তৰৰ কোৱাৰ্টাৰ ইত্যাদি বিলাকৰ ক্ষেত্ৰত যি জৰাজীৰ্ণ আছিল কথাটো বিভাগে অৱগত বুলি কৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে অকল অভয়াপুৰী দক্ষিণ বিধান সভা সমষ্টিৰ ক্ষেত্ৰত যেনেকৈ অৱগত আছিল নে গোটেই অসমৰ **১২৬** টা বিধান সভা সমষ্টিৰ সম্পৰ্কে অৱগত হৈছিল।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই question related বুলি নকও, কিন্তু যিহেতু মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে স্ব-নিয়োজন সম্পৰ্কত যিটো কথা কৈছে যে অৰ্থনৈতিক এটা পৰিবৰ্তন আনিব পাৰে বুলি। কিন্তু মই তেখেতক অনুৰোধ জনাম যে আমাৰ যিবিলাক পশু-পালকে ইতিমধ্যে গাখীৰৰ ব্যৱসায় আৰম্ভ কৰিছে তেওঁলোকে বিশেষ অসুবিধাত পৰিছে দানাৰ ক্ষেত্ৰত। দানাৰ ক্ষেত্ৰত subsidy দিব পাৰি নেকি? আৰু silage উৎপাদনৰ ক্ষেত্ৰত তেনেকৈ এটা পদক্ষেপ আমাৰ ৰাজ্যখন তেখেতে গ্ৰহণ কৰিব পাৰে নেকি? এই ক্ষেত্ৰত মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। কথাবিলাক আছিলে দক্ষিণ অভয়াপুৰী বিধান সভা সমষ্টিৰ পশু চিকিৎসালয়ৰ। সেইটোৰ সম্পৰ্কত সুধিব।

**শ্ৰী ৰফিকুল ইছলাম (জনিয়া) ঃ মাননীয় অধ্যক্ষ মহোদয়,** মই এইটোৰ লগত সংগতি ৰাখি গো-পালনৰ কথা কৈছো। যেনেকৈ মানুহৰ কাৰণে চৰকাৰী হস্পিতালত বিনামুলীয়াকৈ ঔষধ দিয়াৰ ব্যৱস্থা কৰা হয়, কমেও **৮০-৯০ শতাংশ**। গো-পালনৰ ক্ষেত্ৰত বহু দুখীয়া মানুহ বিলাকে গৰু, মহ, ছাগলী আদি পোহে। গাখীৰৰ কোনো MSP ও নাই, কৃষক সকলে আন্দোলন কৰি আছে। গাখীৰৰ ক্ষেত্ৰত যদি MSP নিৰ্দ্ধাৰণ কৰা হয়, তেতিয়া হ'লে গো-পালকসকলে এটা উচিত মুল্য পাব। মেডিচিন যিমান লাগে পশুৰ কাৰণে তেখেতসকলে ফাৰ্মাচীৰ পৰা কিনি ব্যৱহাৰ কৰে। চৰকাৰীভাৱে যদি মেডিচিন খিনি যোগান ধৰা হয়, মই অনুৰোধ কৰিম মেডিচিন আৰু খাদ্য supply কৰি গাখীৰৰ MSP যদি নিৰ্দ্ধাৰণ কৰিব পাৰে পশু-পালকসকলৰ বহু উপকাৰ হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া স্ব-নিয়োজনৰ ক্ষেত্ৰত এটা কথা কোৱা হৈছে আৰু minimum support price এটা দিব পাৰি নেকি? এই দুটাৰ উত্তৰ দিয়ক, তাৰ পিছত মই next question আৰম্ভ কৰিম।

**শ্ৰীঅতুল বৰা (কৃষি বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়া, ৰফিকুল ইছলাম ডাঙৰীয়াই যিকেইটা ইয়াত প্ৰশ্ন কৰিছে মই আটাইকে ধন্যবাদ জনাইছো। এটা উত্তৰতে মই গোটেইখিনি সাঙুৰি দিব বিচাৰিছো। মই নিজা ববীয়াকৈ গৈছিলো কইনকা বুলি এখন ডাঙৰ কৃষি ফাৰ্ম য'ত তাত গৰু, গাহৰী, মাছ আদি আছে, সুন্দৰকৈ খুলিছে। সেই কাৰণে তেখেতে যিহেতু এই বস্তুৰ লগত গভীৰভাৱে জড়িত হৈ আছে। এই বিষয়টোৰ সম্পৰ্কে সজাগ।

ইয়াৰ জৰিয়তে যে স্ব-নিয়োজনৰ ব্যৱস্থা কৰিব পৰা যায়। এই কথাটো সঠিক ভাৱে হৃদয়ঙ্গম কৰিছে আৰু আমিও কৰিছো। কাৰণ যোৱা সময়ছোৱাত আমি প্ৰায় **১৫** হেজাৰ এনে ধৰণৰ নিবনুৱা যুৱক-যুৱতীক আমি প্ৰশিক্ষণ দিছো হাহঁ, কুকুৰা পালনৰ। প্ৰায় **৫** হাজাৰ মানক যাতে তেওঁলোকে বেঙ্কৰ পৰা ঋণ পাই, এই ক্ষেত্ৰত আমি সহায়- সহযোগিতা কৰিছো। কৰ'না কালত ইয়াত যিবিলাক free meal আছিল, সেই বিলাক বন্ধ হৈ পৰিছিল। কাৰণ বাহিৰৰ পৰা ingredients আনিব পৰা হোৱা নাছিল। সমস্যা কেইটামান আছে। আৰু তেখেতে subsidy ৰ কথা কৈছে আৰু সন্মানীয় সদস্য এগৰাকীয়ে minimum support price ৰ কথা কৈছে। গোটেই বিষয়তো আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। question no. 26, মাননীয় সদস্য শ্ৰী আবুল কালাম ৰছিদ আলম।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা (বিত্ত বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৱ গোৱালপাৰা)**ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে, কিন্তু ইয়াত আকৌ কিছু প্ৰশ্ন উদয় হৈছে। আমাৰ যিজন ঠিকাদাৰক SS-46 ত চাৰিটা গ্ৰুপ আছিল, তাৰ ভিতৰত তিনিটাৰ কাম শেষ হৈছিল। এটাৰ কাম হোৱা নাই, একমাত্ৰ হাইকোৰ্ট হোৱাৰ কাৰণে। হাইকোৰ্টৰ কেছটো নিস্পত্তি হোৱাৰ পিছত ঠিকাদাৰজনে ইচ্ছা কৰিলে কাম কৰিব পাৰিলে হৈ, কিন্তু ঠিকাদাৰে ইচ্ছা কৰি কাম কৰা নাই। এতিয়া সেই ঠিকাদাৰৰ ভুলৰ কাৰণে আমাৰ টকাখিনি ঘূৰি গ'ল। তেওঁক কিবা শাস্তি দিয়াৰ ব্যৱস্থা কৰিছে নেকি ? যাতে ভৱিষ্যতত এনেকুৱা কাম আৰু নকৰে। তাৰ কিবা এটা ব্যৱস্থা কৰিব লাগে। এই কামখিনিৰ এতিয়া মোক **১০** কোটি টকা SOPD ৰ ভিতৰত দিয়া হৈছিল, তাৰ **২** কোটি টকাৰ কাম মই মেৰামতিৰ কামত দিছিলো, এই মাহতে হ'ব। কিন্তু ইয়াতে SS-46 ত per km ত **৪** কোটি টকাৰ কাম কৰিছিল। এতিয়া per km ত লাগিব কমেও **৫** কোটি টকা। কিন্তু **২** কোটি টকাৰে **১০** কিলোমিটাৰ মেৰামতিৰ কাম হ'ব, মানে গোটেই ৰাষ্টাতো শেষ। এটা গ্ৰুপ ৰৈ যোৱাৰ কাৰণে এই ৰাষ্টাতো বিকল হৈ আছে। এই ৰাষ্টা মেৰামতি কৰাৰ পিছত ৰাতি বহুত কয়লাৰ ট্ৰাক, GSB ৰ over loading গাড়ী যায়। যিটো হাৰত ৰাতি এই গাড়ীবিলাক চলি থাকে, এই ৰাষ্টাতো এক মাহো নাযাব। গতিকে মই অনুৰোধ কৰিছো যে permanent কাম কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা কৰিব নেকি ?

**মননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, বিত্তীয় মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীৰ যিটো পৰামৰ্শ, গোটেই বিষয়টো এইটো যে এইটো World Bank ৰ পৰা আমি **১০** কিলোমিটাৰ ৰাষ্টা improve কৰাৰ বাবে কাম হাতত লৈছিলো। হাইকোৰ্টত বহু দিন থাকিল। অৱশেষত হাইকোৰ্টতে যদিও বিভাগৰ সপক্ষে ৰায় দিলে, তেতিয়ালৈকে World Bank কে বিচাৰিলে যে আমাৰ লোণটো আপোনালোকে conclude কৰক। অৰ্থাৎ আমি আৰু এই লোণটো চলাই নাথাকো। আমি প্ৰথম অৱস্থাতো হাইকোৰ্টক কৈছিলো যে যদি stay order দিয়ে, এই কামটো World Bank ৰ পৰা ওলাই যাব। সেইটোৱে হ'ল যে আজি কামটো হাতৰ পৰা ওলাই গ'ল। **১০** কিলোমিটাৰ ৰাষ্টাৰ যিটো standard ত কৰিছিলো, সেই standard ত কৰিবৰ কাৰণে near about Rs. 40-50 crore লাগিব। সন্মানীয় সদস্যগৰাকীৰ ৰাষ্টাৰ কথাটো World bank য়ে হওঁক central Govt. ৰ কিবা আচঁনিতে হওঁক, আমি সোমাবলৈ যত্ন কৰিম। কিন্তু দলং খন ইতিমধ্যে অনুমোদন পালো, দলংখনৰ কামটো এতিয়া হ'ব। বাকী ৰাষ্টাতো এতিয়া মেৰামতি কৰি ৰাখো,

যেতিয়া সুযোগ-সুবিধা পাওঁ, আমি ৰাষ্টাতো কৰাৰ বাবে চেষ্টা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ চাহাবউদ্দিন আহমেদ, আপোনাৰ পইন্ট অব অৰ্ডাৰ আছে,কওঁক।

**শ্ৰী চাহাবউদ্দিন আহমেদ (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন নং- ৩৩, পি,ডব্লিউ,ডিৰ ওপৰত মোৰ প্ৰশ্নটো আছে চাৰ। ইয়াত আমাৰ ২০১৬-১৭, ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ চনৰ ব্ৰীজৰ কথাখিনি আছিলে। মোৰ সমষ্টিত ১১ খন পকী দলং নিৰ্মাণ হোৱা দেখুৱাইছে কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল যে তথ্যত যদিও বৰ্ষ ভিত্তিত দলং নিৰ্মাণ কৰাটো দেখুৱাইছে প্ৰকৃততে তাত এখনো পকী দলং নিৰ্মাণৰ কাম আৰম্ভ হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ কেইখন দলং আছে তাত ?

**শ্ৰী চাহাবউদ্দিন আহমেদ (জলেশ্বৰ)** ঃ চাৰ, ২০১৭-১৮ বৰ্ষত আছে ৭ খন ,২০১৮-১৯ বৰ্ষত আছে ৩ খন আৰু ২০১৯-২০ বৰ্ষত আছে ১ খন। তাৰোপৰি এছ,অ',পি,ডি(জি)ৰ অধীনত থকা আঁচনিৰ দ্বাৰা যি পকীপথ নিৰ্মাণ কৰা হৈছিল সেইখিনিও যোৱাবাৰৰ বানপানীত বেয়া হৈ যায়। মোৰ জলেশ্বৰ সমষ্টিত প্ৰায় ৫৩ টা পকীপথ ধ্বংস হয়। ২৪ খন দলং মেৰামতিৰ বাবে ধন দিয়া হৈছিল পৰ্যায়ক্ৰমে- ৫০ লাখ, ৬০ লাখ, ৯০ লাখকৈ । তেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে টকা কমকৈ দিয়া বুলি আপত্তি কৰি দুই-তিনিটামান আঁচনিত এক কোটিকৈ টকা আৰন্তন দিয়াৰ কথা কয়। পিছত মন্ত্ৰী মহোদয়ৰ লগত হোৱা আলোচনামৰ্মে দুটামান বৃহৎ আঁচনি দিয়া হ'ল। কিন্তু বিভাগে সদনত যি তথ্য দিছে সেইটো সংশোধিত তথ্য নহয় চাৰ।

**মাননীয় অধ্যক্ষ** ঃ আপোনাৰ পইন্টকেইটা লিখিতভাৱে আজি পিচবেলা মোৰ হাতত দি দিব মই বিভাগৰ লগত যোগাযোগ কৰিম। এতিয়া ডাঃ মতিউৰ ৰহমান মণ্ডল, আপুনি কওঁক।

**ডাঃ মতিউৰ ৰহমান মণ্ডল (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তৰাচিহ্ন প্ৰশ্ন নং- ৩৭ ত উত্থাপিত বিষয়টো টাউন এণ্ড কাউন্ট্ৰি প্লেনিঙ বিভাগৰ। বিভাগীয় উত্তৰত কোৱা হৈছে যে উপায়ুক্তৰ পৰা প্ৰস্তাৱ আহিলেই হাতশিঙিমাৰী আৰু মানকাছাৰ টাউনশ্বিপৰ কামটো হাতত লোৱা হ'ব। মই জনাত উপায়ুক্তৰ পৰা ইতিমধ্যে প্ৰস্তাৱ আহিছে। গতিকে উল্লেখিত কামখিনি সোনকালে কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উপায়ুক্তৰ প্ৰপ'জেলৰ ক'পি এটা মোৰ হাতত জমা দিব মই বিভাগলৈ পঠিয়াই দিম যাতে কামখিনি সোনকালে কৰিব পৰা যায়। এইবাৰ প্ৰশ্নকৰ্তা নুৰুল হুদা ।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰা চিহ্নিত প্ৰশ্ন নং- ৩১ ত উল্লেখিত মোৰ সমষ্টিত ১৭ কিঃমিঃ ব্যাপি থকা "সোনাই চাইদৰীয়া" ৰাস্তাটো একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে। যোৱাবাৰ বিধান সভাত মই সদনত কথাটো উপস্থাপন কৰোতে মাননীয় মন্ত্ৰীমহোদয়ে ৮ কোটি ৭৫ লাখ টকা বিভাগত থকা বুলি কৈছিল আৰু সেইমতে প্ৰাককলন প্ৰস্তুত কৰি জমা দিলে কামখিনি হৈ যাব বুলি আস্বাস প্ৰদান কৰিছিল। সেইমৰ্মে অভিযন্তাৰ লগত আলোচনা কৰি প্ৰাককলন প্ৰস্তুত কৰি বিভাগত জমা দিয়া কামখিনি কৰা হ'ল। এতিয়া ফাইলটো বিভাগীয় আয়ুক্তৰ ওচৰত পৰি আছে। সেয়েহে মই আপোনাৰ জড়িয়তে মাননীয় মন্ত্ৰী মহোদয়ক কামখিনি সোণকালে কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ আপুনি মোলৈ এটা লিখিব,মই তেখেতলৈ পঠাই দিম।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** দ্বিতীয়তে তৰা বিহীন প্ৰশ্ন নং- ৫৮ ৰ ওপৰত কব বিচাৰিছো যে মোৰ সমষ্টিৰ ৰূপহী হায়াৰ চেকেণ্ডাৰী স্কুলত কলা আৰু বিজ্ঞান দুটা শাখায়ে আছে। কিন্তু পৰিতাপৰ কথা যে১৯৯১ চনত বিজ্ঞান শাখাটো প্ৰভিঞ্চিয়েলাইজ হ'ল আনহাতে কলা শাখাটো আজি পৰ্যন্ত

প্ৰভিঞ্চিয়েলাইজ কৰা নহ'ল। পৰীক্ষাসমূহত ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। ইয়াত চৰকাৰী তথ্যত দিছে - ২০১৮ চনত ৯২.৮০ শতাংশ পাছ কৰিছে, ২০১৯ চনত ৯৪.১৯ শতাংশ পাছ কৰিছে আৰু ২০২০ চনত ৯২.৭৮ শতাংশ পাছ কৰিছে। এতিয়া কথাটো হ'ল উন্নত মানৰ ফলাফল প্ৰদৰ্শন কৰাৰ পাছতো বিদ্যালয়খনত কৰ্মৰত ১০ গৰাকী শিক্ষকে বিনা বেতনে আজি পৰ্যন্ত কাম কৰি থাকিবলগীয়া হৈছে। মই আপোনাৰ জড়িয়তে বিষয়টোৰ ওপৰত মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা কথা তৰাবিহীন ২৩ নং প্ৰশ্নৰওপৰত কবলগীয়া আছে। যিখিনি হিন্দী শিক্ষক আছে আৰু যিসকল শিক্ষকে **ৰাষ্ট্ৰ ভাষা প্ৰচাৰ সমিতি** ৰ দ্বাৰা পৰিচালিত বিশাৰদ, প্ৰবীণ আৰু ৰত্ন আদি প্ৰমাণপত্ৰ লাভ কৰিবলৈ সক্ষম হৈছে তেখেত সকলক শিক্ষা বিভাগৰ নতুন নিয়মৰ আধাৰত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিবলৈ মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰীক অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন ৩০ নং প্ৰশ্নৰ ওপৰত কব বিচাৰিছো। এইখন চৰকাৰ গঠন হোৱাৰ পিছত প্ৰতিখন বিধান সভাৰ অধিৱেশনতে এই কথাটো কোৱা হৈছিল । ইষ্ট-ৱেষ্ট ক'ৰিডৰৰূপে পৰিগণিত বালাছোৰাৰ পৰা হাৰাংগাজাও এইখিনি ৩০ কিলোমিটাৰৰ ৰাস্তা। যোৱা চাৰি বছৰে ৫ কিঃমিঃ ৰাস্তাৰো কাম হোৱা নাই। এতিয়া মোৰ প্ৰশ্নটো হৈছে কামটো কিয় হোৱা নাই ? এইটো যাতে সোণকালে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে অনুৰোধ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আব্দুৰ ৰছিদ মণ্ডল ।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাচিহ্নিত প্ৰশ্ন নং-২৭ । প্ৰশ্নটোৰ উত্তৰ আহিছে। মই আচলতে প্ৰশ্নটো আনিছিলো মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ দিয়াৰ কাৰণে আৰু লগতে অলপ আস্বস্ত হোৱাৰ কাৰণে। কাৰণ কিছুদিন পিছতে নতুন শিক্ষাবৰ্ষ আৰম্ভ হ'ব। মোৰ সমষ্টিত এখন প্ৰভিঞ্চিয়েলাইজ কলেজ আছে, পশ্চিম গোৱালপাৰা কলেজ। তাত বিজ্ঞান শাখাটো খোলাৰ প্ৰচেছ থৈকা বুলি মাননীয় মন্ত্ৰী মহোদয়ে কৈছিল। মোৰ প্ৰশ্নটো অনাৰ উদ্দেশ্য আছিল এই হাউচত মই মন্ত্ৰী মহোদয়ৰ পৰা নিশ্চয়কৈ আগন্তুক শিক্ষা বৰ্ষত বিজ্ঞান শাখাৰ কামআৰম্ভ হ'ব বুলি এটা ঘোষণা আশা ৰাখিয়েই মই প্ৰশ্নটো আনিছিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব নোৱাৰে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল (পশ্চিম গোৱালপাৰা) ঃ** উত্তৰ দিব নোৱাৰে ঠিক আছে, মোৰ ফালৰ পৰা ধন্যবাদ দিলো ।আৰু এটা তৰা বিহীন প্ৰশ্ন আছিল ৬৩ । গোৱালপাৰা জিলাৰ হস্পিতালত ভালেখিনি খালী পদ আছে। এই খালীপদসমূহ সোণকালে পূৰণ কৰাৰ ব্যৱস্থা কৰিবলৈ মই স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিলো। মোৰ আৰু এটা তৰাবিহীন প্ৰশ্ন নং- ৩২ ৰ আধাৰত মই মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰো যে সৌৰ শক্তিৰে চালিত বিজুলী বাতিৰ যি বিদ্যুৎ যোগানৰ কাম হৈছে তাত বহুতো খেলি-মেলি হৈছে। সেয়েহে তেখেতে যেন বিভাগীয়ভাৱে তদন্তৰ ব্যৱস্থা কৰে। হিতাধিকাৰী নিৰ্বাচনৰ ক্ষেত্ৰটো নিৰ্ধাৰিত গাইড লাইন মানি চলা নাই।

**মাননীয় অধ্যক্ষ ঃ** এই ক্ষেত্ৰত মই আপোনাৰ পৰা এখন চিঠি বিচাৰিম। অভিযোগটো আপুনি মোৰ কক্ষত দি দিব ।এতিয়া শ্বেৰমান আলী ।

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তৰাচিহ্নিত প্ৰশ্ন নং- ৩৪ (এফ)ৰ ওপৰত কব বিচাৰিছো। মন্দিয়া আঞ্চলিক কলেজত বিজ্ঞান শাখা দিবলৈ বৰ্তমানৰ মন্ত্ৰী

মহোদয়ে দ্বিধাহীনভাৱে এই সদনত কৈছিলে। ইয়াৰ পিচত মন্দিয়া ছোৱালী হাইস্কুলখনক হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰিব বুলি মাননীয় মন্ত্ৰী মহোদয়ে সদনত কৈছিল। ইয়াৰ পিচত বৰ্তমানৰ মন্ত্ৰী মহোদয়ৰ সলনি নতুন মন্ত্ৰীমহোদয় আহিলে। তেখেতেও দ্বিধাহীনভাৱে কৈছিলে যে আগৰ মন্ত্ৰীয়ে দিছিলে মই নাজানো। মই আজি কথা দিলো আপোনাক দিম। আজি দুবছৰ হ'ল। আপুনিও এবাৰ আগৰ মন্ত্ৰী থাকোতে মোক লিখি দিব কলে। মই আপোনালৈ লিখি দিলো। এতিয়া আজি দুবছৰ গ'ল আৰু ইয়াত আছে আণ্ডাৰ কন্সিডাৰেশ্যন। চৰকাৰৰ মাত্ৰ দুমাহ আছে। আগতেও এই একেই উত্তৰেই দিছিলে। মন্দিয়া আঞ্চলিক কলেজ আৰু মন্দিয়া ছোৱালী হাইস্কুল দুয়োটাই তৰাচিহ্নিত প্ৰশ্ন নং- ৩৪(এফ)ৰ অন্তৰ্গত হয়। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া কথা হ'ল দুজনকৈ মন্ত্ৰী মহোদয়ে আশ্বাস দিয়াৰ পিছতো , আপুনি ৰুলিং দিয়াৰ পিছত মই লিখি দিয়াৰ পিচতো যদি কাম নহয় এই সদনৰ মৰ্য্যদা কিমানখিনি ৰক্ষা হয় আপুনি চাব।

দ্বিতীয় কথা, মোৰ লগতে বাকী ১২৫ জনেও এই সদনক যথেষ্ট গুৰুত্বসহকাৰে লয় বুলি মই ভাৱো। মই ভাৱো ইয়াত কোনেও ধেমালীকৰি কথা নকয়, ধেমালীকৰিবলৈ ইয়াত কোনো ঠিয় নহয়। কিন্তু তৎস্বত্বেও দুজনকৈ মন্ত্ৰী মহোদয়ে আশ্বাস দিয়াৰ পিছতো এই কামখিনি নহ'ল।

মাননীয় অধ্যক্ষঃ আপোনাৰ যিটো দুখ হৈছে, কষ্ট হৈছে মই অনুভৱ কৰিছো।I will specifically look into this matter.

**শ্ৰীশ্বেৰমান আলী আহমেদ (বাঘবৰ)** ঃ কৰিব নোৱাৰিলে আশ্বাস নিদিলে হ'ল। ইয়াৰ পিছত যাতে কোনেও ধেমালী নকৰে এইটো মই চাৰ অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া দুৰ্গা ভূমিজ।

**শ্ৰীদুৰ্গা ভূমিজ (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ তৰাবিহীন প্ৰশ্ন নং- ২৯ । মোৰ সমষ্টিত বৰডুবি জি,পিৰ অধীনত টিংদং নামৰ এখন দলং আৰু ৰাস্তা আছে। সেই দলঙৰ পৰা পৰি তিনিজন মানুহৰ মৃত্যু হৈছে।

মাননীয় অধ্যক্ষ ঃ এইটোৰ প্ৰশ্নটোৰ লগত সম্পৰ্ক নাই, আপুনি বহক। এতিয়া শ্ৰী আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ২৪ নং তৰাবিহীন প্ৰশ্নৰ সন্দৰ্ভত কব বিচাৰো যে ইয়াত মই যিখন শিক্ষানুষ্ঠানৰ তথ্য বিচাৰিছিলো বিভাগে অতি কৌশলপূৰ্ণভাৱে তথ্যখিনি দিয়াৰ পৰা বিৰত আছে। এক নম্বৰত কৈছে বিষয়টো বাচনি কমিটীয়ে বিবেচনা কৰি আছে বাকী গোটেইকেইটা তথ্যৰ ক্ষেত্ৰত 'ক'ত দিয়াৰ দৰে , 'ক'ত দিয়াৰ দৰে বুলি দিছে। দুৰ্ভাগ্যৰ কথাটো হ'ল প্ৰশ্নটো যিহেতু বহুদিন আগতে চাবমিত কৰা হয় পিছত যেতিয়া দাতা বিচাৰি পত্ৰ প্ৰেৰণ কৰা হৈছিল,তেতিয়া তাৰ পৰা এটা কথা আহিছিল , মই শুণিব পাইছিলো শিক্ষানুষ্ঠান কৰ্তৃপক্ষই কৈছিল যে আমি দাতা নিদিও বিভাগক কেনেকৈ মেনেজ কৰিব লাগে আমি কৰিম। এতিয়া উত্তৰত দেখা পালো সেইটোৱে হৈছে,একো দাতা দিয়া নাই। পূৰ্বৰ চৰকাৰৰ দিনটো এই শিক্ষানুষ্ঠানৰ ওপৰত প্ৰশ্ন কৰিছিলো। বহুত খেলি-মেলি আছে। খেলি-মেলিবোৰ ওলাই যাব কাৰণে তেওঁলোকে দাতাবিলাক দিয়া নাই। এনেকৈ যদি গুৰুত্বপূৰ্ণ দাতাবিলাক বিচৰাৰ পিচত বিভাগক মেনেজ কৰি দাতাবোৰ নিদিয়ে তেনেহ'লে প্ৰশ্ন কৰাৰ অৰ্থ কি থাকিব! গতিকে মই আপোনাৰ জড়িয়তে এই বিষয়টোৰ ওপৰত হস্তক্ষেপ কামনা কৰিলো।

**মাননীয় অধ্যক্ষঃ** জাকিৰ হুছেইন

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মোৰ তৰাচিহ্নিত ৩৬ নং

প্ৰশ্নটো শক্তি বিভাগৰ আছিল।মোৰ প্ৰশ্নৰ উত্তৰত বিভাগে জনাইছে যে বিকল হৈ থকা ট্ৰেন্সফৰমাৰবোৰ সাত দিনৰ ভিতৰত কাৰ্যক্ষম হৈ উঠিব কিন্তু বিল ৭০ পাৰচেন্ট আদায় দিব লাগিব। এই সমস্যাটো অকল মোৰ নহয়, মইভাৰো সকলো বিধায়কৰে এই সমস্যাটো আছে। ট্ৰেন্সফৰমাৰ বেয়া হ'লে গাওঁৰ ৰাইজে যেতিয়া আমাক জনায় আৰু আমি বিধায়ক সকলে যেতিয়া বিভাগলৈ লিখি পঠাও তেতিয়া লগে লগে বিভাগে কৈ দিয়ে যে এম,এল,এ ফাণ্ডত ট্ৰেন্সফৰমাৰবোৰ নাই।

**মাননীয় অধ্যক্ষঃ** বিল নিদিয়াৰ কাৰণে নিদিয়ে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** ১০০ শতাংশ বিল পৰিশোধ কৰাৰ পিচতো শক্তি বিভাগে ট্ৰেন্সফৰমাৰ দিব নোখোজে। কেবল সাত দিন কৈছে নহয়, তিনি-চাৰিমাহ পৰ্যন্ত মানুহ ঘূৰিব লাগে, বক্ৰ পথেৰে নগলে ট্ৰেন্সফৰমাৰ গাওঁৰ মানুহে নাপায়। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত আপুনি এটা ব্যৱস্থা লব লাগে। ট্ৰেন্সফৰমাৰৰ কাৰণে বহুতো হাৰাশাস্তি ভোগ কৰিবলগীয়া হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে হব, এতিয়া শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো আমাৰ সদস্য ৰূপজ্যোতি কুৰ্মীক পুনৰ সদনত আহিবৰ কাৰণে অনুমতি দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। অথনি মই তেখেতক পইন্ট অব অৰ্ডাৰত কথাটো উলিয়াবলৈ কৈছিলো যিহেতু প্ৰশ্নকালটো গুৰুত্বপূৰ্ণ হয়। মই ৩০ বছৰ ধৰি বিধান সভাত আছো। মাজত অলপ গেপ আছে। কিন্তু আমি শিকিছিলো বহুত কথা আৰু মোৰ শিকিবলৈ এতিয়াও বহুত বাকী আছে। বোৰ্ডাৰ লৈ মইও বৰ চেন্‌চিটিভ। মই বিধায়ক হৈ থাকোতে সদায় নাগালেণ্ড বোৰ্ডাৰৰ ওপৰত যি কোনো উপায়ে এটা অসম বিধানসভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ বা ৫৪ আনো । যেনেকৈ আপোনালোকে মোক অনুৰোধ কৰে তেতিয়া আমিও অধ্যক্ষক অনুৰোধ কৰিছিলো। বোৰ্ডাৰ ইছ্যুটো চেন্‌চিটিভ কাৰণেই মই এইটো প্ৰশ্নকাল শেষ হোৱাৰ পিছত দিম বুলি কৈছিলো। পাটোৱাৰীয়ে কি কয় এই ক্ষেত্ৰত?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে আমি সকলোৰে নীতি-নিয়মখিনি মানিব লাগে। অধ্যক্ষ ডাঙৰীয়াই যেতিয়া এটা ৰুলিং দিয়ে,ৰুলিংটোক সন্মান জনাব লাগে। বিধান সভাৰ ৰুলবিলাক যদি কোনেও নামানে আমিও বেয়া পাওঁ। এতিয়া মই দেখিছো প্ৰায় ১০ জনমান মাননীয় সদস্যই পইন্ট অব অৰ্ডাৰত তেওঁলোকৰ কথাখিনি সুন্দৰভাৱে উপস্থাপন কৰিছে আৰু আপুনি কথাবোৰ নোট কৰিছে। তেওঁৰ যিটো বিষয় আছিল পইন্ট অব অৰ্ডাৰত তেখেতে উঠাব পাৰিলেহেতেন। তেওঁৰ যিটো বিষয় আছিল, সেইটো Point of Order দি উঠাব পাৰিলেহেঁতেন বা তেওঁ এখন চিঠিও লিখিব পাৰিলেহেঁতেন।

**মাননীয় অধ্যক্ষঃ** সদনত অহাৰ আগতে যদি মোক ক'লেহেঁতেন, তেন্তে মই কিদৰে উত্থাপন কৰিব লাগে সেয়া বুজাই দিলোহেঁতেন।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰীঃ** হয়। গতিকে হঠাৎ প্ৰশ্নকালীন ঘণ্টাৰ আগমূহুৰ্তত এই কথাটো কোৱা সমীচিন নহয়। যিহেতু বিৰোধী দলপতিয়ে অনুৰোধ কৰিছে, সেয়েহে বিচাৰ কৰাটো ভাল হ'ব, অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** I have allowed him to come again.

মই কংগ্ৰেছ, এ.আই.ইউ.ডি.এফ আৰু অগপ বিধয়িনী দলৰ নামৰ তালিকাখন পাইছো।

অকল বিপিএফ বিধায়িনী দলৰ নাম দিয়া নাই, তেওঁলোকে নাম দিলে মই কোৰাৰ সুযোগ দিম।

আমাৰ ২ নং কাৰ্য্যসূচীত নিয়মাৱলী ২৩০ৰ অধীনত দাবী মঞ্জুৰী সমূহৰ ওপৰত আমি যোৱাকালি এটা আলোচনা কৰিছিলো যে কোনকেইটা মঞ্জুৰীক অগ্ৰাধিকাৰ দিয়া হ'ব। আলোচনা মৰ্মে কাৰ্য্য উপেদেষ্টা সমিতিত দাবী মঞ্জুৰীৰ ৬ নং দাবী- 'ৰাজহ' অগ্ৰাধিকাৰ ভিত্তিত আজি সদনত আলোচনা কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰত্যেকটো বিধায়িনী দলৰ সময় আমি নিৰ্ধাৰণ কৰি দিছো। সেয়েহে, মই limited speaker ৰ নাম দিবলৈ কৈছো যাতে আপোনালোকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ মন্ত্ৰীৰ হাতত আধা ঘণ্টা সময় থাকে।

এতিয়া মই ৩ নং কাৰ্য্যসূচীটো হাতত লৈছো। যোৱা ২৮ ডিচেম্বৰ, ২০২০ তাৰিখে কাৰ্য্য উপদেষ্টা সমিতিৰ সিদ্ধান্তৰ ভিত্তিত মঞ্জুৰী নং ৬- 'ভূমি-ৰাজহ'ৰ কৰ্তন প্ৰস্তাৱ উত্থাপন কৰাৰ বাবে দুটা কৰ্তন প্ৰস্তাৱ ক্ৰমে ১) দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী, আৰু ২) হাফিজ বছিৰ আহমেদ কাছিমী আৰু তেখেতৰ সহযোগীৰ তৰফৰ পৰা পাইছিলো। কৰ্তন প্ৰস্তাৱ দুয়োটা একেলগে এজনে ক'লে আমাৰ অন্ততঃ এক মিনিট সময় কমি যাব।

Revenue Minister, please move the resolution.

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব বিচাৰিছো যে ২০২০-২১ বৰ্ষৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৬- 'ভূমি-ৰাজহ'ৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১৯৪৭.৭৮ লাখ টকা মঞ্জুৰী কৰিব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, দাবী মঞ্জুৰী নং-৬, ২০২০-২১ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২১ ৰ পৰা ২৮ পৃষ্ঠাত থকা 'ভূমি-ৰাজহ' শিতানৰ ৬ নং পৰিপূৰ্ক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য কৰা সমগ্ৰ ১৯৪৭.৭৮ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক।

অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ১৯৪৭.৭৮ লাখ টকা ১০০ টকালৈ হ্ৰাস কৰা হওঁক।

(কৰ্তন প্ৰস্তাৱ উত্থাপনত এ.আই.ইউ.ডি.এফ বিধায়িনী দলেও সঁহাৰি জনায়)

মহোদয়, ইয়াতে মই অকণমান সংযোগ কৰিব বিচাৰিছো। এই মঞ্জুৰীটোৰ সম্পৰ্কে যিখিনি কথা আছে, যেনে-বাহনৰ ক্ৰয়, গাওঁবুঢ়াসকলৰ পাৰিতোষিক আদিৰ লগতে অন্যান্য কেইটামান বিষয়ৰ ওপৰতো বিশেষভাৱে আলোচনা হ'ব লাগে। যিহেতু বিষয়টো অতি গুৰুত্বপূৰ্ণ, সেয়েহে সামগ্ৰিকভাৱে আমি বৰ্তমান 'ভূমি-ৰাজহ'ৰ বিষয়টোৰে বাচি লৈছো যাতে আমাৰ কিছু সমস্যাৰ বিষয়ে আলোচনা হয় আৰু চৰকাৰে পৰৱৰ্তী সময়ত এই বিষয়ত গুৰুত্ব প্ৰদান কৰিব পাৰে। গতিকে, মই এটা কথা উল্লেখ কৰিব বিচাৰিছো যে ২০১৫-১৬ চনৰ পৰা নিয়মীয়াকৈ ধুমুহা, বানত আক্ৰান্ত লোকক যি সাহাৰ্য্য দিব লাগে সেয়া আমি পুঁজিৰ অভাৱত বা অন্য কোনো কাৰণত দিব পৰা নাই। দুবছৰমানহে দিয়া হ'ল আৰু তাৰ তথ্য এই সদনতে পাম। আনহাতে, আমাৰ চৰকাৰ অহাৰ পিছত নতুন ৰাজহ নীতিৰ বাবে হৰিশংকৰ ব্ৰহ্ম কমিটিও দিয়া হ'ল। এই সমিতিয়ে কিছু পৰামৰ্শ দিছে, কিন্তু, ইয়াত আমি দেখিবলৈ পাইছো যে পূৰ্বৰ চৰকাৰৰ দিনত Minimum Wage Programme বা অন্যান্য Economically Weaker Section ৰ মানুহক যেতিয়া ভূমি দিয়া হৈছিল, সেই সময়ত VGR/PGR ৰ কথাখিনি বিশেষভাৱে চিন্তা কৰা হোৱা নাছিল।

পৰৱৰ্তী সময়ত উচ্চতম ন্যায়ালয়ৰ ৰায় অহাৰ পিছত তাত এতিয়া PMAY বা যিকোনো ধৰণৰ মাটিৰ প্ৰমাণ ল'ব পৰা নাই যাৰ ফলত অসমৰ নাগৰিক সকলৰ যথেষ্ট অসুবিধা হৈছে। গতিকে, এই ক্ষেত্ৰত ৰাজহ বিভাগে যদি কিবা আইন আনিব পাৰে তেন্তে ভাল হ'ব। ঠিক তেনেদৰে, কেন্দ্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগেও আমাক যিধৰণে অনুদান দিব লাগে সেইধৰণে আমি বহু সময় ধৰি অনুদান পোৱা নাই। এইগোটেইখিনি কথাৰ ভিত্তিত প্ৰতিটো ৰাজহ চক্ৰতে Data Bank prepare কৰিছে আৰু যিসকল লোকক উচ্ছেদ কৰা হ'ব সেই উচ্ছেদৰ নামত কিমান খৰচ হ'ব তাৰ ভিত্তিত এটা সময়ত চৰকাৰে পুঁজিও বিচাৰিছিল। যোৱা সময়চোৱাত আমচাঙকে আদি কৰি অন্যান্য অঞ্চলত উচ্ছেদ কৰা দেখা গৈছিল, কিন্তু তাৰ বাসিন্দা সকলক থলুৱা তথা ভূমিহীন বুলি জানিও ক'তো সংস্থাপিত কৰিব পৰা নাই। গতিকে, আগন্তুক সময়ত ৰাজহ বিভাগৰ পুঁজি আৱন্টনৰ সময়তে হওঁক বা চৰকাৰৰ পুঁজিৰ সময়তে হওঁক, এই গোটেইখিনি বিষয়ৰ প্ৰতি যাতে দৃষ্টি নিক্ষেপ কৰে তাৰ বাবে মই এই কথাখিনি উল্লেখ কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। যিহেতু তেখেতে কথা এটা কৈছে মই সেইটো relax কৰি দিছো কাৰণ Rule 152 ত আমি নোৱাৰো। Supplementary ত থকাখিনিৰ ওপৰতহে কৰিব লাগে। মই এই কাৰণেই relax কৰিছো কাৰণ আমি যোৱাকালি সকলোৱে মিলি ভাৱিছিলো যে ইয়াৰ ওপৰত এটা আলোচনা হোৱা ভাল। গতিকে, এইটো exception হিচাপে ল'ব লাগিব, precedent হিচাপে নহয়।

এতিয়া আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ নং দাবী মঞ্জুৰীৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ কথা ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, আজি 'ভূমি-ৰাজহ' বিভাগে আমাৰ অতি গুৰুত্বপূৰ্ণ কিছুমান কাম কৰিবলগীয়া হয় আৰু অন্যান্য প্ৰায়বিলাক বিভাগৰ কাম-কাজৰ লগতে উন্নয়নৰ কাম-কাজ ভূমি- ৰাজহ বিভাগৰ কৰ্ম দক্ষতাৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু দেখা গৈছে যে, ভূমি-ৰাজহ বিভাগে গোটেই অসমৰ বিভিন্ন চক্ৰ বা বিভিন্ন জিলাত যি ধৰণে কাম কৰি আছে তাৰ ফলত জনসাধাৰণে যথেষ্ট সমস্যাত ভুগি আছে। Modernization of Land Record বা online registration ৰ ক্ষেত্ৰত চৰকাৰে যি প্ৰতিশ্ৰুতি দিছিল, সেই অনুযায়ী অতি সোনকালে land document record খিনি updation কৰা হ'ব। যদিও ইয়াৰ বাবে চৰকাৰৰ তৰফৰ পৰা যথেষ্ট পুঁজি যোগান ধৰা হৈ আছে, কিন্তু এই কাম সমূহ অতি লেহেমীয়া গতিত চলি আছে আৰু এতিয়ালৈকে বহু Circle area ত আধা কামো সমাপ্ত কৰিব পৰা নাই। এই ক্ষেত্ৰত বহুত খেলি-মেলি থকা দেখা গৈছে। বিভিন্ন লোকৰ মাটিৰ নামজাৰি, ম্যাদী পত্তা কৰোতে বিভাগীয় কিছু লোক জড়িত হৈ থকাৰ পিছতো কিছুমান খেলি-মেলি কৰাৰ ফলত সামাজিক তথা পাৰিবাৰিক কন্দলৰো সৃষ্টি কৰে। বহু সময়ত আকৌ দেখা গৈছে যে মাটি-বাৰীৰ ক্ষেত্ৰত থকা বিবাদ বোৰত বিভাগীয় কৰ্মচাৰীও জড়িত হৈ থাকে আৰু নিজেও কিছুমান অনিয়ম সংঘটিত কৰে। অধ্যক্ষ মহোদয়, Sub-Divisional Land Advisory Committee ৰ মিটিংবোৰ সময়ে সময়ে অনুষ্ঠিত হয়, তাত বিধায়কসকলো বহে। এই সমিতিত বিভিন্ন চৰকাৰী ভূমি বা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ নামত হওঁক বা বিভিন্ন ব্যক্তি বিশেষৰ নামত হওঁক যিবোৰ proposal দিয়া হয়, সেইবোৰ SDLAC য়ে pass কৰাৰ পিছত কেইবা বছৰো পাৰ হৈ যায়, যাৰ ফলত সময়মতে তেওঁলোকে Allotment Certificate বা settlement নাপায়। গতিকে, SDLAC য়ে pass কৰাৰ পিছতো process টো কিয় ইমান লেহেমীয়া হয়? আমি SDLAC ত pass

হোৱাৰ পিছত মাটিখিনি allotment বা settlement হোৱা বুলিও ধৰি লওঁ, কিন্তু তাৰ পিছত কেইবা বছৰলৈকে ৰাইজে প্ৰাপ্যৰ মাটিখিনি নাপায়, গতিকে অধ্যক্ষ মহোদয়, এই কথাখিনি অতি গুৰুত্বপূৰ্ণ। ইয়াৰ লগতে, ভূমি-ৰাজহ বিভাগৰ আটাইতকৈ ডাঙৰ বিফলতা হ'ল যে অসমৰ কিমান ভূমি, নদীৰ গৰাখহনীয়াত উটি গ'ল বা বিধ্বস্ত হ'ল তাৰ কোনো তথ্য নাই। এই পৱিত্ৰ সদনত আমি কেইবাবাৰো প্ৰশ্ন উত্থাপন কৰিছিলো যে এতিয়ালৈকে কিমান ভূমি, নদীৰ গৰাখহনীয়াত জাহ গৈছে বা কিমান লাখ মানুহ গৃহহীন তথা ভূমিহীন হৈছে, কিন্তু তাৰ তথ্য চৰকাৰৰ হাতত নাই। বিগত ৪০-৫০ বছৰ ধৰি এইখন অসমত গৰাখহনীয়া চলি আছে। এই গৰাখহনীয়াত আক্ৰান্ত লোকসকলক Internally Displaced Person হিচাপে Certificate provide কৰাৰ বাবে আমাৰ দাবী আছিল, কিন্তু বিভাগে যদি আক্ৰান্ত লোকৰ নামৰ তালিকাই আজি ইমান বছৰ ধৰি প্ৰস্তুত কৰিব পৰা নাই, তেন্তে Internally Displaced Person Certificate কেনেকৈ issue কৰিব? গতিকে, এই বিভাগটোৱে কি দায়বদ্ধতাৰে কাম কৰি আছে ভাৱিলেই অতি দুখ লাগে। তাৰোপৰিও, অসমৰ প্ৰায় ৩৩ লাখ লোক চৰ-চাপৰিত বসবাস কৰে। ৭০-৮০ বছৰ ধৰি চৰ-চাপৰিত বসবাস কৰা লোকসকলৰ মাটিৰ জৰীপ হোৱা নাই, মাটিৰ পট্টা পোৱা নাই। যাৰ ফলত তেওঁলোকে একো চৰকাৰী সা-সুবিধা নাপায়। চৰ-চাপৰিত ৰাজহ গাঁও নথকা বাবে IAY ৰ ঘৰ নাপায়, শিক্ষানুষ্ঠান নহয়, হাস্পতাল নহয়, তাত তেওঁলোকে ৰাস্তা-ঘাট নিৰ্মাণ, বিজুলী যোগান ইত্যাদি সকলো ক্ষেত্ৰতে সমস্যাৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ বাবে স্বাধীনতাৰ পিছৰ পৰা আজিলৈকে দাবী কৰি অহা হৈছে, কিন্তু, চৰকাৰে চৰ-চাপৰিত revenue survey কৰি মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত কোনো কাম নকৰে। গতিকে, এই বিভাগটোৱে ইমান বছৰে ইমান কৰ্মচাৰী ৰাখি ইমান দিনে কি কাম কৰি আছে, আমি বুজিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, কৰ্মচাৰীৰ হয়তো অলপমান অভাৱ আছে, যাৰ ফলত Circle বোৰত কামবোৰ বৰ লেহেমীয়া হয় আৰু জনসাধাৰণে বহুত কষ্ট ভুগিব লগা হয়। আনকি আমি দেখিবলৈ পাইছো যে যিবোৰ মণ্ডলক এখন গাওঁ লাটত দিয়া হয়, সেই মণ্ডলে কামবোৰ কৰোঁতে বহুত সময় লয়। গতিকে, প্ৰয়োজন সাপেক্ষে মণ্ডল আৰু গাওঁবুঢ়াৰ সংখ্যা বৃদ্ধি কৰা হওঁক। আমি দেখিবলৈ পাইছো যে প্ৰত্যেকখন গাঁৱৰ বিপৰীতে এজনকৈ গাওঁবুঢ়া নাই । এজন গাওঁবুঢ়াই কেতিয়াবা দুই-তিনিখন গাঁৱৰ দায়িত্ব গ্ৰহণ কৰিব লাগে। গাওঁবুঢ়াই প্ৰত্যেক পৰিয়ালৰে বিভিন্ন কাগজ, তথ্য, চাৰ্টিফিকেট ইত্যাদি দিয়াৰ কাম থাকে। গতিকে, ইমান বৃহৎ সংখ্যক লোকৰ কাম তেওঁলোকে সময়মতে কৰিব নোৱাৰে। সেয়েহে, আমাৰ দাবী আছিল যে প্ৰত্যেকখন গাঁৱতে অন্ততঃ এজনকৈ গাওঁবুঢ়া দিব লাগে, কিন্তু, চৰকাৰে সেইটো মানি ল'ব নোৱাৰিলে। নিৰ্বাচনৰ সময়ত হওঁক বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ভূমি-ৰাজহ বিভাগৰ কৰ্মচাৰীসকলক যি গুৰু দায়িত্ব দিয়া হয়, সেই দায়িত্বখিনি পালন কৰিবলৈ যাওঁতে, তেওঁলোকৰ manpower কম হোৱাৰ ফলত বহু সময়ত তেওঁলোকে কিমান মানুহ বানপানী, গৰাখহনীয়াত আক্ৰান্ত হ'ল তাৰ survey টো সঠিককৈ নকৰে, যাৰ ফলত বহু মানুহ চৰকাৰী সাহাৰ্য্যৰ পৰা বঞ্চিত হ'ব লগীয়া হয়। গতিকে, চৰকাৰে যদি এই বিভাগত অতিৰিক্তভাৱে অস্থায়ী কৰ্মচাৰী নিয়োগ কৰিলেহেঁতেন, তেনেহ'লে বহু দুৰ্গত লোক চৰকাৰী সাহাৰ্য্যৰ পৰা বঞ্চিত হ'বলগা নহ'লহেঁতেন। বানপানী বা অন্যান্য প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ভুক্তভোগীৰ নামৰ তালিকা বনাবলৈ যেতিয়া মণ্ডল বা গাওঁবুঢ়াক দায়িত্ব দিয়া হয়, তেতিয়া তেওঁলোকে সেই তালিকাসমূহ প্ৰস্তুত কৰি সম্পূৰ্ণ হোৱালৈকে বানপানী শুকাই ইতিমধ্যে এমাহ-দুমাহ সময় পাৰ হৈ যায়, যাৰ ফলত সঁচাকৈ প্ৰভাৱিত হোৱা আৰু নোহোৱা লোকৰ মাজত খেলি-

মেলি লাগি যায় আৰু সাহাৰ্য্য পোৱালৈকে মানুহৰ দুই-তিনি মাহ সময় পাৰ হৈ যায়। হয়তো বিভাগত manpower কম থকাৰ বাবেই এই সমস্যাবোৰৰ সৃষ্টি হয়। গতিকে, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত অতিৰিক্ত manpower ৰ ব্যৱস্থা কৰি হ'লেও তৎকালীন ভাৱে জনসাধাৰণক সকাহ দিয়াৰ বাবে কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰা আমি দেখিবলৈ পোৱা নাই। সাহাৰ্য্য বিতৰণৰ ক্ষেত্ৰত বা সংস্থাপনৰ ক্ষেত্ৰত নিৰ্যাতিত বা পীড়িত লোকসকল প্ৰায়ে বঞ্চিত হোৱা দেখা যায় । বিভাগে যে এই কামবোৰ নিয়াৰিকৈ পালন কৰিব পৰা নাই, এই কথাবোৰ আমাৰ দৃষ্টি গোচৰ হৈছে। অধ্যক্ষ মহোদয়, আমি দেখিবলৈ পাইছো যে প্ৰাকৃতিক দুৰ্যোগৰ সময়ত যি সকল লোক নিহত হয় তেওঁলোকৰ তথ্য চৰকাৰৰ হাতলৈ নাহে। মণ্ডলে সেই ঠাইলৈ গৈ Field survey কৰি তথ্যবোৰ Circle ত দিব লাগে। তাৰ পিছত চক্ৰ বিষয়াই আকৌ A.D.C, Revenue ক দিব, পিছত ই A.D.C. ৰ পৰা ৰাজ্য চৰকাৰলৈ প্ৰপাৰ চেনেলত আহিব লাগে; কিন্তু ই তেনেকৈ নাহে। মই এই পবিত্ৰ সদনত যোৱা কালি এটা প্ৰশ্ন উত্থাপন কৰিছিলো যে- দুখন জিলাৰ কেইটামান Circle ত যোৱা পাঁচ বছৰত কিমান ঘৰ অগ্নিকাণ্ড ত জাহ গ'ল, তেওঁলোকক কি ক্ষতি পূৰণ দিয়া হ'ল, কিমান লোক দুৰ্ঘটনাত মৃত্যু বৰণ কৰিলে, কিমান লোক প্ৰাকৃতিক দুৰ্যোগত মৃত্যুবৰণ কৰিলে, তাৰ ভিতৰত কিমান জনে ক্ষতি পূৰণ পালে? ইয়াৰ উত্তৰত দেখা গৈছিল যে, নগাওঁ, মৰিগাওঁ জিলাত এজন লোকেও ক্ষতি পূৰণ পোৱা নাই আৰু ক্ষতি পূৰণ নিদিয়াৰ কাৰণ হিচাপে উত্তৰত দিছে যে- উপায়ুক্তৰ পৰা প্ৰপাৰ চেনেলত যিদৰে প্ৰস্তাৱ আহিব লাগে সেই হিচাপে প্ৰস্তাৱটো অহা নাই। এতিয়া কথাটো হ'ল যে, পাঁচ বছৰৰ ভিতৰত নিহত লোকসকলৰ প্ৰস্তাৱটো প্ৰপাৰ চেনেলত কিয় নাহিল? আকৌ কিছুমান ক্ষেত্ৰত লিখিছে, উপায়ুক্তই যিটো Head of Account ত দিব লাগিছিল, সেয়া ভুলকৈ দিছিল যাৰ বাবে টকাটো দিব পৰা নাই। উপায়ুক্তই দিব নোৱাৰাৰ কাৰণটো ৰাজহ বিভাগৰ কৰ্মচাৰী সকলে সঠিককৈ অনুসন্ধান কৰি তাৰ তথ্যটো সময়মতে দিব পৰা নাই। তেওঁলোকে কৈ আছে- কামৰ বোজা বহুত হোৱাৰ ফলত অতিৰিক্ত কাম সমূহ কৰিব পৰা নাই, যাৰ ফলত পাঁচ বছৰলৈ কোনো লোকে ক্ষতিপূৰণ পোৱা নাই। গতিকে, ভূমি আৰু ৰাজহ বিভাগৰ গাফিলতিৰ ফলত আৰু তেওঁলোকৰ দায়িত্বটো নিয়াৰিকৈ পালন নকৰাৰ বাবেই এনে ধৰণৰ ঘটনাবোৰ হৈ আছে। প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত হোৱা লোকসকল দুখীয়া বা নিজেও দৌৰা-দৌৰি কৰিব নোৱাৰাৰ বাবে সাহাৰ্য্যৰ বাবে তেওঁলোকে বাট চাই থাকে বা বিভিন্ন জনৰ ওচৰলৈ যায়, কিন্তু ইয়াৰ পিছতো যেতিয়া তেওঁলোকে সকাহ নাপায় তেতিয়া তেওঁলোক হতাশ হৈ বহি থাকিব লগা হয়। কিছু দিন আগতে আমি দেখিছো যে ধুমুহাত, বানপানীত বহু লোকৰ ঘৰ-বাৰী ধ্বংস হৈছিল, পুখুৰীৰ লক্ষাধিক টকাৰ মাছ বানপানীয়ে উটাই লৈ গৈছিল, বিভাগে তাৰ ওপৰত চাৰ্ভে কৰি এটা ৰিপোৰ্ট দিছিল। কিন্তু, কোনো লোকে আজিলৈকে ক্ষতিপূৰণ নাপালে। গতিকে, আজি এটা গুৰুত্বপূৰ্ণ বিভাগ থকাৰ পিছত তেওঁলোকে যদি এই জনসাধাৰণক বিপদৰ সময়ত সহায় কৰিব নোৱাৰে, সকাহ দিব নোৱাৰে, তেনেহ'লে-'আছে গৰু নাবায় হাল, হোৱাতকৈ নোহোৱাই ভাল'। অৰ্থাৎ, গৰু থাকিও যদি হাল বাব নোৱাৰে, এই গৰু থকাতকৈ নথকাই ভাল। ঠিক তেনেকৈ, এই বিভাগটো থাকিও যদি বিপদৰ সময়ত জনসাধাৰণক সকাহ দিব নোৱাৰে, তেন্তে বিভাগটো থাকি কি কাম হ'ল? ইয়াৰোপৰিও, জনসাধাৰণে বেছিকৈ ভুগিব লগা হয় যেতিয়া উচ্চ শিক্ষাৰ কাৰণেই হওঁক বা অন্যান্য কিছুমান ক্ষেত্ৰত চক্ৰ বিষয়াৰ পৰা কিছুমান প্ৰমাণ পত্ৰ আনিব লাগে। মেডিকেল, ইঞ্জিনীয়াৰিং বা অন্যান্য উচ্চ শিক্ষাৰ বাবে যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে আবেদন কৰে, তেতিয়া EWS Certificate দিব লাগে বা বিভিন্ন চাকৰি বা অন্যান্য ক্ষেত্ৰত Income Certifi-

cate খন দিব লাগে। গতিকে; এই EWS/ Income/ Land/Landless ইত্যাদি Certificate সমূহৰ বাবে জনসাধাৰণে ৰাজহ বিভাগত বা চক্ৰ বিষয়াৰ কাৰ্য্যালয়ত গৈ কি জীয়াতু ভুগিব লাগে, তাৰ পৰা কিমান লোকে আমাক ফোন কৰে, কিমান দিনলৈকে ঘূৰি থাকিব লাগে এই কাহিনীবোৰৰ ক্ষেত্ৰত ক'ব লাগিব যে- জনসাধাৰণে কুলাই পাঁচিয়ে নধৰা দুখ ভুগি আছে। গতিকে, এটা প্ৰপাৰ চিষ্টেমত, জনসাধাৰণক ভালকৈ আৰু সময়মতে যিবোৰ প্ৰমাণ-পত্ৰ বা চাৰ্টিফিকেটৰ দৰকাৰ, এইবোৰ দিয়াৰ ক্ষেত্ৰত বিভাগে কামবোৰ কৰি থকা নাই। ফলত জনসাধাৰণে যথেষ্ট কষ্ট ভুগিব লগীয়া হৈ আছে। গতিকে অধ্যক্ষ মহোদয়, এই বিষয়টো আপোনাৰ জৰিয়তে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো আৰু তাৰ লগে লগে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত আন কিছুমান সমস্যা আছে। আমি দেখিছো মৌজাদাৰসকলৰ জৰিয়তে ৰাজহ সংগ্ৰহ কৰে। এনেকুৱা হৈ আছে যে এটা দাগত যদি ৫০ বিঘা মাটি আছে সেই ৫০ বিঘা মাটিত হয়তো ১৫-২০ জন মানুহৰ মাটি তাত আছে। কাৰোবাৰ হয়তো ৩ বিঘা, কাৰোবাৰ হয়তো ১, ২ বিঘা মাটি আছে। যেতিয়া এজন মানুহে তেওঁৰ খাজনাখিনি দিব যায়, তেওঁৰ হয়তো মাটি আছে ২ বিঘা। কিন্তু এই গোটেই দাগ নম্বৰ ৫০ বিঘা মাটিৰ খাজনা তেওঁৰ পৰা আদায় কৰে। নহ'লে ২ বিঘা মাটিৰ খাজনা তেওঁৰ পৰা পৃথকৈ নলয়। আকৌ কোনোবা লোকৰ যদি সেই দাগ নম্বৰত ১ বিঘা মাটি আছে তেওঁৰ পৰা গোটেই ৫০ বিঘা মাটিৰ খাজনা আদায় কৰে। এনেকৈ যিমানকৈ তাতে Share holder আছে, প্ৰত্যেকৰ পৰাই খাজানা আদায় কৰে। এনেকুৱা সমস্যাসমূহ তাত আছে। তাৰ লগে লগে আমি দেখিছো যে ৰাজহ সংগ্ৰহ কৰা নিয়মত জনসাধাৰণে যথেষ্ট দুঃখ-দুৰ্গতি ভুগিবলগীয়া হয় আৰু ব্ৰহ্মপুত্ৰ গৰাখহনীয়াত আক্ৰান্ত লোকসকলক যিহেতু Internally displaced person certificate দিয়া হোৱা নাই সেইলোক সকলৰ সকলো মাটি-বাৰী উটাই লৈ গ'ল। ফলত তেওঁলোক গৃহহীন, ভূমিহীন হ'ল। সেইলোকসকলে উপায়হীন হৈ কৰবাত চৰকাৰী মাটি বা মঠাউৰি আদিত আশ্ৰয় ল'বলগীয়া হ'ল। কেইদিনমান তেওঁলোকক চৰকাৰে মঠাউৰি বা চৰকাৰী মাটিত আশ্ৰয় লোৱা বাবে উচ্ছেদ কৰি দিয়ে। কিন্তু সেইলোকসকলৰ মাটি-বাৰী যেতিয়া নদীৰ গৰাখহনীয়াত জাহ গ'ল, সেইলোকসকল নিৰাশ্ৰয় হৈ গ'ল, তেতিয়া চৰকাৰখনে কিন্তু দায়িত্বপালন নকৰে। এখন নিৰ্বাচিত চৰকাৰৰ প্ৰথম দায়িত্ব হ'ল জনসাধাৰণক নিৰাপত্তা দিয়া, আৰ্থ-সামাজিক নিৰাপত্তা দিয়া, বিপদৰ সময়ত তেওঁলোকক সকাহ দিয়া। যিহেতু চৰকাৰৰ প্ৰথম দায়িত্ব হয় জনসাধাৰণক সকাহ দিয়া কিন্তু যেতিয়া এই লোকসকল বিপদগ্ৰস্ত হয়, গৃহহীন-ভূমিহীন হয়, তেতিয়া চৰকাৰে একো নকয়। কিন্তু যেতিয়া এই লোকসকলে কোনো চৰকাৰী মাটিত আশ্ৰয় লয়, তেতিয়া চৰকাৰখন সজাগ হৈ পৰে আৰু এই লোকসকলক উচ্ছেদ কৰিবৰ বাবে উঠিপৰি লাগে। এই চৰকাৰে এবাৰো ভাৰি নাচায় যে এই গৃহহীন-ভূমিহীন হোৱা লোকসকলক ক'ৰবাত আমি সংস্থাপন দিওঁ। এইবোৰ দেখিলে বহুত দুখ লাগে আৰু এটা কথা হ'ল যে ৰাজহ বিভাগে যেতিয়া Demarkation কৰে তাত কিছুমান আমি সমস্যা দেখিছো। আমাৰ নগাওঁ আৰু শোণিতপুৰ জিলাৰ মাজত ব্ৰহ্মপুত্ৰ নদীৰ যিটো সীমা এই নদীৰ মাজত যিবোৰ চৰ-চাপৰি নগাওঁ জিলাৰ সীমাত আছে, য'ত নগাওঁ জিলাৰ মানুহবোৰ আছে, কিন্তু Demarkation ত সেই লোকসকলক দৰং বা শোণিতপুৰ জিলাত দি থৈছে। এই বিষয়ে আমি DRSC Committee ৰ জৰিয়তে কেইবাবাৰো প্ৰস্তাৱ দিলো যে Demarkation হ'ব লাগে। যি সমূহ নগাওঁ জিলাৰ মানুহ আছে, সেইসমূহ নগাওঁ জিলাত ৰাখিব লাগে কিন্তু এতিয়ালৈকে চৰকাৰে এই কামবোৰ কৰা নাই। মই সদৌ শেষত এটা পইণ্ট ক'ব বিচাৰিছো যে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে পুনৰবাৰ দাবী জনাব বিচাৰিছো

যে গৰাখহনীয়াৰ লোক সকলৰ চাৰ্ভে কৰক, তেওঁলোকৰ ৰেজিষ্ট্ৰেশ্যন কৰক। তেওঁলোকৰ তালিকা প্ৰস্তুত কৰি Internally displaced person certificate অতি সোনকালে ইচ্যু কৰিব লাগে। যাতে তেওঁলোকক অতি সোনকালে সংস্থাপনৰ বাবে চৰকাৰে সুবিধা বা অন্যান্য চৰকাৰী সুবিধা বা অস্থায়ী সংস্থাপনৰ সুবিধা লাভ কৰিব পাৰে। কিন্তু এইবোৰ নকৰি চৰকাৰে কেৱল দায়িত্বহীনভাৱে চলি থাকে তেতিয়া এই জনসাধাৰণৰ দুঃখ-দুৰ্দশাৰ কেতিয়াও অন্ত নপৰিব। এইখিনি কথা কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ওয়াজেদ আলী ডাঙৰীয়াই কওঁক।

**শ্ৰী ওয়াজেদ আলী (দক্ষিণ শালমৰা),** ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সপক্ষে দুটামান কথা ক'বলৈ ওলাইছো। প্ৰথম কথাটো হ'ল-যে ২০১৫-১৬ চনত যিসমূহ নতুন জিলা হ'ল, এই জিলা সমূহ নতুন হ'ল কিন্তু এখন জিলাৰ চক্ৰ বিষয়া আন এখন জিলা চাবলগীয়া হৈছে। এইটো গোটেই অসমতে হৈ আছে। আমাৰ দক্ষিণ শালমাৰা, মানকাচাৰ জিলা নতুনকৈ গঠন হোৱাৰ পিছত সেই সময়তে ২০১৬ চনত ফকিৰগঞ্জত এখন চাৰ্কল অফিচৰ বাবে আমাৰ উপায়ুক্তৰ ফালৰ পৰা প্ৰস্তাৱ দিয়া হৈছিল। কাৰণ আগতে সেই খিনি ধুবুৰী জিলাত পৰিছিল আৰু দক্ষিণ শালমাৰা চাৰ্কুল অফিচৰ অধীনত আছিল। তাৰ পিছত দক্ষিণ শালমাৰা নতুনকৈ জিলা হোৱাত ফকিৰগঞ্জ আৰু জামাদাত এৰিয়া দুটাত চাৰ্কল অফিচ নাই। গতিকে এই প্ৰস্তাৱটো দিয়া হৈছিল। কিন্তু এতিয়ালৈকে কোনো চাৰ্কল অফিচৰ নোটিফিকেশ্যন হোৱা নাই। কিছুদিন আগতে আমাৰ ৰাজহ মন্ত্ৰীৰ বিভাগৰ ফালৰ পৰা এখন প্ৰস্তাৱ পাইছিলো যে নিৰ্দিষ্ট তাৰিখৰ ভিতৰত এখন প্ৰপোজেল দিব লাগে আৰু সেই হিচাপে আমি দিছিলো। কিন্তু এতিয়ালৈকে হোৱা নাই। এইটোৰ কাৰণে বহুখিনি খেলি-মেলি হৈছে। প্ৰত্যেক বছৰে ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ ফলত হাজাৰ হাজাৰ ঘৰ-মাটি ব্ৰহ্মপুত্ৰৰ মাজত জাহ গ'ল। কিছুমান মানুহ মঠাউৰিৰ ওপৰত আছে, কিছুমানে কৰোবাত যদি abundant মঠাউৰি আছে তাত আছে , আকৌ কিছুমানে rest platform বনাই দিছো তাত আছে আৰু কিছুমানে খাচ মাটিত বসবাস কৰি আছে। এইটো পৰম্পৰা অকল ৪ বা ৫ বছৰত নহয়, এইটো আজি ৪০-৫০ বছৰ ধৰি এই প্ৰক্ৰিয়া চলি আছে। কিন্তু সেই মানুহখিনি প্ৰকৃততে খাচ মাটিত থাকিও প্ৰত্যেক বছৰে জিলা প্ৰশাসনৰ ফালৰ পৰা উচ্ছেদৰ নোটিচ পাই থাকে। কেতিয়াবা আমি ৰাজনৈতিকভাৱে ৰিকুয়েষ্ট কৰি ৰখাও আৰু কেতিয়াবা উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হ'বলগীয়া হয়। মোৰ সমষ্টিৰ কিছুমান চৰ অঞ্চলৰ লোকে যোৱা ৪০ বছৰৰ পৰা তেওঁলোকে গৰখহনীয়াৰ ফলত পাণবাৰীৰ খাচ মাটিত আছে। তেওঁলোকক বাৰে বাৰে যেতিয়া উচ্ছেদৰ নোটিচ দিয়া হয়, বাধ্য হৈ তেওঁলোকে উচ্চ ন্যায়ালায়ত গ'ল আৰু উচ্চ ন্যায়ালয়ে তেওঁলোকক stay order দিলে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াই ইতিমধ্যে তেওঁলোকক ভূমিৰ আৱণ্টন দিব লাগে বুলি স্পষ্টকৈ লিখি দিছে। কিন্তু অতি দুখ আৰু পৰিতাপৰ কথা যে যোৱাকালি এটা প্ৰশ্নৰ উত্তৰত মাননীয় ৰাজহমন্ত্ৰী ডাঙৰীয়াই কৈছে যে অসমত ভূমিহীন পৰিয়ালৰ সংখ্যা হৈছে ৩,৪৭,৮২২। তেওঁলোকৰ ভিতৰত মাটিৰ আৱণ্টন দিয়া হৈছে ৭৭,৭২৭। তাৰে ভিতৰত আমাৰ ধুবুৰী জিলা, ধুবুৰী চাব ডিভিজন, বিলাসীপাৰা চাব ডিভিজন আৰু দক্ষিণ শালমাৰা জিলাৰ আজিলৈকে এজন মানুহেও মাটিৰ পট্টা পোৱা নাই বা ভূমি পোৱা নাই। ইয়াৰ কাৰণটো ধৰিব পৰা নাই। দক্ষিণ শালমৰা জিলাত আজি প্ৰায় ৬ মাহ আগতে Land Advisory Committee ৰ মিটিং হ'ল আৰু আমি মাটিৰ আৱণ্টন দি দিলো। কিন্তু তেওঁলোকে এতিয়ালৈকে মাটিৰ পট্টা নাপালে। হয়তো ফোন কৰি দিবলৈ বন্ধ কৰি দিলে। আমি আৱণ্টন দিয়াৰ পিছতো কিহৰ কাৰণে

তেওঁলোকে নাপালে ? ধুবুৰী, বিলাসীপাৰাতো Land Advisory Board ৰ মিটিং হ'ল আৰু সেই মিটিংখনতো আমি SDO ক অনুৰোধ কৰিলো যে যিখিনি মানুহ খাচ মাটিত বসবাস কৰি আছে তেওঁলোকক আৱণ্টন দিব লাগে। তেখেতে ক'লে যে চৰকাৰে কেৱল চৰকাৰী অফিচ বা আদালতৰ বাবে মাটিৰ আৱণ্টন দিব দিছে। ৰাইজৰ কাৰণে দিব দিয়া নাই। এইফালে চৰকাৰে প্ৰচাৰ কৰি আছে যে ভূমিহীন মানুহক আমি ভূমি প্ৰদান কৰি আছো। কিন্তু এইফালে আমাৰ SDO ডাঙৰীয়াই আমাক কয় যে চৰকাৰে তেওঁলোকক ৰাইজক ভূমি দিব কোৱা নাই। বিলাসীপাৰাত এটা ব্যক্তিগত খণ্ডৰ মোবাইল কোম্পানীৰ কাৰণে ২০০০ বিঘা মাটিৰ আৱণ্টন দিলে। যোৱা ৪০-৫০ বছৰৰ পৰা থকা দুখীয়া মানুহখিনিক উচ্ছেদ কৰি তাত মোবাইল কোম্পানীক মাটি দিবলৈ resolution ল'লে। কিন্তু আমাৰ দুখীয়া ৰাইজৰ কাৰণে কোনো ব্যৱস্থা লোৱা নহ'ল। আমাৰ ধুবুৰী মহকুমাৰ Land Advisory Committee ৰ মই সদস্য আছিলো। ১৫ দিনমান আগতে তাত মিটিং হৈছিল আৰু সেই মিটিঙত আমি দেখিলো যে কোনো লোককে মাটি আৱণ্টন দিয়া হোৱা নাই। আজি অলপ আগতে এজন মাননীয় সদস্যই কৈছে যে কিছুমানে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ঘৰ পাইছে। কিন্তু তেওঁলোকৰ মাটি নাই। এনেকুৱা লোকৰ বাবে তাত কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। তাত অফিচ বা পাৰ্টীৰ অফিচৰ বাবে মাটিৰ ব্যৱস্থা আছে। কিন্তু দুখীয়া ৰাইজৰ বাবে কোনো মাটিৰ আৱণ্টনৰ ব্যৱস্থা নাই। যোৱাকালি মাননীয় মন্ত্ৰী মহোদয়ে যদিও কৈছে যে ৭৭,৭২৭ মানুহক মাটি দিছে কিন্তু আমাৰ ধুবুৰী জিলাৰ এজন মানুহকো মাটি দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। ইয়াৰ কাৰণটো কি ? ইয়াৰ অন্য কোনো ইংগিত আছে নেকি ? কিবা ৬৫-৩৫ ৰ প্ৰশ্ন আছে নেকি ? তেওঁলোক দুখীয়া মানুহ নহয় নেকি ? তেওঁলোক অসমৰ নাগৰিক বা খিলঞ্জীয়া মানুহ নহয় নেকি ? তেওঁলোকৰ কাৰণে কিয় ব্যৱস্থা কৰা নহ'ল তাৰ বিষয়ে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰাইছো। আশা কৰো তেখেতৰ পৰা সদুত্তৰ পাম। যিসকল মানুহৰ ২০১৬-১৭ ত গৰাখহনীয়াত মাটি জাহ গ'ল, সেই লোকসকলে অলপ পইচা এবাৰ পাইছিল। আজি ২০১৭-১৮, ২০১৮-১৯, ২০১৯-২০ ত এটা পইচাও তেওঁলোকে পোৱা নাই। গতিকে সেইখিনিৰ কি ব্যৱস্থা কৰিব এইখিনি কথা আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই আৰু আমি ভাৱো সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস এই কথাখিনি আপোনালোকে সদায় কৈ থাকে। এই কথাখিনি মনত পেলাই দুখীয়াক মাটি দিয়াৰ ক্ষেত্ৰত আপোনালোকৰ যিটো formula সৱকা সাথ, সৱকা বিকাশ, সৱকা বিশ্বাস, সেই formula ৰ ভিত্তিত এই দুখীয়া লোক সকলক মাটি দিব বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**(মাননীয় অধ্যক্ষৰ আসনত মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা উপবিষ্ট।)**

**সভাপতি** ঃ এতিয়া মাননীয় সদস্য চক্ৰধৰ গগৈ ডাঙৰীয়াই কওঁক।

**শ্ৰী চক্ৰধৰ গগৈ, বিধায়ক (মৰাণ)** ঃ মাননীয় সভাপতি ডাঙৰীয়া, আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যি অতিৰিক্ত বাজেটৰ প্ৰস্তাৱ কৰিছে আৰু তাৰ বিৰুদ্ধে বিৰোধী দলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, এই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই সদনত দুআষাৰ ৰাখিব বিচাৰিছো আৰু আপুনি অনুমতি দিয়াৰ বাবে ধন্যবাদ জনাইছো। প্ৰথমতে মই ৰাজহ বিভাগৰ মাননীয় মন্ত্ৰী আৰু অসম চৰকাৰক ধন্যবাদ জনাইছো যে গত প্ৰায় চাৰে চাৰি বছৰ কালত অসম চৰকাৰৰ বিগত দিনসমূহত সৰ্বকালৰ যি ৰেকৰ্ড আছিল সেই ৰেকৰ্ড ভংগ কৰি বি জে পি নেতৃত্বাধীন এই চৰকাৰখনে প্ৰথম বাৰৰ বাবে এটা কাৰ্য্যকালৰ ভিতৰতে প্ৰায় ১ লাখতকৈ অধিক লোকক ভূমি পট্টা দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিলে আৰু এই ক্ষেত্ৰত সঠিক ব্যৱস্থা গ্ৰহণ কৰিলে। তাৰ বাবে মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ

জ্ঞাপন কৰিলো। অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত উদ্যোগ লোৱা বাবে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো আমি ধন্যবাদ জনাইছো। আমি যদিও বা বহু সময়ত বিভিন্ন কামত আৰু বিভিন্ন ভাষণত খিলঞ্জীয়া কৈ থাকো কিন্তু আমি এতিয়াও বহু কথা চাবলগীয়া আছে যে অসমৰ বহু খিলঞ্জীয়া জাতি জনগোষ্ঠী আছে যিসকলে ভূমিৰ অধিকাৰ পোৱা নাই। তেওঁলোকে কেৱলমাত্ৰ  চৰকাৰী বা বন ভূমিৰ বা চিলিং এলেকাত বসবাস কৰি আছে। তেওঁলোকে শ শ বছৰ ধৰি বাস কৰি আছে। এই লোক সকলক মাটিৰ পট্টা দিবলৈ অসম চৰকাৰে যি ব্যৱস্থা গ্ৰহণ কৰিছে এই ব্যৱস্থাটো আমি অতি আন্তৰিকাতাৰে শলাগ লৈছো। এই ক্ষেত্ৰত তেখেতসকলক আমি ধন্যবাদো জনাইছো। কিন্তু ইয়াৰ পিছতো বহুখিনি কাম আমাৰ কৰিবলগীয়া আছে। এই মাটিৰ পট্টা বা আৱণ্টন দিয়াৰ যিটো ব্যৱস্থা, সেই ব্যৱস্থাটোত থকা ভূমি সম্পৰ্কীয় যিখিনি স্থানীয় কাৰ্য্যালয় আছে, এই কাৰ্য্যালয় সমূহত থকা যিখিনি আসোঁৱাহ আৰু ৰঙা ফিতাৰ যিটো মেৰপাক সেই মেৰপাক অলপ কম কৰিবলৈ মাননীয় মন্ত্ৰী মহোদয়ে এটা সঠিক ব্যৱস্থা ল'ব লাগে বুলি মোৰ ফালৰ পৰা অনুৰোধ জনাইছো। কাৰণ বিগত দিন সমূহত এই মাটিৰ অফিচসমূহত পূৰ্বৰ চৰকাৰৰ দিনত বহুত ঘুটালা হৈছিল, দুৰ্নীতি হৈছিল। সাধাৰণ গাঁৱৰ লোকসকল মণ্ডল অফিচলৈ যাব নোৱাৰাৰ অৱস্থা হৈছিল। শেহতীয়াকৈ বি জে পি চৰকাৰে লোৱা সঠিক পদক্ষেপৰ ফলত এনেধৰণৰ সমস্যাবোৰ কমিছে ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় সভাপতি মহোদয়, পইণ্ট অফ অৰ্ডাৰ। যদি পূৰ্বৰ চৰকাৰৰ দিনত ঘুটালা হৈছিল এই চৰকাৰে যোৱা ৫ বছৰে কিয় একো ব্যৱস্থা গ্ৰহণ কৰা নাই? মই অনুৰোধ কৰিছো যে এইখিনি উইদ্ৰ কৰিব লাগে। এই সদনত এনেই গোৱালগালি দিলে নহ'ব।

সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।

**মাননীয় অধ্যক্ষ ঃ** সকলোৱে অলপ শান্ত হওঁক। আমি ৰাজহ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰি আছো। আনকি মই ইমানখিনি Rule relax কৰি দিলো যে আপোনালোকে অন্য কথা পাতিলেও মাননীয় মন্ত্ৰী মহোদয়ক অলপমান পাৰিলে নোট কৰি ল'ব কৈছিলো। আমি পৰিপূৰক দাবী মঞ্জুৰীত আলোচনা কৰোতে যিকেইটাৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ আছে, যিকেইটা বিষয়ৰ ওপৰত তেওঁলোকে পইচা বিচাৰে সেইকেইটা বিষয়ৰ বাহিৰে আমি ক'ব নোৱাৰো। সেইটো এটা নিয়ম। কিন্তু আপোনালোকে কোৱা বাবে মই ভাৱিলো যে অলপমান relax কৰি দিওঁ। মন্ত্ৰী ডাঙৰীয়ালৈ মই শ্লিপ পঠিয়াইছিলো for better discussion। নিয়ম মতে আমি এনেকৈ দিব নালাগে। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া মই আজি আপোনাক ক্ষমা কৰি দিছো। তাৰ পিছত আপুনি তেনেকৈ নক'ব। সেইকাৰণে আমি এই আলোচনাটো শান্তি পূৰ্ণভাৱে কৰিব লাগে। কোনোবাই কিবা এটা ক'লেও মাজত নোকোৱাকৈ  আপুনি ৰখাই ল'ব আৰু কৈ দিব যে মোৰ এটা পইণ্ট আছে। গতিকে এইটো কৰিলে ভাল হ'ব। এতিয়া চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই কিবা ক'ব নেকি?

Rupjyoti Kurmi, you must learn some lesson. why you are shouting? আজিৰ বাবে আপোনাক ক্ষমা কৰি দিয়াৰ পিছতো আপুনি আকৌ একে কামকে কৰিছে। মই Leader of the opposition কো কৈছো যে কথাবিলাক আপোনালোকে অলপ বুজিব লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** গতিকে অধ্যক্ষ ডাঙৰীয়া, মাননীয় Leader of the opposition ৰ কথাটো মানি আপুনি revenue ৰ ওপৰত বিস্তৃত আলোচনা হ'ব বুলি কৈছে। তাৰবাবে আমি আপত্তি কৰা নাই। যিখিনি উত্তৰ দিব লাগে আমি সেইখিনিৰ উত্তৰ দিব পৰা নাই।

কিন্তু কথাটো হৈছে কোনোবাই ব্যক্তিগতভাৱে কিবা মত দিব পাৰে। তেখেতৰ কথাখিনি শেষ হোৱাৰ পিছত যদি ভাৱে যে তেখেতে কোৱা কথাটো objectionable হৈছে আৰু এইটো এনেকৈ কোৱা উচিত নহয়, তেনেহলে আপুনি point of order দি পিছত ক'ব পাৰে। সেইকাৰণে এই Rules of Procedure and Conduct of Business in Assam Legislative Assembly ৰ প্ৰত্যেকটো Rule মই thoroughly জানো আৰু Kaul and Sikdar Practice in Parliament কিতাপখনো নপঢ়াকৈ এই কিতাপখনৰ সকলো কথা জানো। কিন্তু এনেধৰণে House নচলে। এজন সদস্যই যদি এনেদৰে সদায়ে হুলস্থুল কৰি থাকে কেনেকৈ হ'ব? গতিকে মই মাননীয় Leader of the opposition ক অনুৰোধ কৰিম যে তেখেতে তেখেতৰ সদস্য সকলক control কৰক। ইয়াৰ আগতেও মই দেখিছো এদিন আমাৰ প্ৰয়াত তৰুণ গগৈ ডাঙৰীয়াই বক্তৃতা দি থাকোতে তেখেতসকলে হুলস্থুল কৰিছিল। পিছত মই উঠি ক'বলগা হৈছিল যে আপোনালোকৰ Leader য়ে যেতিয়া কথা কৈ আছে আপোনালোকে কিয় হুলস্থুল কৰি আছে? গতিকে মই মাননীয় Leader of the opposition ক অনুৰোধ কৰিম যাতে House খন ভালকৈ চলাৰ বাবে আপোনাৰ সদস্য সকলক control ত আনক আৰু আমাৰ BJP ৰ সদস্য সকলো নিয়ন্ত্ৰণত থাকিব।

**মাননীয় অধ্যক্ষ ঃ** Please refer to the discussion. কোনোবাই কিবা ক'লেও তাত কাণ নিদিব। House ত সদায় নিয়ম মানি চলিব লাগিব।

**শ্ৰী চক্ৰধৰ গগৈ, মৰাণ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ। মই কোনো নতুন কথা কোৱা নাই। কেৱল মাত্ৰ বিৰোধী সন্মানীয় সদস্য সকলে বিষয়টোক অনাহকতে নিজৰ ফালে টানি নিলে।

**মাননীয় অধ্যক্ষ ঃ** You please forget that.

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ বিষয় বস্তুৰ ওপৰত ক'ব বিচাৰিছো। আমাৰ সমষ্টিবিলাকত এতিয়াও বহুত মানুহ আছে যিসকল প্ৰকৃততে বঞ্চিত হৈ আছে। তেওঁলোকে ভূমিপট্টা পাব লাগিছিল কিন্তু পোৱা নাই। পূৰ্বৰ চৰকাৰৰ ভূলৰ কাৰণে তেওঁলোকে যে ভূমিপট্টা পোৱা নাই এই কথাটো ক'ব লাগিব। এইখন চৰকাৰৰ দিনত ১ লাখ মানুহক যদি দিব পৰা যায়, তেনেহলে ১৫ বছৰত কিমান লাখ মানুহক তেওঁলোকে দিলে? এই কথাটোৰ হিচাপটো ল'ব লাগিব। মই কাৰো লগত contradiction ত যাব বিচৰা নাই। কিন্তু এটা প্ৰকৃত সত্য উদঘাটন কৰিবলৈ হ'লে ইতিহাস অধ্যয়ণ কৰিবই লাগিব। এয়া হয়তো ৰাজনৈতিক ইতিহাসো হ'ব পাৰে নাইবা সামাজিক বা আন ইতিহাসো হ'ব পাৰে। But we must have to study our history. এই ইতিহাসৰ গইনালৈ মই এই কথাটো কৈছো যে এইখন চৰকাৰৰ দিনত ১ লাখ মানুহক মাটিৰ পট্টা দিয়াটো সঁচা কথা।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইবোৰ কথা কেলেই কৈ আছে? নতুন কথা কওক।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** হয়। ভৱিষ্যতে দিবৰ কাৰণে প্ৰত্যেকটো SDC কাৰ্য্যালয়ত ইতিমধ্যে process চলি আছে আৰু মোৰ সমষ্টিতে ইতিমধ্যে কেইবা হাজাৰ চাহ বাগিচাৰ লোক আৰু গাওঁৰ মানুহৰ মাজত, দুখীয়া কৃষক যিসকলৰ আজিলৈকে নিজৰ বুলি ক'বলৈ মাটিৰ পট্টা নাছিল তেওঁলোকক মাটিৰ পট্টা দি থকা হৈছে। মই মাত্ৰ এইখিনি কথা ক'বলৈহে গৈ আছো। তাৰবাবে মই আমাৰ চৰকাৰখনক ধন্যবাদ জনাইছো।

ইয়াৰ উপৰি অন্য এটা সমস্যাৰ কথা ক'ব খুজিছো। কিছু লোক এতিয়াও VGR/ PGR ভূমিত বহি আছে। তেখেতলোকক কিন্তু আমি ২০১১ চনৰ Supreme Court এটা

ৰায়ৰ কাৰণে মাটিখিনি তেওঁলোকক allotment দিব পৰা নাই। অথচ এই মানুহবিলাক আজিৰ পৰা প্ৰায় ৭০-৮০ বছৰ আগতে এখন এখন গাওঁ পাতি তাত বহিছিল, তাত বিভিন্ন চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান, চিকিৎসালয় আৰু বিদ্যালয় আছে। এনেকুৱা অনেক গাওঁ মোৰ সমষ্টিত আছে আৰু সেই লোকসকলকো মাটিৰ পট্টা দিবলৈ মোৰ ফালৰ পৰা মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তেনেকুৱা লোক যদি আপোনালোকৰ সমষ্টিতো আছে তেওঁলোকেও পাব। এইটো এনেকুৱা নহয় যে অকল মৰাণ সমষ্টিতহে পাব। যদি চৰকাৰে এটা নীতি কৰে তেতিয়াহলে এইটো আপোনালোকৰ সমষ্টিসমূহতো প্ৰযোজ্য হ'ব। এই কথাটোৰ কাৰণে আপোনালোক আনন্দিত হ'ব লাগে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো আৰু লগতে আমাৰ যিখিনি কাম বাকী আছে এই কামখিনিৰ ওপৰত মনোনিবেশ কৰিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। এতিয়া বহু সময়ত জাতি, মাটিৰ কথা কৈ থকা হয় কিন্তু জাতি নিৰ্মাণ কৰিবলৈ প্ৰথমতে মাটি লাগিব আৰু মাটি যেতিয়া আমি ৰাইজক প্ৰদান কৰিম তেতিয়া ভূমিৰ সৃষ্টি হ'ব আৰু এটা ভেটি সৃষ্টি হ'ব। ভেটি থাকিলেহে জাতি থাকিব। এটা জাতি কেতিয়াও আকাশত উৰি থাকিব নোৱাৰে। সেইকাৰণে আমি কেতিয়াও ৰাজপথত চিঞৰ-বাখৰ কৰি জাতি-মাটি-ভেটিৰ কথা ক'ব খোজা নাই। এইখন BJP চৰকাৰে প্ৰকৃতাৰ্থত খিলঞ্জীয়া মানুহক ভূমি প্ৰদান কৰি এটা ভেটি প্ৰদান কৰি তেওঁলোকক এটা জাতি হিচাপে নিৰ্মাণ কৰিবলৈ ব্যৱস্থা ল'বৰ কাৰণে আগবাঢ়িছে। গতিকে মই মাননীয় ৰাজহ আৰু ভূমি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ লগতে অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াক তেখেতসকলে লোৱা সঠিক পদক্ষেপৰ বাবে ধন্যবাদ জনাইছো। লগতে তেখেতে আজি যি বাজেট প্ৰস্তাৱ কৰিছে এই বিভাগটো পৰিচালনা কৰিবৰ কাৰণে তাৰবাবে যিমান ধন আগবঢ়াইছে তাতোকৈ অধিক ধন দিবৰ কাৰণে মোৰ তৰফৰ পৰা অনুৰোধ ৰাখি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি ৰাজহ বিভাগ সম্পৰ্কত কিছু কথা ক'ব বিচাৰিছো। The Assam Land and Revenue Regulation, 1886 এই আইনখন ১৮৮৬ চনত প্ৰণয়ন কৰা হৈছিল আৰু বৰ্তমানলৈকে এই আইনখনৰ দ্বাৰাই পৰিচালিত হৈ আহিছে। ব্ৰীটিছৰ দিনতেই প্ৰণয়ন কৰা এই আইনখন বিগত দিনত কেইবাবাৰো সংশোধন কৰা হৈছে। কিন্তু মই ভাৱো ব্ৰীটিছৰ দিনতে প্ৰণয়ন কৰা এই আইনখনত বহু সংশোধনৰ প্ৰয়োজনআছে। সেইকাৰণে মই বিশেষভাৱে BJP নেতৃত্বাধীন চৰকাৰখনক ধন্যবাদ দিছো যে এই চৰকাৰখন অহাৰ পিছতেই এখন নতুন ভূমিনীতি প্ৰণয়ন কৰাৰ ক্ষেত্ৰত তেওঁলোকে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ ভাৰতবৰ্ষৰ প্ৰাক্তন Chief Election Commissioner শ্ৰী হৰিশংকৰ ব্ৰহ্ম ডাঙৰীয়াৰ নেতৃত্বত এখন সমিতি গঠণ কৰি দিয়া হৈছিল আৰু সেই সমিতিয়ে পুংখানুপুংখভাৱে গোটেই কথাখিনি পৰ্যালোচনা কৰি এখন প্ৰতিবেদন মাননীয় মুখ্যমন্ত্ৰীৰ হাতত দাখিল কৰিছিল আৰু সেই প্ৰতিবেদন অনুযায়ী ইতিমধ্যে আমাৰ যি ৰাজ্যিক কেবিনেট আছে এই কেবিনেটত এই প্ৰতিবেদনখন উত্থাপন কৰি গ্ৰহণ কৰিছে। এই প্ৰতিবেদনৰ ভিত্তিত যিখন নতুন ভূমিনীতি ইতিমধ্যে কেবিনেটত দাখিল কৰি অনুমোদন জনালে সেই ভূমিনীতিৰ আধাৰত আমাৰ যিখন আইন আছে সেই আইনখন সম্পূৰ্ণভাৱে নতুনকৈ প্ৰণয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু সেই সংক্ৰান্তত যদি কিছু নতুনকৈ সংশোধনী হওক বা নতুনকৈ প্ৰণয়ন কৰাৰ কথাই হওক, কিছু যদি সৰলীকৰণ কৰি আজি ৰাজ্যখনত যিসকল পৰিয়ালে যুগ-যুগ ধৰি বসবাস কৰি আছে সেইসকল পৰিয়ালৰ যিসকলে আজিও মাটিৰ পট্টা পোৱা নাই সেইসকলক

পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

পোন প্ৰথমে দেখা গৈছে যে গোটেই অসমতে যিধৰণে গাওঁ সমূহৰ জৰীপ হ'ব লাগিছিল সেয়া এতিয়াও হোৱা নাই। গতিকে আমাৰ ৰাজ্য চৰকাৰে বিশেষকৈ ৰাজহ বিভাগে সমগ্ৰ অসমৰ যিবিলাক গাওঁৰ জৰীপ হোৱা নাই সেইসমূহৰ জৰীপ অতি সোনকালে কৰি যাতে মাটি পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। মই বিশেষভাৱে ক'ব বিচাৰিছো যে অসমৰ লগতে গুৱাহাটী মহানগৰীৰো কিছুমান অঞ্চলত এতিয়াও জৰীপ কাৰ্য্য সম্পূৰ্ণ হোৱা নাই। জৰীপ নোহোৱা গাওঁ কেইখন হৈছে কামাখ্যা গাওঁ, যদিও মহানগৰীৰ মাজতে আছে তথাপিও গাওঁ বুলি কোৱা হৈছে, তেনেদৰে গোটানগৰ নংকে, দুৰ্গা সৰোবৰ নংকে, মালিগাওঁ নংকে, ভৰলুমুখ নংকে এই গোটেই অঞ্চল সমূহৰ এতিয়াও কিন্তু জৰীপ কাৰ্য্য সম্পন্ন হোৱা নাই। ইয়াৰ উপৰিও অন্য বহু অঞ্চল থাকিব পাৰে গুৱাহাটী মহানগৰীৰ ভিতৰত যিসমূহৰ জৰীপ হোৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীক অনুৰোধ কৰিব বিচাৰিছো যে গুৱাহাটী মহানগৰীৰ যিসমূহ অঞ্চলৰ জৰীপ হোৱা নাই অতি সোনকালে সেই সমূহৰ জৰীপ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লগতে মই ভাৱো আমাৰ যিসমূহ খিলঞ্জীয়া পৰিয়াল আছে এই সমূহক ইতিমধ্যে মাটি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে ৰাজ্য চৰকাৰে ১ লাখ খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাৰোপৰি আৰু আন ১ লাখ খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা দিয়াৰ কথা ঘোষণা কৰিছে। এতিয়ালৈ প্ৰায় ৭৭ হাজাৰতকৈও অধিক পৰিয়ালক মাটি পট্টা দিয়া হৈছে। এতিয়া যিসকল খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা দিয়া হ'ব, মই ভাৱো যে এই পট্টা দিয়াৰ সময়ত এটা condition ৰাখিব লাগে যে যিসকলে মাটিৰ পট্টা পাব তেওঁলোকে মাটি বিক্ৰী কৰাৰ ক্ষেত্ৰত নিষেধাজ্ঞা থাকিব। যদি প্ৰায় ৩০ বছৰলৈকে তেনেধৰণৰ এটা নিষেধাজ্ঞা ৰখা হয় তেতিয়াহলে আমি যথেষ্ঠ উপকৃত হম। কোনোবাই যদি কিবা কাৰণত বিক্ৰী কৰিবলগীয়া হয়, তেনেহলে সেই মাটিখিনি খিলঞ্জীয়া মানুহৰ নামতহে বিক্ৰী কৰাৰ অধিকাৰ দিব লাগিব। যদি তেনেধৰণে কৰা যায় তেতিয়া খিলঞ্জীয়া মানুহৰ হাতত এই মাটিখিনি সংৰক্ষণ হ'ব। এনেধৰণৰ সংৰক্ষণৰ ব্যৱস্থা কৰিলে ভাল হয়। খিলঞ্জীয়া বুলি কওঁতে ইতিমধ্যে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ পৰা অহা যিসকল লোকে অসমত বহু বছৰ ধৰি বসবাস কৰি আহিছে তেওঁলোকক যে দিব নালাগে সেইটো কথা মই কোৱা নাই। যিসকলে বহু বছৰ ধৰি অসমত বসবাস কৰি আছে আৰু অসমৰ বায়ু পানী সেৱন কৰি আছে, অসমৰ উন্নয়ণ বিকাশৰ কাৰণে কাম কৰি আছে সেই সকলকো দিব লাগিব। কিন্তু বিশেষভাৱে তেনেধৰণৰ কোনো ব্যৱস্থা আমি সন্নিবিষ্ট কৰিব লাগিব। অসমৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ মাজত গুৱাহাটীৰ ওচৰতে এটাই বিশেষ চৰ আছে সেইটো হৈছে ধাৰাপুৰ অঞ্চলত থকা ৰাণী চাপৰি য'ত অসমৰ খিলঞ্জীয়া মানুহে বসবাস কৰি আছে। তেওঁলোকে তাত খেতি-বাতি কৰি আছে। যিসকল লোকে তাত খেতি-বাতি কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব লাগে। তেতিয়া হয়তো এই চৰটো আমাৰ খিলঞ্জীয়া মানুহৰ হাতত সংৰক্ষিত হ'ব। তেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে মই মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো। আমাৰ গুৱাহাটীখন যিহেতু পাহাৰেৰে পৰিবেষ্টিত এই পাহাৰ অঞ্চলত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থাটো বন্ধ ৰখা হৈছে। বহু খিলঞ্জীয়া দুখীয়া লোক এই পাহাৰ অঞ্চলত বসবাস কৰি আছে।

(Hon'ble Deputy Speaker on the chair)

গতিকে মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যাতে অকল নামনিতে

নহয়, পাহাৰ অঞ্চলতো যিসকল দুখীয়া খিলঞ্জীয়া লোক যুগ-যুগৰ পৰা বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা ৰাজ্য চৰকাৰে গ্ৰহণ কৰিব লাগে আৰু যিটো মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা বন্ধ কৰি ৰখা হৈছে সেইটো প্ৰত্যাহাৰ কৰিবৰ কাৰণে মই আপোনাৰ জৰিয়তে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

আন এটা গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰিছো। বিশেষভাৱে অসম-মেঘালয়ে হওক বা অসম-নাগালেণ্ড হওক বা অসম-মণিপুৰেই হওক , যিবিলাক সীমান্তৱৰ্তী এলেকা আছে সেইবিলাকৰ প্ৰায়বিলাকেই Forest ৰ under ত পৰে। আমি দেখা পাই আছো যে আমাৰ নিকটৱৰ্তী ৰাজ্যসমূহে আগ্ৰাসন কৰি আছে তাৰ মূল কাৰণটো হৈছে যে আমি সীমান্তৱৰ্তী লোকসকলক মাটিৰ পট্টা দিব পৰা নাই। কিন্তু আনহাতে দেখা গৈছে যে মেঘালয় বা আন ৰাজ্য সমূহে তেওঁলোকৰ সীমান্ত অঞ্চল সমূহত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। যদি আন ৰাজ্য সমূহে সীমান্তৱৰ্তী অঞ্চলত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তেনেহলে আমাৰ চৰকাৰেও তেনেদৰে সীমান্তৱৰ্তী এলেকাত মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব পাৰো নেকি এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিচাৰ বিবেচনা কৰিব লাগে। তাৰোপৰি দেখা গৈছে যে আজি আমি কিবা এটা কাম কৰিব গলে Forest য়ে বাধা দিয়ে। কিন্তু যেতিয়া মেঘালয়ে আগ্ৰাসন কৰি আমাৰ সীমান্তৱৰ্তী এলেকাত পানী যোগান আঁচনিৰ কাম কৰে, Electrification আদি কাম কৰে, তেতিয়া জিলা প্ৰশাসন বা ৰাজ্য চৰকাৰৰ চকু নপৰে। কিন্তু আমি যদি কিবা কাম কৰো এই ক্ষেত্ৰত Forest department য়ে আমাক বাধা দিয়ে। আজি গড়ভাঙা অঞ্চলবিলাকত আমি পানীৰ আঁচনি দিছো কিন্তু বণ বিভাগে আমাক তাত বাধা দিছে। কিন্তু আজি জিমিৰগাওঁ, মুদুকী, লংচাই আদি যিসমূহ অসমৰ অঞ্চল মেঘালয় বোৰ্ডাৰৰ ওচৰত আছে সেই সমূহত মেঘালয়ে পানীৰ পাইপ বহুৱাই আছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে। সেয়েহে মই ভাৱো সীমান্তৱৰ্তী এলেকাত আমাৰ যিসমূহ পৰিয়ালে বসবাস কৰি আছে কিবা বিশেষ ব্যৱস্থা গ্ৰহণ কৰি চৰকাৰৰ লগত কথা পাতি হলেও আমি যদি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া এই আগ্ৰাসন আমি প্ৰতিৰোধ কৰিব পাৰিম। গতিকে এনেধৰণৰ কিছু যদি ব্যৱস্থা গ্ৰহণ কৰা হয়, তেতিয়াহলে হয়তো আমাৰ যি ভূমি আছে সেই ভূমি নিশ্চয় সংৰক্ষিত হ'ব।

ইয়াৰ উপৰিও গুৱাহাটী মহানগৰীত ভূ-মাফিয়াৰ যিটো উৎপাত এইটো যি কোনো প্ৰকাৰে প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰয়োজন হ'লে ভূ-মাফিয়াৰ ক্ষেত্ৰত যদি কিবা আইন প্ৰণয়ন কৰাৰ ব্যৱস্থা লয়, তাৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থণ থাকিব। তেনেকুৱা ভূ-মাফিয়াই যাতে ম্যাদী পট্টাই হওক বা চৰকাৰী মাটিয়েই হওক তেওঁলোকে যাতে বে-দখল কৰি হস্তগত কৰিব নোৱাৰে তাৰবাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে সেয়া আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। শেষত ক'ব বিচাৰিছো যে যিটো VGR/PGR ৰ কথা আমাৰ মাননীয় বিধায়ক এগৰাকীয়ে কৈছে মোৰ সমষ্টিতো তেনেকুৱা VGR/PGR আছে। Supreme Court য়ে ইয়াৰ ওপৰত এটা judgement দিয়াটো হয়। সেই judgement ত কিন্তু এটা কথা উল্লেখ আছিল যে VGR/PGR ৰ যিমানখিনি মাটি য'ত মানুহে বসবাস কৰি আহিছে তাৰ সমানকৈ অন্য ঠাইত যদি মাটি দিব পাৰে তেতিয়াহলে সেই মাটিখিনিত তেওঁলোকে মাটিৰ পট্টা দিব পাৰে। কিন্তু আমাৰ অসমত কেতিয়াও তেনেধৰণৰ কৰিব নোৱাৰো। সেইটো কি ব্যৱস্থা ললে, এই VGR/PGR ত বসবাস কৰা মানুহখিনিক মাটিৰ পট্টা দিব পাৰো তাৰ কাৰণে বিশেষভাৱে চিন্তা-চৰ্চা কৰিব লাগে আৰু তাৰ লগতে আমাৰ যিখিনি গড়াখহনীয়াত ক্ষতিগ্ৰস্ত

লোকসকলক চৰকাৰে অন্য ঠাইত মাটি আবন্টন দিছে তেওঁলোকৰ ক্ষেত্ৰতো মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত বিভিন্ন অসুবিধাৰ সৃষ্টি হৈছে। গতিকে এই বিষয়তো এটা policy নিৰ্দ্ধাৰণ কৰি গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা লোক সকলকো মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। গতিকে মই আৰু বিশেষ নকও। এইখিনি কাম কৰিবৰ কাৰণে আপোনাৰ জৰিয়তে মই ৰাজহ মন্ত্ৰীক অনুৰোধ জনাই আৰু এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ইমানতে সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া চৰণ বড়ো ডাঙৰীয়া ।

**শ্ৰী চৰণ বড়ো, সদস্য (মাজবাট)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰুদ্ধে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে ইয়াৰ মই বিৰোধীতা কৰি দুষাৰ ক'বলৈ লৈছো। আমাৰ Traditional Forest Dwellers Act, 2016 এইটো যিহেতু ২০০৬ চনতে হৈছিল। কিন্তু ইয়াৰ যিখিনি Implementation হ'ব লাগিছিল বহুত বছৰ ধৰি হোৱা নাছিল। কিন্তু যোৱা যি আমাৰ বিজেপি, ওজিপি, বিপিএফৰ চৰকাৰ, এই চৰকাৰ অহাৰ পিছত যিহেতু আমাৰ Traditional Forest Dwellers Act এইখিনি Implementation কৰা আৰম্ভ হৈছে আৰু এতিয়াও বহুটো বাকী আছে। ইয়াৰ ক্ষেত্ৰত ৰেভিনিউৰ লগত এই Act খন পোনপটীয়াকৈ জড়িত নহয় যদিও যিহেতু মাটি দিয়াৰ ক্ষেত্ৰত ৰেভিনিউৰ লগত জড়িত আছে, তাৰ বাবে এইটো মই ক'ব বিচাৰিছো Traditional Forest Dwellers Act, 2016 আমি এইটো আমাৰ ঠাই বিলাকত Implementation কৰি আছো । আমাৰ ফৰেষ্টত থকা ট্ৰাইবেল এচ টি, এচ চি সকলক আমি ফৰেষ্ট পট্টা দিয়াৰ ব্যৱস্থা কৰি আছো। কিন্তু আমি ইয়াত এটা অসুবিধা পাইছো, যিহেতু এই Act মতে এচ টি, এচ চি সকলক মাটিৰ পট্টা দিব পাৰো **যিসকল ২০০৬ চনৰ আগত ইয়াত** আছিল । **কিন্তু আমাৰ অঞ্চল বিলাকত আমি দেখা পাইছো, আমাৰ ফৰেষ্ট এলেকা বিলাকত অকল এচ টি, এচ চি সকল নাই, ইয়াত আদিবাসী ভাইসকল আছে, চাওঁতালি ভাই সকল আছে, তাৰ বাদেও আমাৰ নেপালী ভাই সকল আছে। কিন্তু এই Act মতে ইয়াত কৈছে যে এচ টি, এচ চি সকলহে ২০০৬ চনৰ আগত যি সকল আছিল তেওঁলোকক ফৰেষ্ট পট্টা দিয়া হ'ব। কিন্তু বাকী আমাৰ অ বি চি ৰ ক্ষেত্ৰত, আদিবাসী সকলৰ ক্ষেত্ৰত ইয়াত যিটো সুকীয়া এটা গাইডলাইন আছে, যি সকলে ২০০৬ চনৰ আগত ৭৫ বছৰলৈকে আছিল। সেই সকলকহে আমি ফৰেষ্ট পট্টা দিব পাৰো। কিন্তু এইখিনি দিব যাওঁতে আমাৰ এটা অসুবিধা হৈছে, কিয়নো যি সকল ইয়াত আদিবাসী ভাই সকলেই হওঁক, অ বি চি ভাই সকলেই হওঁক,নেপালী ভাই সকলেই হওঁক বা ট্ৰাইবেল ভাই সকলেই হওঁক সকলোৰে আমাৰ খিলঞ্জীয়া লোক হয়, আৰু তেওঁলোক এই এলেকাত এটা সময়ত আছিল। কিন্তু আমি যেতিয়া এই আইনৰ অধীনত এচ চি, এচ টি সকলক ফৰেষ্ট পট্টা দিবলৈ যাওঁ তেতিয়া ইয়াত এটা প্ৰশ্নৰ সন্মুখীন হ'ব লগীয়া হয়। আমি যদি আইনৰ কথা কওঁ এই সাধাৰণ ৰাইজ সকলে সহজতে এই কথা বিলাক মানি ল'বলৈ টান পায়। সেই কাৰণে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো আমাৰ আদিবাসী সকলেই হওঁক বা আমাৰ গোৰ্খা ভাই সকলেই হওঁক,** Traditional Forest Dwellers Act, 2006 **এইটো যিহেতু কেন্দ্ৰীয় চৰকাৰৰ এখন আইন কিন্তু আমাৰ এই জনগোষ্ঠী সকলেও আমাৰ অসমৰ বাহিৰে অন্য ঠাই বিলাকত তেওঁলোক ট্ৰাইবেলেই হয়। যিহেতু আমি কেন্দ্ৰৰ সেই আইনখন আমি কাৰ্য্যকৰী কৰিবলৈ গৈ আছো তাৰ কাৰণে তেওঁলোকক যদি আমি অকনমান বিবেচনা কৰি ,** Govt. of India **ত** amendment **আনি যদি এই সকলকো আমি ফৰেষ্ট পট্টা দিব পাৰো সেইটো খুব ভাল হয়। ন'হলে এইটো লৈ কেতিয়াবা আমাৰ মাজত বিভাজন আহিব পাৰে। ভুল বুজাবুজিৰ সৃষ্টি হ'ব পাৰে, আৰু বহুতো**

সময়ত কেতিয়াবা আমাৰ ৰাজনৈতিক লাভা লাভৰ কাৰণে বিভিন্ন সুবিধাবাদী ব্যক্তি সকলে এইটো লৈ পেলাই আমাৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰে। তাৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো। যিহেতু কেন্দ্ৰীয় চৰকাৰটো বিজেপি চৰকাৰে চলি আছে, সেয়েহে এই ক্ষেত্ৰত অকনমান amendment আনি পেলাই যদি আমি অলপ কৰিব পাৰো আমাৰ অঞ্চল বিলাকত চান্তালী ভাইসকল আছে। তেওঁলোকে বেংগল হওঁক, ঝাৰখণ্ড হওঁক, বিহাৰ হওঁক তেওঁলোক সকলোৰে এচ টি হয়। কিন্তু এই এলেকা বিলাকত তেওঁলোকে ফৰেষ্ট পাট্টা পাই আছে। কিন্তু আমাৰ এলেকা বিলাকত তেওঁলোকে পোৱা নাই। সেয়েহে এইটো লৈ তেওঁলোকৰ মাজত অলপ ৰিয়েকশ্যনটো আহে, সেয়েহে তাৰ কাৰণে এই ক্ষেত্ৰত চৰকাৰৰ তৰফৰ পৰা যদি কিবা সংশোধন আনি পেলাই কিবা কৰিব পাৰে, তেতিয়া খুব ভাল হ'ব বুলি মই ভাবিছো। তাৰ পাছত আপোনালোকে জানে, আমাৰ বিটিচি এলেকাত মাটিবাৰীক লৈ যথেষ্ট ইছু বিলাক হৈ থাকে। আমাৰ মাজত বিভাজন হৈ থাকে। বিটিচি হোৱাৰ পিছত বিটিচি অঞ্চলত আমাৰ অনা ট্ৰাইবেল সকলৰ মাটিৰ অধিকাৰ বিলাক নাইকীয়া হৈছে। এনেকুৱা বিভিন্ন ধৰণৰ ইছু বিলাক ওলাই থাকে। কিন্তু আমি জনা মতে বিটিচি হোৱাৰ পিছত ২০০৩ চনৰ পিছত বিটিচি চৰকাৰখনে যি ১৭ বছৰ আমাৰ ইয়াত বিপিএফ ৰ নেতৃত্বত আমাৰ চৰকাৰ হ'ল ইয়াত ভূমিৰ কোনো আইন নতুনকৈ কৰা হোৱা নাই। যিখিনি ছেপ্তাৰ ১০ মতে যিখিনি নিয়ম আছিল সেই অনুযায়ী ইয়াত মাটি-বাৰীৰ সকলো কাম-কাজ কৰা আছে, আৰু ইয়াত ট্ৰাইবেল বেল্ট এণ্ড ব্লক এলেকা বিলাকত এচ টি, এচ চি তাৰ বাদে আমাৰ নেপালী এই ব্যক্তি সকলক যিহেতু ইয়াত কিনা বেচাৰ, পট্টা দিয়াৰ যিহেতু ব্যৱস্থা বিলাক আছে। কিন্তু এই বিষয়টো লৈ আমাৰ মাজত বিভিন্ন সময়ত পাৰ্থক্যটো আহি থকাটো আমি দেখা পাওঁ, আৰু এই ইছুটো লৈ আমাৰ মাজত যথেষ্ট ৰাজনীতি চলি থাকে। তাৰ কাৰণে এই ক্ষেত্ৰত মই আমাৰ মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰিছো, যিহেতু লেণ্ড এণ্ড ৰেভিনিউ বিভাগটো বিটিচি ত এটা interested subject হয় যদিও যিহেতু আমাৰ ওপৰত অসম চৰকাৰ আছে। এই যে আমাৰ ভুল বুজাবুজি এই ভুল বুজাবুজিটো আমি অসম চৰকাৰৰ পৰা দায়িত্ব লৈ নাইকীয়া কৰিব লাগে। ন'হলে আমাৰ মাজত এনেকুৱা বিভাজন আহিব ধৰিছে, এই বিভাজনটোৱে যদি এটা বেলেগ ৰূপ লয় আমাৰ কাৰণে এটা চিন্তা কৰিবলগীয়া বিষয়। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই ক্ষেত্ৰত আমি অসম চৰকাৰৰ পৰা এটা পদক্ষেপ লৈ মাটিবাৰীৰ ক্ষেত্ৰত যি আমাৰ মাজত ভুল বুজাবুজি এই ভুল বুজাবুজিটো নাইকীয়া কৰিবৰ কাৰণে এটা পদক্ষেপ ল'ব লাগে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আমাৰ বিটিচি অঞ্চলত ট্ৰাইবেলেই হওঁক বা অনা ট্ৰাইবেলেই হওঁক আজিৰ দিনত মাটিবাৰী আছে যদিও কাৰো হাতত মাটিৰ পট্টা নাই। কোনো ব্যক্তিয়ে এতিয়া নিজৰ দখলত থকা মাটি বিলাকত পট্টা ল'বলৈ পৰা নাই। এই ক্ষেত্ৰত আমি এটা কথা দেখিছো যে বিটিচি অঞ্চলত লেণ্ড এণ্ড ৰেভিনিউ বিভাগটো দিয়া হৈছে যদিও ইয়াত জৰীপ কৰাৰ যি ক্ষমতা এইটো দিয়া হোৱা নাই আৰু ৰেজিষ্ট্ৰেশ্যন যি বিভাগ এই ৰেজিষ্ট্ৰেশ্যনটো বিটিচি ত দিয়া হোৱা নাই। আমাৰ ডি চি ৰ অধীনত যিহেতু চাব ৰেজিষ্ট্ৰাৰ থাকে ৰেজিষ্ট্ৰেশ্যন বিভাগটো নিদিয়াৰ কাৰণে যিহেতু জৰীপ কৰিব পৰা পাৰাৰটো নাই তাৰ কাৰণে আমাৰ যোৱা যি চৰকাৰ সেই চৰকাৰ বিলাকে ৰাইজ সকলক বা আমাৰ জনসাধাৰণক তেওঁলোকক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা হৈছে। সেই কাৰণে জৰীপ কৰাৰ যি ব্যৱস্থা তাৰ পিছত ৰেজিষ্ট্ৰেশ্যন বিলাকৰ ক্ষেত্ৰত যদি অকনমান অসম চৰকাৰৰ পৰা পদক্ষেপ লয়, তেতিয়া যথেষ্ট ভাল হ'ব আৰু যিবিলাক আমাৰ মাজত ভুল বুজাবুজি সেইটো নিশ্চয় মই ভাবো নাইকীয়া হ'ব।

আমাৰ বিটিচি এলেকাত যিহেতু বিটিচি হেড কোৱাৰ্টাৰ কোক্‌ৰাঝাৰ পৰা সকলো মাটি-বাৰীৰ কাম-কাজ কৰা হয়। যাৰ কাৰণে আমাৰ সাধাৰণ ৰাইজসকলে মাটি-বাৰীৰ কিনা-বেচা পাৰমিশ্যন সকলো কাম কৰাত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। তাৰ কাৰণে আমাৰ যোৱা নিৰ্বাচন বিলাকতো আমাৰ দলে হওঁক বা কোনোবাই হওঁক এইটো এটা ইছু হিচাপে লৈছিল। যে এইবাৰ মাটি-বাৰীৰ কাম- কাজ কৰাৰ ক্ষেত্ৰত জিলা হেডকোৱাৰ্টাৰত কৰিব পৰাৰ এটা ব্যৱস্থা কৰিব লাগে। এইটো কৰিব যোৱাৰ লগে লগে আমাৰ জিলাত ডি চি সকলৰ যিহেতু তেনেকুৱা দায়িত্ব নাই, ডি চি ৰ দায়িত্বটো ল'বৰ কাৰণে জিলা বিলাকত এটা এটা দিষ্ট্ৰিক ডেভেলপমেন্ট অফিচাৰ, ইয়াৰ যোগেদি কাম-কাজ কৰাৰ ব্যৱস্থা কৰা সকলোৱে বিচাৰি আছে। সেইটো কৰিলে মই ভাবো আমাৰ জিলা, জিলাতে মাটি-বাৰীৰ কাম-কাজ কৰাৰ ব্যৱস্থাটো আমি কৰিব পাৰিম। ইয়াৰ লগে লগে আমাৰ যি সৰ্বসাধাৰণ, তেওঁলোকে নিজৰ দখলত থকা মাটি-বাৰী যিমানখিনি কিনা-বেচাই হওঁক বা পট্টা কৰাইয়ে হওঁক বা বিভাগ ৰেজিষ্টেশ্যন কৰায়ে হওঁক ইয়াৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক পদক্ষেপ ল'বৰ কাৰণে মই অনুৰোধ কৰিছো। বাকী আৰু যি আমাৰ কম্পিউটাৰাইজ লেণ্ড ৰেকৰ্ডচ ইয়াৰ ক্ষেত্ৰত আমাৰ বিটিচি অঞ্চলটো যথেষ্ট পিছ পৰি আছে। আজিলৈকে সেইটো ভালধৰণে আৰম্ভ কৰিব পৰা নাই। নিশ্চয় ইয়াতে যথেষ্ট পুঁজিৰো প্ৰয়োজন আছে,। তাৰ কাৰণে এই ক্ষেত্ৰটো আমাৰ অসম চৰকাৰে অকনমান বিটিচি চৰকাৰখনক সহায় কৰি যি আমাৰ লেণ্ড ৰেকৰ্ড কম্পিউটাৰাইজ লেণ্ড ৰেকৰ্ডচ ধৰিত্ৰী স্কীম এই ক্ষেত্ৰতযদি সহায় কৰে আমাৰ মাটি-বাৰীৰ কাম-কাজ কৰাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব বুলি মই ভাবো আৰু সদৌ শেষত মই এটা কথা ক'ব বিচাৰিছো, আমাৰ অঞ্চল বিলাকতো যথেষ্ট গড়াখহনীয়া হয়। গড়াখহনীয়াত যথেষ্ট ক্ষতিগ্ৰস্থ হ'বলগীয়া হয়। কিন্তু আমাৰ গড়াখহনীয়াত ক্ষতিগ্ৰস্থ হোৱালোক সকলক আমি relief and rehabilitation বা ডিজাষ্টাৰ মেনেজমেন্টৰ যোগেদি যিহেতু আমি তেওঁলোকক ক্ষতিপূৰণ দিয়া হয় । আপোনালোকে বা আমি সকলোৱে জানো, বিটিচি হোৱাৰ পিছত ডিজাষ্টাৰ মেনেজমেন্ট বিভাগটো যিহেতু বিটিচি ত দিয়া হৈছিল। কিন্তু আজিলৈকে অৰ্পণ কৰা হোৱা নাই। যাৰ কাৰণে আমাৰ এই অঞ্চলত ক্ষতিগ্ৰস্থ হোৱা লোক সকলে আজিলৈকে তেনেকুৱা ক্ষতিপুৰণ পাবৰ কাৰণে সক্ষম হোৱা নাই । তাৰ কাৰণে এই লেণ্ড ৰেভিনিউৰ লগত যিহেতু ডিজাষ্টাৰ মেনেজমেন্টটো একেলগে লাগি আছে। তাৰ কাৰণে এই বিভাগটোকো যদি বিটিচি ত অৰ্পণ কৰি দিয়ে ক্ষতিগ্ৰস্থ হোৱা লোক সকলক আমি ক্ষতিপুৰণ দিয়াৰ ক্ষেত্ৰত যথেষ্ট সুবিধা হ'ব। বিৰোধী দলে যি কৰ্ত্তন প্ৰস্তাব আনিছে, ইয়াত মই বিৰোধিতা কৰি এইখিনি কথাকে মই কৈছো, আৰু ধন্যবাদ পুনৰ যাঁচিছো যে এইখন চৰকাৰে আমাৰ Traditional Forest Dwellers Act, 2016 যথেষ্ট ভালকে ইমপ্লিমেন্ট কৰি আছে, আমাৰ অঞ্চল বিলাকত ধুনীয়াকে পাই আছে, আৰু এইখিনি তীব্ৰগতিৰে কৰিবৰ কাৰণে যথেষ্ট চেষ্টা ৰাখিব লাগিব এইখিনিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই বক্তব্যৰ ইয়াতে সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ- এতিয়া দেবানন্দ হাজৰিকা ।

**শ্ৰীদেবানন্দ হাজৰিকা (বিহপুৰীয়া)** ঃ- মাননীয় উপাধ্যক্ষ মহোদয়, সদনত পৰিপূৰক দাবী সন্দৰ্ভত বিৰোধীয়ে যি প্ৰস্তাৱ আনিছে, সেই প্ৰস্তাৱটো মই বিৰোধীতা কৰি ক'বলৈ বিচাৰিছো। ইতিমধ্যে আমাৰ বহুকেইজন সদস্যই তেখেতসকলৰ বক্তব্য আগবঢ়াইছে, আৰু তাত যথেষ্টখিনি কথা ওলাইছে। যিবোৰৰ কাৰণে চৰকাৰে বিশেষভাবে তৎপৰ হৈ কামখিনি কৰিবৰ কাৰণে মই আগ্ৰহ যোগাইছো, আৰু লগতে এটা কথা ৰিপিট কৰি নোৱাৰো অসম চৰকাৰে যি ভুমিনীতি প্ৰনয়ণ

কৰিছে, তাৰ কাৰণে খিলঞ্জীয়ালোক সকল উপকৃত হ'ব। তাৰ কাৰণে মই অসম চৰকাৰক আমাৰ ফালৰ পৰা ধন্যবাদ জনাইছো। ২য়তে চৰকাৰখন যেতিয়া প্ৰথম আৰম্ভ হৈছিলে ২০১৬ চনত, তেতিয়াই আমাৰ এটা প্ৰস্তাৱ লোৱা হৈছিল যে, খিলঞ্জীয়ালোক সকলক আমি ভূমিপট্টা দিম। আৰু এই কাম খুব সুন্দৰকৈ আৰম্ভ হৈ গ'ল। ইতিমধ্যে ১ লাখ লোকক পট্টা দিলে, আৰু ১ লাখ লোকক পট্টা দিয়াৰ ব্যৱস্থা চলি আছে। মোৰ নিজৰ সমষ্টিতে ইতিমধ্যে ২৫ শ লোকে এই পট্টা পালে, আৰু ১৫ শ লোকে পট্টা পাবৰ কাৰণে যাৱতীয় ব্যৱস্থা কৰি আছে। এই বিষয়ত মই অসম চৰকাৰক আৰু বিশেষকৈ ৰাজহ বিভাগৰ যি সকল বিষয়ববীয়া সকলক মই ধন্যবাদ জনাইছো, অতি তৎপৰতাৰে কামখিনি কৰি দিয়াৰ বাবে। আৰু আগন্তুক দিন বিলাকত যে আমাৰ খিলঞ্জীয়ালোক সকলে নিজৰ মাটিৰ ওপৰত নিজৰ ঘৰটো থাকিব সেই সৌভাগ্যকণ হ'ব তাৰ কাৰণে চৰকাৰখনক আকৌ এবাৰ ধন্যবাদ জনাইছো। এটা কথা মই ক'ব লাগিব যে বৰ্ডাৰ ইছুৰ কথা ইয়াত ওলাইছে, মই বেলেগ বৰ্ডাৰলৈ নাযাও মোৰ সমষ্টি বা মোৰ গোটেই জিলাখন বা উত্তৰ পাৰৰ বহু কেইখন জিলাই বা দক্ষিণৰো বহু কেইখন জিলাই অৰুনাচল প্ৰদেশৰ লগত সীমা আমাৰ আছে বুলি কৈছে। এই প্ৰায়বিলাক ঠাইত সীমা বিবাদ দেখা যায়, আৰু যেতিয়া আমি ৰাজহ বিভাগক বা আমাৰ ডেপুটি কমিশ্যনাৰক অৱগত কৰাও তেতিয়া তেওঁলোকে এটা কথাই কয় যে ছুপ্ৰীম কোৰ্টত কেচ চলি আছে। এতিয়া কথা হ'ল সচাঁকৈয়ে যদি কেচ চলি আছে এই কেচটো কেতিয়া আৰম্ভ হ'ল কেতিয়া শেষ হ'ব ? এনেকৈয়ে যদি কেচ চলি আছে, চলি আছে বুলি আগৰ চৰকাৰকো আমি দোষাৰোপ কৰি দিওঁ, এতিয়া আমাৰ চৰকাৰকো কোনোবাই দোষাৰোপ কৰি দিব কিন্তু কেচটো চলিয়েই আছে। কিন্তু কেচটো সঁচাকৈয়ে চলি আছেনে নাই আজি মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। যদি চলি থকা নাই তেনেহ'লে কি পদক্ষেপ ল'ব ? বা চৰকাৰী বিষয়া সকলে কিয় অসত্য তথ্য দিছে, এই বিষয়েও তেওঁলোকে বিচাৰ কৰিব। মোৰ বিশেষকৈ অৰুনাচলৰ সীমাত এটা কথা মই জানো যুগ যুগ ধৰি আমি যদি ১৯৭২ চনৰ পৰা যেতিয়া অসমৰ লগত অৰুনাচল প্ৰদেশৰ সীমা নিৰ্ধাৰণ কৰিলে, সেই সীমাটো temporary অৰ্থাৎ temporary ভাৱে নিৰ্ধাৰণ কৰা হ'ল আৰু তাত দুয়োফালে থকা মাটিখিনিৰ জৰীপ আজিলৈকে হোৱা নাই। সেই মাটিবিলাকৰ জৰীপ কিয় হোৱা নাই। সেই কোৰ্ট কেচটো হৈ থকাৰ বাবে জৰীপ হোৱা নাই নে অন্য কিবা কাৰণত জৰীপ হোৱা নাই। আৰু এটা কথা দেখা পোৱা যায় যে অৰুনাচলৰ ফালৰ মানুহখিনিয়ে কিবা আগভাগ লৈ আমাৰ যিবিলাক অসমৰ মাটিবুলি কোৱা যায়, সেই বিলাক দখল কৰিবলৈ চেষ্টা কৰে। তাত আমাৰ যিবিলাক জংঘলী মাটি আছিল সেই মাটি বিলাক আমাৰ মানুহবিলাকে চাফা কৰে, অৰুনাচলৰ ব্যৱসায়ীসকলে তাত বেছি দাম দি তেওঁলোকৰ পৰা কিনি লয়। এতিয়া যিটো আমাৰ দোৰপাঙৰ পৰা ৰাজগড়লৈ ৰাস্তা আছে, সেইটোকে আমি সীমা বুলি ভাবো। তাৰ এই পাৰেও আহি তেওঁলোকে চাহবাগান খুলিছে আৰু সিপাৰে তেওঁলোকৰ বাগানৰ industry আদি খুলি তেওঁলোকে খুব ধুনীয়াকৈ তাত মানুহ সংস্থাপন দিব পাৰিছে, বা নিজৰ ভৰিৰ ওপৰত থিয় হ'ব পৰাকৈ বহুতক চাকৰি দি তেওঁলোকে কামবিলাক আৰম্ভ কৰিছে। যিবিলাক কাম আমাৰ অসম চৰকাৰ ফালৰ পৰা হোৱা নাই। এই কামবিলাক কিয় হোৱা নাই, আমিনো কিয় পিছ পৰি আছো ? সেই কথাটো আমি আজি সদনত মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিলে ভাল হয়। ২য়তে আমাৰ অঞ্চলত পাভৈ ৰিৰ্জাভ বুলি এটা অঞ্চল আছে। এইটো controversial আজি বহু দিনৰ পৰা। এই সদনত বহু দিনৰ পৰা তাতে থকা এখন সত্ৰৰ কথা উল্লেখ কৰা যায়, তাৰ ভূমি বেলেগ মানুহে দখল কৰিছিল। তাৰ সত্ৰাধিকাৰক তাতে হত্যা কৰাও হ'ল। আৰু এই

**পাৰ্ভে ৰিৰ্জাভৰ মাটিবিলাক বেলেগ বেলেগ মানুহে তাতে পকা ঘৰ সাজি, ইলেকট্ৰিক লাইন লৈ গৈ সেই মাটি বিলাক দখল কৰি আছে। য'ত আমাৰ যিবিলাক খিলঞ্জীয়া মানুহ সেই মানুহবিলাকক তালৈ যাবলৈ অসম চৰকাৰক আমাৰ যি বিষয়া তেওঁলোকেই তাত প্ৰতিবন্ধক কৰে। আমাৰ মানুহ বিলাকক তাত যাবলৈ নিদিয়ে। বেলেগ মানুহক যিসকলক আমি বিদেশী বুলি কৰ পাৰো। যিহেতুকে মোৰ লগত তথ্য নাই, কব পাৰো বুলি কৈছো, হয় বুলিও কোৱা নাই। গতিকে সেই মানুহ বিলাকক তেওঁলোকে অগ্ৰাধিকাৰ দি দিয়ে। দুটা পইচাৰ লোভত হয়তো এই কামবোৰ কৰি দিয়ে। কিন্তু আমাৰ মানুহবিলাক বঞ্চিত হয়। হাজাৰ হাজাৰ বিঘা মাটি। সেই মাটিবিলাক যদি আমি আমাৰ গড়াখহনীয়াৰ কাৰণে যিবিলাক মানুহে নিজৰ ঘৰবাৰী এৰিবলগীয়া হৈছে। নিজৰ ঘৰটো সাজিবলৈ ঠাই নাইকীয়া হৈছে। তেওঁলোকক যদি আমি আৱন্টন দিওঁ তেতিয়াহ'লে সেই মানুহখিনিয়ে সুন্দৰভাৱে জীৱন যাপন কৰিব পাৰিব। এই বিষয়ত তৎপৰতা লবৰ কাৰণে আমাৰ মন্ত্ৰী মহোদয়ক মই মোৰ ফালৰ পৰা অনুৰোধ জনাইছো। আজি এই ঘাটি মঞ্জুৰী প্ৰস্তাৱত বিশেষকৈ কেইটামান বিষয়ত তেওঁলোকে পইচা বিচাৰিছে। এটা হৈছে** hiring of Vehicles, **গাড়ী বিলাক লাগে, সেইটো জানে আপোনালোকে। আজি** movement **ৰ যুগ।** civilization **মানে** movement **চকাৰ আৱিস্কাৰ হোৱাৰ লগে লগে** civilization **ৰ পৰিসৰ বাঢ়ি গ'ল বা ইয়াৰ গতি বাঢ়ি গ'ল। গতিকে ইয়াত সামান্য এটি অনুদান বিচাৰিছে** Extra amount **ইয়াৰ পাছত** Legal service **ৰ কাৰণে পইচা বিচাৰিছে কাৰণ** Legal service **টো এনেকুৱা কথা কেতিয়া ক'ত কেচ লাগে, কি কথা হয়? কিমান উকীলক ফিজ দিব লগা হয় আগতে নিৰ্ধাৰণ কৰিব নোৱাৰি। গতিকে পাছতহে চৰকাৰে গম পাইছে যে ইমানখিনি পইচা অধিক দৰকাৰ হৈছে। গতিকে** Legal service **ত যিখিনি পইচা বিচাৰিছে, সেইখিনি আমি ইয়াত মঞ্জুৰী দিয়াটো অতি আৱশ্যক হৈ পৰিছে।** Brand with charges **য'ত নেকি** electronic device **ৰ ওপৰত, আজি কালি এইটো হৈছে** electronic **ৰ যুগ।** electronic **ৰ যোগেদি আমি খুব সোনকালে কিছুমান কাম কৰিব পাৰো। আৰু** electronic **হোৱাৰ কাৰণে আমাৰ কামবিলাকৰ গতি তৰান্বিত হৈছে। গতিকে এই ক্ষেত্ৰত যিখিনি ঘাটিমঞ্জুৰী বিচাৰিছে আমাৰ মন্ত্ৰী মহোদয়ে ৰেভিনিউ বিভাগে সেইটো আমি ইয়াত কৰি দিয়াটো আমাৰ কাৰণে অতি জৰুৰী হৈছে।** গাওঁবুঢ়াৰ ক্ষেত্ৰত ক'ব বিচাৰিছো যেতিয়া এজন গাওঁবুঢ়া বৃদ্ধ হৈবা মৃত্যু হৈ নাইকিয়া হৈ যায় সেই মানুহজনৰ ঠাইত তেখেতৰ পুতেক বা আন কাৰোবাক চাকৰিটো দিয়া হয়। এই কথাটো কিন্তু মানি ল'ব নোৱাৰি। এজন সৰু ল'ৰা যেতিয়া গাওঁবুঢ়া হয় তেওঁক অকল নামত গাওঁবুঢ়া কৰি দিয়া হয় কাৰণ তেওঁ মানুহৰ লগত ভালদৰে ব্যৱহাৰ পাতি কৰিব নাজানে। গাওঁবুঢ়া জন যিহেতু গাওঁখনৰ এজন সন্মানীয় ব্যক্তি গতিকে এজন উপযুক্ত মানুহক গাওঁবুঢ়া নিযুক্তি দিলে উচিত হয়। মই ভাৱো অন্য চাকৰিৰ দৰে গাওঁবুঢ়া নিযুক্তিৰ ক্ষেত্ৰতো পৰীক্ষা পাতি গাওঁবুঢ়া নিয়োগ কৰিব লাগে। আগতে গাওঁবুঢ়া সকলে খুব কম পইচাত চাকৰি কৰি আছিলে কিন্তু আমাৰ চৰকাৰ অহাৰ পিছত সেইটো এনহেন্সমেন্ট কৰা হ'ল আৰু এনহেন্সমেন্ট কৰাৰ কাৰণে আজি চৰকাৰে পৰিপূৰক ঘাটি মঞ্জুৰী বিচাৰিছে আৰু এইটো দিয়াটো আমাৰ কাৰণে অতি প্ৰয়োজনীয়। গাওঁবুঢ়া সকলক আমাৰ চৰকাৰে স্মাৰ্ট ফোন প্ৰদান কৰি যিটো ভাল কাম কৰিছে তাৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। স্মাৰ্ট ফোন প্ৰদান কৰা কাৰণে এতিয়া চাৰ্কল অফিচাৰ সকলে গাওঁবুঢ়া সকলৰ লগত খুব সোনকালে যোগাযোগ কৰিব পাৰে। কৰ'বাত যদি ধুমুহা, গড়াখহনীয়া হৈছে, মানুহ তাৰ পৰা অনা-নিয়া কৰিব লগা হৈছে, এই কথাবিলাক তেওঁলোকে যদি হোৱাটচ্এপ বা অন্যান্য সামাজিক মাধ্যমৰ

জৰিয়তে ফটো ইত্যাদি লৈ পঠিয়াই দিয়ে তেতিয়াহ'লে জিলা কতৃপক্ষই খুব সোনকালে ইয়াৰ ব্যৱস্থা ল'ব পাৰে। ইয়াৰ বাবে মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো আৰু পৰিপূৰক দাবী ঘাটি-মঞ্জুৰী বিচাৰিছে সেইটো দিয়াৰ কাৰণে মই অনুৰোধ জনাইছো। দৰমহাৰ ক্ষেত্ৰতো তেওঁলোকে এনহেন্সমেন্ট বিচাৰিছে, ৰিপায়েৰিং আৰু ৰিন'ভেশ্যনৰ কাৰণেও পইচা বিচাৰিছে যিহেতু ৰিপায়েৰিং আৰু ৰিন'ভেশ্যনটো অতি প্ৰয়োজনীয় কাৰণ বহুতো বিভাগৰ ঘৰবোৰ জহি-খহি গৈছে । ঠিক তেনেদৰে ৰিপায়েৰিং আৰু ৰিন'ভেশ্যনৰ আৰু ৰাজহ বিভাগৰ ঘৰ-দুৱাৰ বিলাকৰ কাৰণে পইচা আৱন্টন দিওঁ তেতিয়াহ'লে আমাৰ চিচ্‌টেমটো ভাল হৈ থাকিব। সেয়ে ৰিপায়েৰিং আৰু ৰিন'ভেশ্যনৰ কাৰণে যি ডিমাণ্ড দিয়া হৈছে সেইটো আমি যোগ্য বুলি ভাৱিছো। অফিচ বিল্ডিং বনাবৰ কাৰণে যি পইচা বিচাৰিছে সেইটো দৰকাৰী কাৰণ যিহেতু আমাৰ জনসংখ্যা বাঢ়ি গৈ আছে, অফিচত কাম কৰা মানুহৰ সংখ্যা বাঢ়ি গৈছে সেয়ে অফিচ-আদালতৰ সংখ্যা বঢ়াব লগীয়া হৈছে আৰু তাৰবাবে যি পৰিপূৰক ঘাটি দাবী-মঞ্জুৰী বিচাৰিছে সেয়া ও আমি মঞ্জুৰী কৰিবৰ কাৰণে সদনত আহ্বান জনাইছো। ইয়াৰ উপৰিও মেচিন আৰু ইকুইপমেন্টৰ কাৰণে তেওঁলোকে যি পইচা বিচাৰিছে মেচিন আৰু ইকুইপমেন্ট হৈছে আমি সদায় যিবিলাক কাম-কাজ কৰো সেই কামবিলাক তদাৰক কৰিবৰ বাবে মেচিন আৰু ইকুইপমেন্ট বিলাক আমাক দৰকাৰ। গতিকে তেওঁলোকক কম্পিউটাৰকে আদি কৰি সকলো মেচিন আৰু ইকুইপমেণ্ট কিনিবৰ কাৰণে যি পইচা বিচাৰিছে বা কিনাৰ কাৰণে যিখিনি ঘাটি হৈছে সেই ঘাটিখিনি মঞ্জুৰী দিবৰ কাৰণে তেওঁলোকে যি ৪৫ লাখ পইচা বিচাৰিছে সেই পইচাখিনি দিবলৈ আজি এই সদনতে মই চৰকাৰক আহ্বান জনাইছো। মই বিশেষ দীয়লীয়া নকৰো। আজি পৰিপূৰক দাবীৰ বিপক্ষে আমাৰ বিৰোধীয়ে যি প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মই ক'বলগীয়াখিনি ইমানতে সামৰিছো আৰু লগতে আমাৰ মন্ত্ৰী মহোদয়ে যি পৰিপূৰক দাবী ঘাটি-মঞ্জুৰী আনিছে সেইটোক সমৰ্থন কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সময় যিহেতু অন্যন্ত কম মই অতি চমুৱাই অকল পইণ্ট খিনি উল্লেখ কৰিম। আমি সৰুৰে পৰাই অৰ্থাৎ যেতিয়া 'ক' শ্ৰেণীত যাওঁ তেতিয়াই এটা কথা পঢ়িছিলো যে অন্ন, বস্ত্ৰ আৰু বাসস্থান - এই তিনিটা হ'ল মানুহৰ মৌলিক অধিকাৰ আৰু এই তিনিটা মৌলিক অধিকাৰ যদি আমি পূৰণ কৰিব পৰা নাই ভাৰতবৰ্ষত বা অসমত তেতিয়াহ'লে যিমানেই আমি চুপাৰ পাৱাৰ বুলি বা যিমানেই আমি শক্তিশালী বুলি ক্লেইম নকৰো কিয় it remains meaningless in its true sense. যেতিয়ালৈ আমাৰ ৰাজ্যখনৰ বাবে দেশখনৰ প্ৰত্যেকজন মানুহৰ অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ অভাৱ পূৰণ নহ'ব তেতিয়ালৈ বাকী উন্নয়ন বিলাক মই অৰ্থহীন বুলি ভাৱো। যোৱাকালি ষ্টাৰদ প্ৰশ্ন নং ২ ত মই এটা বিসংগতি আঙুলিয়াই দিছিলো যে চৰকাৰে ভূমিহীন মানুহক ভূমি প্ৰদানৰ কাৰণে যি পলিচি ঘোষণা কৰিছে তাত কিছু বিসংগতি আছে। বৰপেটা জিলাৰ বাঘবৰত দেখুওৱা হৈছিল মাত্ৰ ১৩০০ পৰিয়াল গৃহহীন। তেতিয়া মই অবজেকশ্যন কৰিছিলো যে ১৩০০ নহয় এইটো ৩০ হাজাৰ পৰিয়ালতকৈ বেছি। আজি চৰকাৰৰ অন্য এটা প্ৰশ্নৰ উত্তৰত এই কথা জলজল-পটপট হৈছে যে চৰকাৰে আনষ্টাৰদ প্ৰশ্ন নং ১২ ত উল্লেখ কৰিছে যে অকল বাঘবৰত ২০১৫-২০ চনলৈ ৭৫৫২ টা পৰিয়াল গৃহহীন হৈছে। গৰাখহনীয়া অকল ২০১৫ চনৰ পৰা আৰম্ভ হোৱা নাই, স্বাধীনতাৰ পিছৰ পৰাই গৰাখহনীয়া হৈ আছে। গতিকে এই সত্তৰ বছৰত কিমান হাজাৰ পৰিয়াল হ'ব পাৰে সেইটো সহজে অনুমেয়। বাঘবৰ সমষ্টি যিহেতু গোটেই অসমৰ ভিতৰত ৫ খন নদীৰ সংগমস্থল, মই ভাৱো দক্ষিণ শালমাৰাৰ

পিছত বাঘবৰত গৃহহীন মানুহৰ সংখ্যা আটাইতকৈ বেছি। কিন্তু দুভাৰ্গ্যজনক কথাটো হ'ল চৰকাৰী পলিচি মতে সংস্থাপন দিয়াৰ ক্ষেত্ৰত বাঘবৰত মাত্ৰ ৩২ টা পৰিয়ালক দিয়া হৈছে আনহাতে মাজুলীত ৫৫১৬ টা, ডিব্ৰুগড়ত ২১৫৬ টা, মাৰ্ঘেৰিটাত ২৭০৯ টা পৰিয়ালক দিয়া হৈছে। মই কথা এটা ক'বলৈ দ্বিধা নকৰো যে শাসক পক্ষৰ যিবোৰ সমষ্টি আছে তাত এইধৰণে বেছিকৈ মানুহক সংস্থাপন দিয়া হৈছে আৰু যদিও মই বাঘবৰ সমষ্টিৰ কথা উল্লেখ কৰিছো বিৰোধী পক্ষৰ প্ৰত্যেকজন মাননীয় সদস্যৰ সমষ্টিত একেই কথা দেখা যাব। আমাৰ দুখ লাগে যেতিয়া শাসক পক্ষৰ বিধায়কে গৈ ভূমিপট্টা বিতৰণ কৰি আছে তেতিয়া বিৰোধী পক্ষৰ কোনো সদস্যই ক'ব নোৱাৰে যে মই ভূমিপট্টা বিতৰণ কৰিছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সদায় কৈ থাকে 'সবকা সাথ সবকা বিকাশ', 'টীম ১২৬' তেনেক্ষেত্ৰত কথাবোৰ শুনিলে আমি যথেষ্ট উৎসাহিত হওঁ যে yes, that should be the spirit কিন্তু কাৰ্য্যক্ষেত্ৰত দেখা পাওঁ যে তেখেতে ঘোষণা কৰা কথাৰ লগত কাৰ্য্যৰ কোনো মিল নাই। যিহেতু আৰু বেছিদিন নাই মাত্ৰ দুমাহ সময় হাতত আছে তথাপি মই আপোনাৰ যোগেদি এই কথাটো চৰকাৰক দৃষ্টিগোচৰ কৰিলো। মাননীয় উপাধ্যক্ষ মহোদয়, মই যিটো আঁচল কথালৈ আহিব বিচাৰিছো সেইটো হৈছে আমাৰ অসমত গৰাখহনীয়া হৈছে আটাইতকৈ ডাঙৰ সমস্যা  যাৰ কাৰণে এই পবিত্ৰ সদনত বোধহয় ১০ বাৰতকৈ অধিক আমি শাসক বিৰোধীয়ে মিলি এই বানপানী আৰু গৰাখহনীয়াৰ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হৈছিল আৰু সকলোৱে ঐক্যমতত উপণীত হৈছিল কিন্তু দুৰ্ভাগ্যজনক কথাটো হ'ল যে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত মানুহক আজিলৈকে কোনোধৰণৰ সংস্থাপন দিয়া হোৱা নাই। Inspite of clear instruction in different guidelines in different rules, different policies, this is most unfortunate that এইটো অকল বাঘবৰ, শাসক-বিৰোধী বুলি কথা নাই, ১২৬ টা সমষ্টিৰে গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক আজিলৈকে সংস্থাপন দিয়া হোৱা নাই। এতিয়া মাননীয় উপাধ্যক্ষ মহোদয়, গৰাখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়ালক সংস্থাপন দিয়াৰ কাৰণে কি কি ব্যৱস্থা আছে মই দুটামান কথা উল্লেখ কৰিব বিচাৰিছো। গৰাখহনীয়া যদিও এচ ডি আৰ এফ গাইড লাইনত নাই কিন্তু ২০১৫ চনৰ ২৬ জুনত আমাৰ চৰকাৰে erosion, storm, lightening ৰ গুৰুত্ব উপলব্ধি কৰি তেতিয়াই state specific disaster হিচাবে ঘোষণা কৰিছিল আৰু এচ ডি আৰ এফৰ যি গাইড লাইন সেই গাইড লাইনৰ তেৰ নং পইণ্টত specifically mention  কৰা আছে যে 'State specific disasters with in the local context in the state, which are not included in the notified list of disasters eligible for assistance from SDRF/NDRF, can be met from SDRF with in the limit of 10% of the annual funds allocation of the SDRF'. যোৱাকালিৰ এটা প্ৰশ্নৰ উত্তৰত চৰকাৰেও স্বীকাৰ কৰিছে আৰু চৰকাৰে কোৱা লাইনটো মই ৰিপিট কৰিব বিচাৰিছো যাতে অফিচাৰ  সকলক প্ৰপাৰলী গাইড কৰি গৰাখহনীয়াত ক্ষতিগ্ৰস্ত মানুহবোৰক ক্ষতিপূৰণ দিব পাৰো তাৰ বাবে  প্ৰত্যেকজন সদস্যৰে উপকাৰত আহিব। চৰকাৰে কৈছে যে 'There is a provision for providing Rehabilitation Grant to the erosion affected families as the erosion had been notified as state specific disasters.  In this regard, all Deputy Commissioners under the state of Assam, 13 deligated financial power for sanctioning of Rehabilitation Grant to the erosion affected families as per

SDRF norms. On receipt of sanction order relating to the Rehabilitation Grant to the erosion affected families from the respective Deputy Commissioner, Revenue and Disaster management releases fund against the same. However, no such proposals have been received by this Department. This is most unfortunate. অকল এইটোটেই নহয় যেতিয়া মই বিষয়া, চাৰ্কল অফিচাৰ, উপায়ুক্তৰ লগত কথা পাতো তেওঁলোকে কনফিউজনত পৰে। এটা টো হ'ল এচ ডি আৰ এফ ৰ ১০ শতাংশ ফাণ্ড দি erosion affected family ক as per guideline সংস্থাপন দিব পাৰি। সুবিধা সমূহৰ বিষয়ে মই অন্য এটা ভাষণত গোটেইখিনি কথা কৈছিলো। দ্বিতীয়তে, ২০১৫ চনত তেতিয়াৰ কংগ্ৰেছ চৰকাৰে ১২ মাৰ্চত এটা পলিচি ঘোষণা কৰিলে যে Chief Minister's Special Scheme for Rehabilitation of Erosion affected families in Assam. মুখ্যমন্ত্ৰীয়ে বিশেষ আঁচনি হিচাবে এই স্কীম্‌টো ঘোষণা কৰিলে যে আমি ইৰোজেন এফেকটেড ফেমিলিক কম্পেনচেচন দিম, তেওঁলোকক আমি ৰিহেবিলেটেশ্যন দিম। এই চৰকাৰ অহাৰ পিছতো they were unanimous about this special policy for rehabilitation of erosion affected families. এই মুখ্যমন্ত্ৰীৰ আঁচনিত আছে যে এজন মানুহে যদি তেওঁৰ ঘৰ আৰু খেতিৰ মাটি গোটেইখিনি হেৰুৱাই পেলায় তেতিয়াহ'লে ঘৰৰ কাৰণে তেওঁ এবিঘা মাটি পাব, যদি মাটি দিব নোৱাৰে অন্ততঃ ৫০ হাজাৰ টকা পাব আৰু ঘৰটো বনাবলৈ ৭৫ হাজাৰ টকা পাব। অৰ্থাৎ গৰাখহনীয়াত যদি এজন মানুহৰ সম্পূৰ্ণ খেতিৰ মাটি আৰু ঘৰ-মাটি যায় তেওঁ নুন্যতম ১লাখ ২৫ হাজাৰ টকা ঘৰ বনোৱাৰ কাৰণে পাব। তৃতীয়তে, সেই মানুহজনক তিনি বিঘা মাটি দিয়া হ'ব খেতি কৰাৰ কাৰণে আৰু যদি তিনি বিঘা মাটি দিব নোৱাৰে তেতিয়াহ'লে ১ লাখ ৫০ হাজাৰ টকা তেওঁক দিয়া হ'ব অৰ্থাৎ এজন গৃহহীন আৰু খেতিৰ মাটি গড়াখহনীয়াত হেৰুওৱা মানুহ এজনে এটলিষ্ট ১ লাখ ২৫ হাজাৰ আৰু ১ লাখ ৫০ হাজাৰ অৰ্থাৎ ২ লাখ ৭৫ হাজাৰ টকাকৈ পলিচি মতে কম্পেনচেচন পাব লাগে। যদিও এই চৰকাৰে কিছু পৰিৱৰ্তন আনিছে। আৰু এটা হৈছে হোম ষ্ট্ৰীতৰ কাৰণে ও যদি দিয়ে এটলিষ্ট ১ লাখ ২৫ হাজাৰ টকাকৈ প্ৰত্যেকটো পৰিয়ালে পাব। মাননীয় উপাধ্যক্ষ মহোদয়, দুটা পইণ্ট আছে। এটা হৈছে ভূমি পট্টা হোল্ডাৰ আৰু দ্বিতীয়তে; সংশোধন আনিলে যদিও যিসকল গৃহহীন তেখেত সকলে কমেও এবিঘা মাটি, ৭৫ হাজাৰ টকা বা ১ লাখ ২৫ হাজাৰ টকা পাব পাৰে। এই Chief Minister's Special Scheme for Rehabilitation Grant, 2015-16 চনত ৫ কোটি টকা বাজেটত ধাৰ্য্য কৰা হৈছিল আৰু বৰ্তমানৰ চৰকাৰে ২০১৬-১৭ আৰু ২০১৭-১৮ চনত যদিও বাজেট ধাৰ্য্য নকৰিলে ২০১৮-১৯ চনত Chief Minister's Special Package ৰ অধীনত ১০ কোটি টকা আৰু ২০১৯-২০ চনত ১ কোটি টকা এই চৰকাৰে ধাৰ্য্য কৰিছিলে। ২০২০-২১ চনত এই চৰকাৰে কোনো টকা ধাৰ্য্য কৰা নাই। কিন্তু মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ১২৬ জন বিধায়কৰ জ্ঞাতাৰ্থে মই জনাব খোজো যে এইটো এটা অত্যন্ত দূৰ্ভাগ্যজনক ৰিপোৰ্ট। মই proof কৰিব খুজিছো - However, the above stated allocated fund could not be utilized during the respective year as there was no concrete proposal received from the District in this regard. অসমৰ কোনো এখন জিলাৰ পৰাই এই গৰাখহনীয়াত ক্ষতিগ্ৰস্ত মানুহক কম্পেনচেচন দিবৰ কাৰণে বাজেটত ৫ কোটি, ১০ কোটি, ১ কোটি থকাৰ পিছতো কোনো এখন জিলাৰ উপায়ুক্তই

প্ৰপোজেল নিদিলে। আজি মই মাননীয় ৰাজহ মন্ত্ৰীৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰাব খুজিছো যে তেওঁলোকে বাজেট ধাৰ্য্য কৰাৰ পিছতো কোনো এখন জিলাতেই কিয় এই পইচাটো নাপালে তাৰ বাবে যাতে ৰাজহ মন্ত্ৰী ডাঙৰীয়াই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত বহি গোটেই অসমৰ বাবে যাতে এই ব্যৱস্থা লয় তাৰবাবে মই আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। আৰু এটা কথা মই ১২৬ জন বিধায়কৰ জ্ঞাতাৰ্থে মই জনাব বিচাৰিছো যে এই বছৰো ২০২০-২১ চনত 15th Finance Commission ৰ পৰা ২০০ কোটি টকা দিছে only for rehabilitation of erosion affcted family. যাতে আমাৰ এই ২০০ কোটি টকা প্ৰপোৰচ'নেট কৰ'বাত ৫ হাজাৰ ভূমিহীন মানুহক দিছে, বাঘবৰত মাত্ৰ ৩২ টা ভূমিহীন পৰিয়ালক দিছে যদিও তাত ৩০ হাজাৰৰ ওপৰত আছে, এই ২০০ কোটি টকা এল'টমেন্টৰ ক্ষেত্ৰত কিমান মানুহ ক'ত গৃহহীন হৈছে তাৰ প্ৰপোৰচ'নেট হিচাপে যাতে দিয়া হয় আৰু যাতে এই ২০০ কোটি টকা লেপচ্ নহয় তাৰবাবে মই আপোনাৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাইছো। মাননীয় উপাধ্যক্ষ মহোদয়, মানুহ বিলাকক ভূমি প্ৰদানৰ যিটো কথা আজি দিব পৰা নাই এইক্ষেত্ৰত এটা পলিচি আছে যে য'ত গৃহহীন হ'ব তাত ৫ কিলোমিটাৰৰ ভিতৰত সংস্থাপন দিব লাগিব। এইটো বৰ অবজেক্টশ্যনেব'ল কথা। এই ক্ষেত্ৰত বহু সময়ত বিষয়া সকলে অপাৰগতা প্ৰকাশ কৰা দেখিবলৈ পোৱা যায় আৰু তেওঁলোকে কয় যে চাৰ, মাটি নাই। মই বহু সময়ত উল্লেখ কৰিছিলো যে VGR, PGR, PRF এইবোৰৰ মাটি দিব পাৰি কিন্তু বিষয়া সকলে চীফ চেক্ৰেটাৰীৰ পৰা আৰম্ভ কৰি, কমিশ্যনাৰ চেক্ৰেটাৰী ৰেভিনিউৰ পৰা আৰম্ভ কৰি তললৈকে এটা মেছেজ দিয়া হয় যে VGR, PGR বা PRF ৰ মাটি কোনো ভূমিহীন মানুহক দিব নোৱাৰি কাৰণ চুপ্ৰীম কোৰ্টৰ অৰ্ডাৰ আছে। এই কথাটোকেই মই ক্লিয়াৰ কৰিব বিচাৰিছো যাতে এটা clear instruction যায় যে চুপ্ৰীম কোৰ্টৰ যিটো কেচ হৈছিলে তাৰ নং হ'ল 1132/2011@SLP(C) No.3109/2011. যেতিয়াই আমি PGR, VGR ৰ কথা কওঁ তেওঁলোকে এই চুপৰীম কোৰ্টৰ judgement ৰ কথা কয়। মই judgement ৰ সাৰাংশ খিনি ক'ব বিচাৰিছো। পঞ্জাৱৰ **ৰোহাৰ জাগিৰ** নামৰ গাওঁখনৰ এটা ভিলেজ কমন লেণ্ড আছিল আৰু তাত গৰু-ছাগলী আহি পানী খাইছিল কিন্তু তাত এজন বিল্ডাৰে মাল্টিষ্টৰিড বিল্ডিং বনাই দিলে, তেতিয়া গাওঁ সমিতিয়ে অবজেকশ্যন কৰিলে and Supreme Court was so angry about the decision by the Deputy Commissioner তেতিয়া Markandey Katju দেৱে judgement ত উল্লেখ কৰিছে যে our ancestors were not good. মাননীয় উপাধ্যক্ষ মহোদয়, এই judgement ত acception দিয়া আছে যে this may be permitted in acceptional cases. For e.g., for landless, labourer, member of schedule caste, schedule tribes etc.গতিকে আমাৰ VGR, PGR এইবোৰৰ ক্ষেত্ৰতো এই Supreme Court ৰ judgement এ কোনো বাধা নিদিয়ে যিহেতু এইটো মৌলিক অধিকাৰ। গতিকে মই অনুৰোধ জনাইছো যে এই judgement ৰ ক্ষেত্ৰত যাতে সঠিক ভাৱে গাইড কৰা হয়। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই গৰাখহনীয়াত যেতিয়া গৃহহীন হয় তেওঁলোকে দিহিঙে-দিপাঙে আশ্ৰয় ল'বলৈ যাবলগীয়া হয়। মই এটা উদাহৰণ দিছো যে বাঘবৰৰ মানুহ যেতিয়া গোৱালপাৰালৈ যায় তেতিয়া উপায়ুক্তই অত্যাচাৰ আৰম্ভ কৰে, পুলিচ লগাই তেওঁলোকক খেদি দিয়ে। কিয়, তেওঁলোক আমাৰ নাগৰিক নহয় নেকি? এইবিলাক বন্ধ কৰা উচিত। মোৰ সমষ্টিত ২০১৯ চনৰ পৰা আজিলৈকে বানপানীত ক্ষতিগ্ৰস্ত মানুহখিনিক কোনো ধৰণৰ সাহাৰ্য্য দিয়া হোৱা নাই, গৰাখহনীয়াত ক্ষতিগ্ৰস্ত

মানুহখিনিক ২০১৫ চনৰ পৰা কোনো ধৰণৰ সাহায্য দিয়া হোৱা নাই। এইখিনি ক্ষীপ্ৰতাৰে কৰিব লাগে। আমাৰ শাসক পক্ষৰ কেইবাজনো সন্মানীয় সদস্যই আমাৰ চৰকাৰৰ দিনত হোৱা দুৰ্নীতিৰ কথা কোৱা আমাৰ কৰ্ণগোচৰ হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, কেন্দ্ৰত এই শাসক পক্ষৰ চৰকাৰ যোৱা ৭ বছৰ, দুই তৃতীয়াংশ মেজ'ৰিটি তেখেত সকলৰ চৰকাৰ আছে। চি বি আই, চি আই ডি, ভিজিলেঞ্চ এণ্টি ক'ৰাপশ্যন তেওঁলোকৰ অধীনত কিন্তু কিয় যোৱা ৫ টা বছৰে একশ্যন লোৱা নহ'ল ? যিসকল দুৰ্নীতিত জড়িত তেখেত সকলক তেওঁলোকে তেওঁলোকৰ দললৈ স্বাগতম জনাই গংগা জলৰ দ্বাৰা স্নান কৰোৱাইছে।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী পদ্ম হাজৰিকা।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজহ বিভাগৰ বিৰোধী দলে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, ইয়াৰ মই বিৰোধিতা কৰিছো আৰু ৰাজহ বিভাগৰ যথেষ্টখিনি কাম কৰিব লগা আছে, সংস্কাৰ কৰিব লগা আছে। তাত অধিক টকা আৱণ্টন দিবৰ কাৰণেহে মই অনুৰোধ জনাইছো। ইয়াত যিখিনি কথা আলোচনা হৈছে, আমি চৰকাৰক ধন্যবাদ দিব লাগিব, যে আমাৰ চৰকাৰৰ দিনত মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ গ্ৰহণ কৰিছে সেইটো এটা ঐতিহাসিক পদক্ষেপ। যোৱা ১৮ তাৰিখৰ দিনা শোণিতপুৰ জিলাৰ ভূমি উপদেষ্টা সমিতিৰ মিটিং আছিল যে মই প্ৰায় ২০ বছৰ হ'ল বিধায়ক হোৱাৰ, একেদিনাই ৪৬৭১ গৰাকী মানুহক ভূমি আৱণ্টন দিয়া কাহানিও হোৱা নাই। তাৰ পিছত বিশ্বনাথ জিলাতো সেই একেই। ভূমি আৱণ্টন দিওতে যদিও অভিযোগ আনে, যে এটা অংশই মাইনৰিটি মানুহক মাটিৰ অধিকাৰ দিয়া নাই। কিন্তু তেওঁলোকে লক্ষ্য কৰিব শোণিতপুৰ জিলা ভূমি উপদেষ্টা সমিতি আৰু বিশ্বনাথ জিলাৰ ভূমি উপদেষ্টা সমিতিত মাইনৰিটি মানুহ কিন্তু বঞ্চিত হোৱা নাই। এইটো সব কা সাথ, সব কা বিকাস যিটো আমাৰ চৰকাৰে এই পদক্ষেপ লৈছে তাত কিন্তু তেওঁলোকক বঞ্চিত কৰা হোৱা নাই আৰু মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত PGR VGR ৰ ক্ষেত্ৰত যিখিনি বাধা আছে, Supreme Court ৰ যিটো ৰায়, শ্বেৰমান আলী ডাঙৰীয়াই যিখিনি কথা দাঙি ধৰিছে যে সেই ৰায়টো ভালকৈ পঢ়াৰ পাছত কোনো অফিচাৰে উলংঘা কৰি জেলৰ ভাত খাবলৈ সাহস গোটাব নোৱাৰিব। কাৰণ যে কোনোবা মানুহ ST/SC হ'ল বুলিয়ে যে তাত আমাৰ PGR VGR ত দি দিব পাৰিব তেনেকুৱা কথা নহয়। গৃহহীন মানুহক দি দিব পাৰিব যে তাত কিছুমান সুৰুঙা আছে। সেই পঞ্চায়তৰ ভিতৰত যিমানখিনি মাটি আছে, তাৰে 10% হয়তো free কৰিব পাৰিব। গতিকে সেই সুৰুঙা লৈ হয়তো দিব পাৰিব আৰু PGR VGR ৰ যিখিনি মাটি, আমি যদি ক'ৰবাত মুক্ত কৰিব বিচাৰিছো বেলেগ ঠাইত সংৰক্ষণ কৰি মুক্ত কৰাৰ ব্যৱস্থাও তেনেকৈ আছে। এইখিনি কৰিব পাৰিব। গতিকে সেইখিনি কথা আমাৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব। কিন্তু আমি যিখিনি দেখা পাইছো যে চৰকাৰৰ মাটিৰ অধিকাৰ দিয়াৰ ক্ষেত্ৰত যিটো প্ৰতিশ্ৰুতি আছিল, সেই প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়িত কৰিবৰ কাৰণে আন্তৰিকতাৰে পদক্ষেপ গ্ৰহণ কৰিছো। ইয়াত কোনেও সন্দেহ কৰিব নালাগে আৰু যিখিনি ভূমিহীন বা গৰাখহনীয়াত আক্ৰান্ত হৈছে তেওঁলোকৰ এই লিষ্টখন কোনে বনায়। এই লিষ্টখন circle officer য়ে servey কৰি উপায়ুক্ত ডাঙৰীয়াক দিয়ে আৰু উপায়ুক্ত ডাঙৰীয়াই পুনৰ সংস্থাপন কৰিবৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰে বা চৰকাৰলৈ তেওঁলোকে এই লিষ্ট দিয়ে যে আমাৰ কিমানজন উপায়ুক্তৰ ওচৰত তেওঁলোকৰ গৰাখহনীয়াত মাটি গৈছে এই কথা জনাইছে বা চাৰ্ভে কৰোতে কিমান জনৰ নাম আহিছে যে এতিয়া দেখা যায় eviction কৰাৰ কথাও কৈছে। Eviction কৰিবলগীয়া কিয় হ'ল যে তেওঁলোকে ক'ত অনুমতি পালে। কৰবাত মাটি খালী হৈ পৰি আছে,

কৰবাত গৰাখহনীয়া হৈছে, কোনোবা বেলেগ জিলাত গৰাখহনীয়া হৈছে, তেওঁলোকে গৈ কোনো অনুমতি নোলোৱাকৈ বিনা অনুমতিত গৈ মাটি দখল কৰিব আৰু চৰকাৰে উচ্ছেদ নকৰাকৈ হাত সাৰটি বহি থাকিব নেকি। সেইটোতো কেতিয়াও হ'ব নোৱাৰে যে, যদি প্ৰকৃততে গৰাখহনীয়া উপায়ুক্তৰ ওচৰত তেওঁলোকে জনাব, উপায়ুক্তই লিষ্ট কৰিব আৰু যদি সেইখন জিলাত তেওঁলোকে দিব নোৱাৰে তেতিয়া চৰকাৰক জনাব, চৰকাৰে বেলেগ জিলাত দিয়াৰ ব্যৱস্থা কৰিব। মই এই কথাটো এই কাৰণে কৈছো যে, শোণিতপুৰ জিলাত আমি তেনেকুৱা কিছুমান সমস্যাৰ সন্মুখীন হৈছো। মোৰ সমষ্টিতে সেই মানুহখিনিৰ কোনো ভোটাৰ লিষ্টত নাম নাই। কিন্তু ভোটাৰ লিষ্টত নাম নথকা স্বত্বেও তেওঁলোকে হাজাৰ বিঘা মাটি দখল কৰিছে। যেতিয়া তদন্ত কৰা হৈছে, যেতিয়া circle officer ৰ ফালৰ পৰা তদন্ত কৰিলে জিলা উপায়ুক্ত ডাঙৰীয়াৰ ওচৰত অভিযোগ কৰাৰ পিছত তদন্ত কৰিলে তাত ৫২২ ঘৰ মানুহৰ ভোটাৰ লিষ্টত নাম নাই, ক'ৰপৰা আহিছে কোনো তেনেকুৱা ঠিকনা নাই আৰু তেওঁলোকক যেতিয়া ন'টিচ দিলে তাৰ পিছত তেওঁলোকে হাই কোৰ্টত আবেদন জনালে। হাই কোৰ্টত আবেদন জনোৱাৰ পিছত তেওঁলোকক stay order দিলে আৰু তেতিয়া আমাৰ ফালৰ পৰা certified copy উলিয়াই চোৱা হ'ল। মই এই কাৰণেই এই কথা কৈছো যে বে-দখলকাৰী বহুতে অসত্য কথাৰ বা ভুৱা documents লৈ তেওঁলোকে কোৰ্টকো misguide কৰিবলৈ চেষ্টা কৰে। মই আচৰিত হ'লো যে সেই সময়ত গাওঁ পঞ্চায়তৰ চাৰ্টিফিকেট, আঞ্চলিক পঞ্চায়তৰ চেয়াৰমেনৰ চিগনেচাৰ, চীল মোহৰ সকলো ভুৱা। এইটো যোৱা ২০১৯ চনৰ চেপ্তেম্বৰ অক্টোবৰ মাহৰ কথা যে যেতিয়া হাইকোৰ্টত চাবমিট কৰিলে, হাইকোৰ্টৰ পৰা certified copy উলিওৱাৰ পিছত আমাৰ যেতিয়া পঞ্চায়ত প্ৰেচিডেণ্ট, আঞ্চলিক পঞ্চায়তৰ চেয়াৰমেনে এইবিলাক তেওঁলোকৰ চীল মোহৰ, চিগনেচাৰ নহয় বুলি affidavit যেতিয়া high court ত দিলে, high court য়ে লগে লগে তেওঁলোকক দুমাহৰ ভিতৰত তাৰ পৰা নিজে গুচি যাবলৈ অৰ্ডাৰ দিলে আৰু নহ'লে without notice তেওঁলোকক eviction কৰিব পাৰিব বুলি দিলে আৰু সেই অৰ্ডাৰ মতে যোৱা ২০১৯ চনৰ ৫ আৰু ৬ ডিচেম্বৰ তাৰিখে eviction হৈছিল আৰু তাৰ পিছত তিনিবাৰকৈ eviction কৰিব লগা হৈছে। মই এই কাৰণেই কথাটো আজি ৰাজহ বিভাগক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে এনেকুৱা ধৰণৰ ভুৱা নথি-পত্ৰ চাবমিট কৰি ডিপাৰ্টমেণ্টক, উপায়ুক্ত ডাঙৰীয়াক, চৰকাৰী বিষয়াকতো misguide কৰিবই, high court কে এজনে misguide কৰিছিল আৰু তাৰ পিছত eviction হৈছে। গতিকে এইক্ষেত্ৰত আমাৰ ৰাজহ বিভাগে তন্ন তন্ন কৈ পৰীক্ষা কৰি চাবলৈ এই নথি-পত্ৰ বিলাক কোনোবাই যদি গৰাখহনীয়া বুলি আবেদন কৰে, তেওঁলোকে আচলতে ক'ৰ মানুহ, তেওঁলোক ইয়াৰ মানুহ হয়নে নহয়? এই বিষয়টো অলপ ভালকৈ তদন্ত কৰি চাবলৈ মই অনুৰোধ জনাইছো আৰু লগতে আমাৰ যিখিনি থলুৱা যুৱক তথা খিলঞ্জীয়া মানুহক মাটিৰ অধিকাৰ দিয়া যিখিনি কথা সেয়া উচ্ছেদ কৰি যদি মাটিখিনি এৰি দিয়া যায়, তেতিয়াহ'লে আকৌ সেইবিলাক মানুহ আহি অলপ দিন পিছত তাত মাটি বে-দখল কৰে। সেইখিনি উচ্ছেদ মুক্ত হৈ নাথাকে। চকীঘাট বুলি যিখন ঠাইত আমাৰ ৫২ টা ১০ জনীয়া গোট বনাই ৫২০ জন ল'ৰাক যেতিয়া মাটি allotment দিছিলো, সেই মানুহখিনিকো আক্ৰমণ কৰিছে, পুলিচ বিষয়াকো আক্ৰমণ কৰিছে। এতিয়া কিন্তু সেই ৫২ টা গোট ৫২০ থলুৱা যুৱকে তাত খেতিবাতি কৰি, ঘৰ-দুৱাৰ কৰি তেওঁলোকে সেই মাটি অধিকাৰ সাব্যস্ত কৰিবলৈ সক্ষম হৈছে। এই পৰিকল্পনাই আমাৰ চৰকাৰক লবৰ কাৰণে আপোনাৰ জৰিয়তে আহ্বান জনাইছো যে ৰাজহ বিভাগে জৰীপ কৰক কোনবিলাক খালী মাটি পৰি আছে।

কাৰণ য'তেই খালী মাটি পৰি থাকিব য'ৰ ত'ৰ পৰা মানুহ আহি তাত বহি গৈ আমাৰ খিলঞ্জীয়া মানুহখিনিৰ কাৰণে ভাবুকিৰ সৃষ্টি কৰিব পাৰে। এইক্ষেত্ৰত আমাৰ চৰকাৰে কঠোৰ পদক্ষেপ লৈ ক'ত কি মাটি আছে জৰীপ কৰাৰ ক্ষেত্ৰত যিখিনি খা-খৰচৰ দৰকাৰ, সেইখিনি আমাৰ বাজেটত পইচা ধাৰ্য্য কৰি দিয়ে। কাৰণ টকাৰ অভাৱত DLR ত যোগাযোগ কৰো যে ফাণ্ডৰ অভাৱত জৰীপ কৰাৰ তেওঁলোকে অসুবিধা দেখায়। গতিকে আমি অধিক পইচা দি হলেও যে জৰীপটো যাতে ভালকৈ কৰা হয়, ক'ত কিমান মাটি আছে, ক'ত কিমান বে-দখল কৰি আছে। এই কথাবিলাক চোৱাৰ প্ৰয়োজন আছে যে মাটি allotment আমাৰ দিছে, কোনোবাই দখল কৰি আছে ৭০ বিঘা মাটি, কিন্তু আমি Land Act মতে হয়তো ৭ বিঘা মাটি খেতিৰ কাৰণে দিব পাৰো। কিন্তু ৭ বিঘা মাটি দিয়াৰ পাছত বাকী এই মাটিখিনি তেওঁলোকে ৬৩ বিঘা মাটি তেওঁলোকৰ দখলতে থাকে যে এই মাটিখিনি চৰকাৰে ল'বৰ কাৰণে কি ব্যৱস্থা কৰিব পাৰে বা cluster কৰি তেওঁলোকে তেনেকৈ দিয়াৰ ব্যৱস্থা কৰিব পাৰে নেকি যে ৭ বিঘা মাটি আমি দিলো যে ৭০ বিঘা মাটি দখল কৰি আছিল, ১০০ বিঘা মাটি যে দখল কৰি আছিল, সেই মাটিখিনিতো যাক আমি allotment দিছো, তেওঁলোকৰ দখলতে সেই মাটিখিনি থাকি যায় যে সেই মাটিখিনিও ভূমিহীন মানুহক দিবৰ কাৰণে বা নিবনুৱা যুৱক-যুৱতীক আমি কৰ্মসংস্কৃতিৰ জৰিয়তে বা কৃষি কৰ্মৰ জৰিয়তে সংস্থাপিত কৰিবৰ কাৰণে আমি এটা ব্যৱস্থা গ্ৰহণ কৰিব পাৰো এইক্ষেত্ৰতো এটা পদক্ষেপ লবৰ কাৰণে মই আহ্বান জনাইছো যে, বিশেষকৈ ৰাজহ বিভাগৰ ফালৰ পৰা জৰীপটো যে কৰবাত চৰ পৰিছে ৩০-৪০ বছৰ আৰু এই চৰসমূহত বিনা অনুমতিত য'ৰ-ত'ৰ পৰা মানুহ আহি বে-দখল কৰি আৰু সেই ঠাইত যেনেকুৱা ধৰণৰ কাণ্ড কাৰখানা কিছুমান হয় যে এইবিলাক বাধা দিবৰ কাৰণে, শান্তিত ৰাখিবৰ কাৰণে আৰু আমাৰ নিবনুৱা সকলক যাতে বহিঁৰাজ্যত গৈ হতাশাত ভূগিবলগা নহয় যে আমাৰ ইয়াতে থাকি আমাৰ মাটি allot কৰি তেওঁলোকক ফাৰ্ম হওঁক বা কৃষি কৰ্মৰ জৰিয়তে অৰ্থনৈতিক এক বিপ্লৱ কৰিবৰ কাৰণে যাতে আমি পৰিকল্পনা লৈ আগবাঢ়ি যাব পাৰো তাৰ কাৰণে ৰাজহ বিভাগে বিশেষকৈ পদক্ষেপ লবৰ কাৰণে মই আহ্বান জনাই আজিৰ এই প্ৰস্তাৱৰ বিৰোধ কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীৰফিকুল ইছলাম। আপোনালোকৰ ২১ মিনিট আছিল, মাননীয় সদস্য আমিনুল ইছলামে ১৭ মিনিট কৈ গৈছে। আপোনাৰ ৪ মিনিট আছে, আপুনি ৫ মিনিটৰ ভিতৰত শেষ কৰিব।

**শ্ৰীৰফিকুল ইছলাম, জনীয়া ঃ** ধন্যবাদ। মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুআষাৰ ক'ম। ইতিমধ্যে যথেষ্ট আলোচনা হৈছে এই বিষয়ে। আমাৰ ব্ৰহ্মপুত্ৰ আৰু উপনৈ সমূহে যিমান মাটি খহাইছে approximate কোৱা হৈছে যে, ৪ হাজাৰ বৰ্গ square kilometer এইখিনি মাটি অকল ব্ৰহ্মপুত্ৰতে গৈছে আৰু বাকী নৈ বিলাকে লৈ গৈছে এই মাটিবিলাক। নিশ্চিত ভাৱে এই অঞ্চলত মানুহৰ ঘৰ-বাৰি আছিল আৰু সেই মানুহখিনি কিন্তু এতিয়া landless হৈছে। শদিয়াৰ পৰা ধুবুৰীলৈকে গোটেই অসমত এই বৃহত্তৰ অঞ্চলৰ ব্ৰহ্মপুত্ৰৰ কাষত যিসকলে বসবাস কৰিছিল বা বৰাক নৈ আৰু অন্যান্য যিবিলাক নৈ, উপ নৈ আছে, ইয়াৰ erosion ত যিমান মানুহ গৃহহীন হৈছে ইতিমধ্যে কথাখিনি আলোচনা হৈছে আৰু সেই landless মানুহখিনিক সংস্থাপিত কৰাৰ কাৰণে হয় land policy চৰকাৰে লৈছে বা কিছু দি আছে। যেতিয়া কিছু মাননীয় সদস্যই কৈছে তেখেতসকলৰ অঞ্চলত ৫ হাজাৰ গৃহহীন মানুহক মাটিৰ পট্টা দিছে। ভাল লাগিছে আমাৰ। এতিয়া হাজৰিকা ডাঙৰীয়াৰ সমষ্টিত যদি তেৰ শ বা তিনি হাজাৰ দিছে ভাল লাগিছে। সেইখিনি

মানুহৰ সমস্যাৰ সমাধান হৈছে বা আৰু কোনো এটা ডিব্ৰুগড় হওঁক, তিনিচুকীয়া হওঁক বা অন্য কোনো জিলাত হওঁক যদি landless মানুহখিনিয়ে যদি পাইছে, বহুতে পাইছে। সেইখিনি পাইছে আমি ভাল পাইছো। যিহেতু ভূমিহীন মানুহ তেখেত সকলক ভূমি দিয়া হৈছে। কিন্তু আমি লগে লগে লক্ষ্য কৰিছো, এতিয়া যেনেকৈ আমাৰ মাননীয় সদস্য শ্বেৰমান আলি ডাঙৰীয়াই কৈছে, আৰু কিছুমানে কৈছে বা মই নিজে কৈ আছো। মোৰ সমষ্টিত কিন্তু তেনেকুৱা দেখা নাই। বহুত মানুহ, বেকী নৈ আৰু আশে-পাশে কিমান গাওঁ উঠাই লৈ গ'ল এইসকল গৃহহীন হৈ গৈছে। অকল নদীয়ে উঠাই লোৱা মানুহখিনি landless তেনেকুৱা নহয়। আমি যদি গোটেই ভাৰতবৰ্ষতে চাওঁ almost 20% মানুহ এনেকুৱা আছে যিসকলৰ হাতত নিজৰ মাটি নাই, পট্টা নাই। অসমত তাতকৈ ব্যতিক্ৰম নহব। 20% আমাৰ মানুহ আছে, যিসকলৰ হাতত নিজৰ মাটি নাই এইসকলে মাটি পাব লাগে। অন্ন, বস্ত্ৰ আৰু বাসস্থান। বাসস্থানটো মাটিতে হ'ব। গতিকে এইখিনি মই ভাবো এটা নিৰ্বাচিত চৰকাৰৰ দায়িত্ব হয় আৰু চৰকাৰে এইখিনি কৰিব লাগে তাতে জাত-পাত cast, community, religion এইবিলাকৰ প্ৰশ্ন নাহে আৰু আহিবও নালাগে। মাননীয় উপাধ্যক্ষ মহোদয়, আমি লক্ষ্য কৰিছো গোৱালপাৰাৰ কথা কালিৰ পৰা আহিছে, undivided গোৱালপাৰা তাতে একোটা একোটা সমষ্টিত কিন্তু ১০-২০ জন মানুহকহে পট্টা দিয়া হৈছে। কিছুমান ঠাইত হাজাৰ হাজাৰক দিয়া হৈছে। ব্ৰহ্মপুত্ৰৰ যি তাণ্ডৱ শালমাৰাৰ পৰা আৰম্ভ কৰি জনীয়া, বাঘবৰৰ পৰা আদি কৰি চেঙা এই বৃহত্তৰ গোৱালপাৰা পশ্চিমৰ পৰা আৰম্ভ কৰি যিমান হাজাৰ হাজাৰ লাখ লাখ মানুহ বে-ঘৰ হৈছে, landless হৈছে এই মানুহখিনি যি হাৰে মাটিৰ পট্টা পাব লাগিছিল আমি কিন্তু লক্ষ্য কৰিছো তেখেতসকলে পোৱা নাই। মই অনুৰোধ কৰিম মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দৃষ্টি দিব লাগে। গোৱালপাৰা আমি সকলোৱে জানো ইয়াৰ back ground. অসমপ লগত তেখেতসকলে after independent আহি মিলিছে। ধন্যবাদ দিব লাগে তেখেতসকলে নিজৰ মাটি লৈ আহিছে, তেখতসকলৰ গছ-লতা, ঘৰ-বাৰী মাটি, সম্পত্তি লৈ আহি আমাৰ লগত, অসমৰ লগত মিলিছে তেখেতসকলে। মাটিও লৈ আহিছে। সেই সকল মানুহৰ সতি সন্তান তাত বসবাস কৰা এতিয়া মাটিৰ কাৰণে তেখেতসকলে হাত পাতি ঘূৰি আছে। আমি সেইসকলক কিন্তু মাটি আবণ্টন দিয়া নাই। মাননীয় অধ্যক্ষ মহোদয়, এই কথা বতৰা বিলাক লক্ষ্য ৰাখিব লাগে। যিটো Land Policy আমাৰ হৈছে পাতে পাতে আমি লক্ষ্য কৰিছো indeginious শব্দটো আছে। ভাল কথা। আমাৰ কোনো এলাৰ্জী নাই এই শব্দত। তাত কিন্তু কোনো defination নাই। Without any defination এতিয়া কাক indeginious আপুনি treat কৰি আছে, কি কৰি আছে এই কথা বতৰা বিলাক কিন্তু clear নহয়। গতিকে মই ভাবো এখন নিৰ্বাচিত চৰকাৰ যিসকল ভোটাৰ এই দেশৰ নাগৰিক, সকলোৰে প্ৰতি সমান দায়িত্ব আছে। আজি কিছুমান ঠাইত eviction হৈছে। নিয়ম অনুযায়ী হৈ আছে, কব লগা নাই। কিন্তু এই সকলতো মানুহ। চৰাই চিৰিকটি হ'লে হয়তো তেখেত সকলে গছত বসবাস কৰিব। মাটিতো বসবাস কৰিব লাগিব। এঠাইত ভাঙিব, বেলেগ ঠাইত তেখেতসকল আহিব। উপায় নাই। সেইখিনি মানুহ ভাৰতীয় নাগৰিক, citizen. গতিকে এইখিনি মানুহৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। মাননীয় উপাধ্যক্ষ মহোদয়, মই শেষ কৰিছো। আজি আমাৰ নিজৰ ঘৰৰ মানুহক মাটি দিব পৰা নাই বা ক'ৰবাত আমি বৈষম্য কৰি আছো। Discrimination ৰ চিকাৰ হৈ আছে। আজি জনীয়া, বাঘবৰ, শালমাৰা, গোৱালপাৰা, বৰপেটাত যেনেকৈ পাব লাগিছিল তেনেকৈ মাটিৰ পট্টা ভূমিহীন মানুহে পোৱা নাই। কিন্তু আমাৰ মাটি ওচৰ চুবুৰীয়া ৰাজ্য অসমৰ নিচিনা এখন strong state

হোৱা স্বত্তেও মিজোৰামে মাটি দখল কৰি আছে, মাননীয় সদস্যই কৈছে। আজি অৰুণাচলে মাটি দখল কৰি আছে। গুৱাহাটীত আহি নাগালেণ্ডে আমাৰ কইনাধৰাৰ পৰা তেখেত সকলৰ বিভিন্ন দাবী বিলাক কৰি আছে। আমাৰ নিজৰ ঘৰখন আমি ৰক্ষা কৰিব পৰা নাই। ইফালে নিজৰ মানুহক আমি মাটিৰ পট্টা দিয়া নাই, নিজৰ মানুহখিনিক আমি এইখিনি কৰিব পৰা নাই। এইখিনি দৃষ্টি দিব লাগে আৰু আগত কথাটো আহিছে তাতে বসবাস কৰা যিসকল মানুহ তাতে আছে, দিল্লীৰ লগত আলোচনা কৰি তাত বোৰ্ডাৰ এৰিয়াত বসবাস কৰা মানুহখিনি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে, যদি কিবা টেক্‌নিকেল অসুবিধা আছে, যাতে আমি আমাৰ মাটি , আমাৰ ৰাইজৰ সীমা, আমি যাতে সুৰক্ষা কৰিব পাৰো তাৰ কাৰণে সীমামূৰীয়া যিসকল মানুহ তাত থাকিব বিচাৰে, এইসকলক তাতে ঠাই দি আমাৰ ঠাই আমি প্ৰটেক্ট কৰিব লাগে লগতে আমাৰ যিবিলাক ৰেভিনিউ চাৰ্কোল চলি আছে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এইটো re-organisation ৰ বহুত দৰকাৰ আছে। মই এটা উদাহৰণ দিছো, মোৰ জনীয়া সমষ্টিৰ কলগাছিয়া ৰেভিনিউ চাৰ্কোলৰ অধীনত বাঘবৰৰ বহুত দূৰৰ এলেকা সোমাই আছে আৰু মোৰ কলগাছিয়া একেবাৰে ওচৰৰ গাওঁ গৈ মন্দিয়া চাৰ্কোলত সোমাই আছে। গোটেই অসমত তেনেকুৱা আছে। গতিকে re-organisation যদি কৰা হয় এই চাৰ্কোল বিলাক ঠিক-থাক হ'ব আৰু চাৰ্কোল অফিচ বিলাকত মাটিৰ permission ৰ পৰা আৰম্ভ কৰি, যিবিলাক চলি আছে, ইয়াৰ প্ৰতি মাননীয় মন্ত্ৰীয়ে অলপ নজৰ দিব লাগে। স্বচ্ছ কৰিব লাগে বিভাগটো। আমাৰ ওচৰত বহুত অভিযোগ এইবিলাক আহি থাকে। গতিকে আপোনাৰ বিভাগটো এই চাৰ্কোল অফিচ বিলাক বা ষ্টাফ বা মানুহ সৰ্বসাধাৰণৰ সুযোগ লৈ victim নবনাই ইয়াৰ ওপৰত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি দিব লাগে। এইখিনি কৈ মাননীয় উপাধ্যক্ষ মহোদয় মই শেষ কৰিছো, যে মই আগত কৈছো যে indeginious ৰ আলম লৈ যাতে এটা section ক deprive কৰা নহয় আৰু এইটো কৰিলে মই ভাবো Violation of the Constitutional Provision Violation কৰা হ'ব। তেনেকুৱা যাতে কৰা নহয়। ভাৰতীয় নাগৰিক সকল Indian Citizen যিসকলৰ ভোটাৰ লিষ্টত নাম আছে এইসকল landless য়ে সমানভাৱে land পাব লাগে। এইখিনি কৈ মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীবিমল বৰা।

**শ্ৰীবিমল বৰা (টিংখং)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধীয়ে যি ৰাজহ বিভাগৰ পৰিপূৰক দাবি মঞ্জুৰী সম্পৰ্কত কৰ্ত্তন প্ৰস্তাৱ আনিছে মই এই কৰ্ত্তন প্ৰস্তাৱক তীব্ৰ বিৰোধিতা কৰিছো। ৰাজহ এনেকুৱা এটা বিষয় যিটো বিষয়ৰ লগত মানৱ জাতিটোৰ কথা জড়িত হৈ আছে। আমাৰ পৰিয়ালবোৰৰ কথা জড়িত হৈ আছে আমাৰ আশা আকাংক্ষা বিলাকৰ কথা জড়িত হৈ আছে আৰু সেই কাৰণে আজি ৰাজহ বিভাগটোৰ যিটো মৰ্য্যাদা আৰু গুৰুত্ব মই ভাবো, এই মৰ্য্যাদা আৰু গুৰুত্ব অন্যান্য বিভাগ সমূহতকৈ যথেষ্ট উচ্চস্তৰৰ আৰু সেই কাৰণে এই ৰাজহ বিভাগটো শক্তিশালী কৰিবৰ কাৰণে আৰু অধিক সংখ্যক পুঁজি আনি ইয়াত আৱণ্টন দিয়া উচিত। কাৰণ ৰাজহৰ লগত মাটিৰ প্ৰশ্ন জড়িত হৈ আছে। মাটিৰ লগত আমাৰ ঐতিহ্য, পৰম্পৰা, ভৱিষ্যতৰ কথা জড়িত হৈ আছে আৰু অসমত বসবাস কৰা খিলঞ্জীয়া জাতি জনগোষ্ঠী সমূহৰ আটাইতকৈ বিগত কেইবাটাও দশক ধৰি যিসমূহ অধিকাৰৰ প্ৰশ্ন উত্থাপিত হৈছে এই গোটেই কথাখিনিত আমি যদি বস্তু নিষ্ঠ পৰ্য্যাবেক্ষণ কৰো তেতিয়া দেখিম গোটেই বিষয়টো ৰাজহ বিভাগৰ লগত জড়িত। কাৰণ ১৯৭৯ চনত অসমৰ জনসাধাৰণে আমাৰ অস্তিস্ব বিপন্ন হোৱাৰ সেই প্ৰশ্নটোক লৈ আমি আমাৰ ভৱিষ্যতৰ দিনত আমাৰ বাৰী, মাটি, জাতি যাতে সুৰক্ষিত হৈ থাকে, তাৰ কাৰণে

এটা দীৰ্ঘ দিনৰ এটা আমি সংগ্ৰাম কৰিব লগা হৈছিল। যাৰ ফলশ্ৰুতিত আমি আমাৰ মাজৰ পৰা ৮৫৫ জনতকৈ অধিক ব্যক্তিক আমি হেৰুৱাব লগা হ'ল। এটাই লক্ষ্য যাতে আমাৰ অসমৰ মাটি আমি সুৰক্ষিত কৰি ৰাখিব পাৰো অনাগত উত্তৰ প্ৰজন্মৰ কাৰণে। কিন্তু যোৱা বহুতদিন পাৰ হৈ গ'ল তাৰ ফলশ্ৰুতিত চুক্তিও হ'ল, চুক্তি কৰা সেই সময়ৰ আন্দোলনৰ নেতৃত্ব লোৱা সংগঠনৰ তৰফৰ পৰা আহি ৰাজনৈতিক দল গঠন কৰি চৰকাৰো হ'ল, চুক্তি স্বাক্ষৰ কৰা সেই সময়ত কেন্দ্ৰীয় চৰকাৰক নেতৃত্ব প্ৰদান কৰা সেই দলসমূহেও অসমত কেইবাবাৰো চৰকাৰ গঠন কৰিলে কিন্তু ১৯৭৯ চনৰ যিটো খিলঞ্জীয়াৰ প্ৰাধিকাৰৰ যিটো প্ৰশ্ন আছিল সেই প্ৰশ্নৰ ক্ষেত্ৰত আমি যেনেধৰণে দৃঢ় পদক্ষেপেৰে এই গোটেই বিষয়টোক আগুৱাই লৈ যাব লাগিছিল, সেই নিয়াত কিন্তু আমি ব্যৰ্থ হ'লো। অসমৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি অনুসৰি আমি বিধান স ভাৰ মজিয়াত গৌৰৱেৰে ক'ব পাৰিছো যে চাৰে চাৰি বছৰৰ অন্তত দীৰ্ঘ দিনৰ পৰা যি ভুমি অধিকাৰৰ সমস্যা আছিল সেইটো সমাধানৰ বাবে আমাৰ চৰকাৰে আগুৱাই লৈ যাব পাৰিছে । মাননীয় মুখ্যমন্ত্ৰীৰ দৃঢ় পদক্ষেপৰ বাবে স্বাধীনতাৰ পিছৰ পৰা সকলো অভিলেখ ভঙ্গ কৰি ১ লাখত কৈ অধিক ভূমিহীন লোকক ভূমিৰ অধিকাৰ প্ৰদান কৰিবলৈ সক্ষম হৈছে । ভাৰত ৰাষ্ট্ৰৰ নাগৰিক হিচাপে আমাৰ যিটো মৌলিক অধিকাৰ তাৰ ভিতৰত ভূমিৰ অধিকাৰ অন্যতম। কিন্তু আজি যুগ যুগ ধৰি পূৰ্ব পুৰুষৰ পৰাই এতিয়াৰ প্ৰজন্মলৈ আমি ভূমি অধিকাৰৰ পৰা বঞ্চিত হৈ আছো। ইয়াৰ বহুতো কাৰণ আছে । এই কাৰণসমূহ আমাৰ সন্মানীয় সদস্যসকলে তেখেতসকলৰ বক্তব্যত ইতিমধ্যে উপস্থাপন কৰিছে। কিন্তু মই ভাবো যে , আমাৰ ভুমিৰ যি নীতি আৰু আমাৰ ভূমি সুৰক্ষিত কৰাৰ যি পদক্ষেপ সেয়া আমি দৃঢ়ভাৱে আৰু কঠোৰভাৱে গ্ৰহণ কৰিব লাগিব। মই মহামান্য উচ্চতম ন্যায়ালয়ক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো। মহামান্য উচ্চতম ন্যায়লয়ে ২০১১ চনত যি ৰায় প্ৰদান কৰিছিলে। আমাৰ যিসমূহ চৰণীয়া পথাৰ আছে, এই প্ৰাকৃতিক সন্তোলন ৰক্ষা কৰাৰ নিমিত্তে যিবিলাক আমাৰ পূৰ্ব্বপুৰষসকলে সংৰক্ষণ কৰি গৈছিল যাতে কোনো বেদখলকাৰীয়ে দখল কৰিব নোৱাৰে তাৰ কাৰণে ৰায় প্ৰদান কৰিলে। পি জি আৰ - ভি জি আৰত এতিয়া অন্তত সেই মাটিসমূহ সংৰক্ষণ কৰিবলৈ মহামাণ্য উচ্চতম ন্যায়ালয়ে আমাক সকাহ প্ৰদান কৰিলে। মাননীয় উপাধ্যক্ষ মহোদয়, এইটো দীৰ্ঘদিনৰ প্ৰস্তাৱ আছিলে যে অসমত বসবাস কৰা যিখিনি খিলঞ্জীয়া জাতি জনগোষ্ঠী তেখেতসকলক ভূমি অধিকাৰ প্ৰদান কৰিব লাগে। এইটো কেৱল ৰাজহ বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰী কৰ্ত্তণ প্ৰস্তাৱত আলোচনাৰ বিষয় নহয় বৰঞ্চ সমগ্ৰ অসমৰ সমাজ জীৱনক চুই যোৱা এটা ডাঙৰ সমস্যা। কাৰণ আমাৰ উন্মুক্ত যি বাংলাদেশৰ বৰ্ডাৰ আছিল আমি যদি কম্পেয়াৰ কৰো আমি দেখিম যে অসম- বাংলাদেশৰ যি সীমান্ত সেইটো ২৬৩ কি.মি আৰু অন্যহাতে বাংলাদেশ আৰু ত্ৰিপুৰাৰ মাজত যি বৰ্ডাৰ আছে তাৰ দৈৰ্ঘ্য হৈছে ৮৪০ কি.মি । আজি আমাৰ ৰাজেদ আলি চৌধুৰী ডাঙৰীয়াই তেওঁৰ বক্তব্যত কৈছে যে দুখীয়া লোকসকলক ভূমি প্ৰদান কৰিব লাগে। আমাৰ চৰকাৰৰ মূল নীতি হৈছে 'চবকা চাথ, চবকা বিকাশ , চবকা বিশ্বাস' আৰু সেই কাৰণে যোৱা চাৰে চাৰি বছৰত আমাৰ চৰকাৰৰ ফালৰ পৰা যিসমূহ আঁচনি গ্ৰহণ কৰা হৈছিল সেই আঁচনিসমূহ সেই দৃষ্টিৰে জনসাধাৰণৰ মাজলৈ আগুৱাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। দুখীয়া লোকসকলৰ ছাত্ৰ- ছাত্ৰীৰ নাম ভৰ্ত্তি বিনামূলীয়া কৰা হৈছে। আমাৰ চৰকাৰে অসমৰ জনসাধাৰণক স্বাভিমানেৰে জীৱন যাপনৰ বাবে 'অটল অমৃত কাৰ্ড ' প্ৰদান কৰিছে। আমি যদি চেনচাচ ৰিপোৰ্ট চাওঁ উপাধ্যক্ষ মহোদয়, যিটো অসমৰ এটা জ্বলন্ত সমস্যা যাক লৈ প্ৰত্যোকটো নিৰ্ব্বাচনত ৰাজনীতি হয়, সেইটো কিন্তু খুৱেই উদ্বেগৰ কথা। কাৰণ অসমৰ জনসাধাৰণে ১৯৭৯ চনত অস্তিত্ব বিপন্ন হৈছে বুলি

সংগ্ৰাম কৰিবলগীয়া হৈছিল। জাতি- মাটি , ভেটি, কৃষ্টি,সংস্কৃতি, ঐতিহ্য- পৰম্পৰা ৰক্ষা কৰিবলৈ আমি সংগ্ৰাম কৰিবলগীয়া হ'ল। সেই সময়ত যিসকল লোকে অস্তিত্ব বিপন্ন কৰিছে বুলি সংগ্ৰাম কৰা হৈছিল সেইসকলৰ পাৰ্চেন্টেজ আছিলে মাত্ৰ ১৮ শতাংশ। ২০১১ সেই পাৰ্চেন্টেজ পালেগৈ ৩৪ শতাংশ আৰু ২০২১ চনত এষ্টিমেট কৰা হৈছে যে ৪০ শতাংশ হ'ব। এনে ধৰণে যদি জন বিস্ফোৰণ ঘটে তেন্তে গৃহহীনৰ সংখ্যা নিশ্চিতভাবে বাঢ়ি যাব। কিন্তু আমাৰ চৰকাৰৰ তৰফৰ পৰা যিসকল দুখীয়া সেই সকলক এডোখৰ মাটিৰ অধিকাৰ প্ৰদান কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়, আগন্তুক দিনৰ জানুৱাৰী মাহৰ ভিতৰত ১ লাখ খিলঞ্জীয়া জাতি -জনগোষ্ঠীসকলৰ বাবে আকৌ ভূমি অধিকাৰ প্ৰদান কৰিবলৈ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। মই নিশ্চিত আগন্তুক দিনবিলাকত ৰাজহ বিভাগৰ তৰফৰ পৰা কৰা এই কাম অসমত যুগমীয়া হৈ ৰ'ব। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আমি যেতিয়া বিধায়কৰ দায়িত্ব গ্ৰহণ কৰিলো তেতিয়া বহুতো লোক ভূমি পট্টা বিচাৰি আমাৰ ওচৰলৈ আহিছিলে। যিবিলাক মাটিত তেওঁলোকে যুগ যুগ ধৰি পূৰ্ব্বপুৰষসকলৰ সময়ৰ পৰাই বসবাস কৰি আহিছে তাত ভূমি পট্টা বিচাৰিছে এই বিষয়বিলাকত যেতিয়া আমি গভীৰলৈ সোমাই গলো তেতিয়া দেখিলো যে সেই ভূমিৰ অধিকাৰ প্ৰদান কৰা যিবোৰ কাৰ্য্যালয় আছে সেইবিলাকৰ এতিয়া সংস্কাৰৰ প্ৰয়োজন আছে। কাৰণ মণ্ডলে কন্দল লগায় বুলি কথা এটা অসমীয়া সমাজত কথিত আছে। জনসাধাৰণে তেওঁলোকৰ ওচৰলৈ যাবলৈ ভয় কৰে। মই এটা গল্প পঢ়িছিলো , গল্পটোত ইমান ধুনীয়াকৈ গল্পকাৰে উপস্থাপন কৰিছে যে এজন খেতিয়কে খেতি কৰাৰ পিছত জমিদাৰে তেওঁৰ মাটি বুলি দাবী কৰিলে। সেই গোটেই বিষয়টো যেতিয়া মণ্ডল অফিচলৈ মীমাংসা কৰিবলৈ গ'ল তেতিয়া বছৰৰ পিছত বছৰ অফিছলৈ তাত বাতি কাঢ়ি সেই খেতিয়ক জন সৰ্ব্বসান্ত হ'ল। তেও শেষত খেতি বাতি এৰি কাপোৰ বিক্ৰি কৰিব লগা হ'ল, হালৰ গৰু বিক্ৰি কৰিব লগা হ'ল। কিন্তু সেই মাটিৰ ৰায়টো কিন্তু ৫ বছৰেও তেওঁ নাপালে। এনেধৰনে বহুতো কথা আমাৰ এই কাৰ্য্যলয়বোৰত চলি আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে যাতে এই চাৰ্কোল অফিচৰ পৰিবেশ ভাল হয়, কাম-কাজবিলাক ভাল হয় , তাৰ বাবে যেন তেখেতে দৃঢ় পদক্ষেপ লয় । এই ক্ষেত্ৰত কিছু সংস্কাৰৰ প্ৰয়োজন আছে। কাৰণ তৃণমূল পৰ্য্যায়ত চৰকাৰী কাৰ্য্যালয় হিচাপে চাৰ্কোল অফিচসমূহ থাকে। কিন্তু জনসাধাৰণ তালৈ নাযায়। মোৰ অভিজ্ঞতাৰ ফালৰ পৰা কওঁ, মোৰ সমষ্টিৰ মাজেৰে এটা নেশ্যনেল হাইৱে গৈছিলে , এন এইচ- ৫২ (পি) । কাম আৰম্ভ হ'ল, এজ পাৰ ল- ৰাজহ বিভাগৰ তৰফৰ পৰা মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হ'ল, এই পথটো লাহোৱালতো পৰে, সোণাৰীতো পৰে, টিংখঙতো পৰে । পথৰ দুয়ো কাষে থকা অধিকাংশ মাটিয়ে চৰকাৰী মাটি । সেই মাটিত থকা মানুহখিনি কিন্তু খিলঞ্জীয়া মানুহ। এজ পাৰ ল- চৰকাৰী মাটিত কোনো মূল্য দিয়া নাযায়। আনহাতে ভূমি অধিগ্ৰহণৰ Zonal Rate টোৰো যথেষ্ঠ তাৰতম্য আছে। এই বিষয়টো লৈ আমাৰ শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাত ৭ বছৰ ধৰি আন্দোলন হ'ল। সাত বছৰে ভূমি অধিগ্ৰহণৰ ক্ষেত্ৰত অমীমাংসিত হৈ ৰ'ল। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত সেই সময়ৰ মুখ্য সচিব ভি কে পিপাৰচেনীয়া ডাঙৰীয়াৰ কাৰ্য্যালয়ত আমাৰ ৰেভিনিউ ডিপাৰ্টমেন্টৰ কমিশ্যনাৰ আৰু পি ডব্লিউ ডি ডিপাৰ্টমেন্টৰ কমিশ্যনাৰ , ডিব্ৰুগড় জিলাৰ উপায়ুক্তকে ধৰি, আৰু সেই সময়ৰ গড়কাপ্তানি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া একেলগে বহি আমি সিদ্ধান্ত গ্ৰহণ কৰিলো যে যিহেতু চৰকাৰী মাটিৰ মুল্য এচ পাৰ ল দিব পৰা নাযায় গতিকে কিবা এটা কৰি তেওলোকক কিঞ্চিৎ এটা মুল্য দিব পৰা যায় নেকি? Rate Enhencement ৰ এটা দাবী আছিলে- কোৱা হৈছিলে শিৱসাগৰৰ ৰেটটো বেছি

গতিকে ডিব্ৰুগড়ৰ জিলাৰ মূল্যটোও বেছি কৰিব লাগে। এইবিলাক সমস্যা আছে বাবে উন্নয়ণৰ যি কাম এইবোৰ সময়মতে হৈ নুঠে। সৌভাগ্যৰ কথা পৰৱৰ্ত্তী সময়ত মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দ্দেশত আমি এই সমস্যা সমাধান কৰিবলৈ সক্ষম হ'লো। চৰকাৰী মাটিত যি সকলে ভোগ দখল কৰি আছিল তেখেতসকলৰ যি ভূমি Equisition হ'ল তাৰ বাবে মাটি পট্টা আবন্টণ দিম। আমি ৮৬৩ টা পৰিয়ালক ভূমি পট্টা দিবলৈ সক্ষম হ'লো। যিসকলক কিঞ্চিৎ মূল্য দিব পৰা নাযায় তেওঁলোকক কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি দিবলৈ আমি সক্ষম হ'লো। Rate Enhencement ৰ যি দুখন জিলাৰ তাৰতম্য আছিলে পৰৱত্তী সময়ত সেই জিলা দুখনত Divisional Commissioner arbitator নিযুক্ত কৰি পৰৱৰ্ত্তী সময়ত এনালাইচিচ কৰি সেই ৰিপোৰ্ট পঠোৱাৰ পিছত সেই সমস্যাটো সমাধান কৰিবলৈ সক্ষম হ'লো। মোৰ ক'ব বিচৰা কথাটো হ'ল- উন্নয়ণৰ দিশত আগুৱাই যোৱাৰ বাবে ৰাজহ বিভাগটো ওতঃ প্ৰোতভাবে জড়িত হৈ থাকে । সৌভাগ্যৰ কথা যে যোৱা কেবিনেটত সিদ্ধান্তমৰ্মে অসমৰ Road Communication Development ৰ কাৰনে যি 'অসম মালা' আঁচনি চৰকাৰৰ তৰফৰ পৰা আগন্তুক দিনত হ'ব তাতো যাতে লেণ্ড ৰিকুইজিশ্যনৰ ক্ষেত্ৰত কোনো বিশেষ দীঘলীয়া সময় ল'বলগীয়া নহয় তাৰ বাবে এটা উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰিছে গতিকে মই ভাবো গোটেই বিষয়টো ৰাজহ বিভাগৰ লগত ভূমিৰ অধিকাৰ উপৰিও আমাৰ ডেভল'পমেন্টৰ কথাও জড়িত হৈ আছে। গতিকে আগন্তুক দিনত আমাৰ চৰকাৰখনে এটা সুৰক্ষিত ভবিষ্যতৰ বাবে যি যুগান্তকাৰী পদক্ষেপ লৈছে, ভুমিহীন সকলোলৈ ভূমি প্ৰদান কৰাৰ যিটো ব্যৱস্থা গ্ৰহণ কৰিছে । এই পদক্ষেপটো যাতে খৰতকীয়া কৰে তাৰ বাবে অনুৰোধ জনাইছো । তাৰ লগে লগে আমাৰ যি লেণ্ড পলিচি আছে সেই লেণ্ড পলিচিৰো সংস্কাৰৰ প্ৰয়োজন আছে। আমাৰ ৰেকৰ্ড চিষ্টেমৰ পৰা আৰম্ভ কৰি কম্পিউটাৰাইজেশ্যনৰ পৰা এই বিষয় বিলাক বাস্তৱমুখী কৰি তোলাৰ কাৰণে মই আহ্বান জনাইছো । এই কৰ্ত্তন প্ৰস্তাৱক বিৰোধিতা কৰি আৰু আগন্তুক দিন বিলাকত আমাৰ যি খিলঞ্জীয়া জাতি জনগোষ্ঠী আছে তেওঁলোকক আমি ভূমি পট্টা প্ৰদান কৰিম আবন্টন দিম এই ক্ষেত্ৰত আমাৰ ডিপাৰ্টমেন্টৰ কথাও জৰিত হৈ আছে গতিকে আগন্তুক দিনত আমাৰ চৰকাৰখনে এটা সুৰক্ষিত ভবিষ্যতৰ ক্ষেত্ৰত যি যুগান্তকাৰী পদক্ষেপ লৈছে, ভূমিহীনসকললৈ ভূমি প্ৰদান কৰা যিটো ব্যৱস্থা গ্ৰহণ কৰিছে এই পদক্ষেপ ৗ খৰতকীয়া কৰাৰ বাবে অনুৰোধ জনাইছো । তাৰ লগে লগে যি টো আমাৰ লেণ্ড পলিচি আছে, সেই লেণ্ড পলিচিৰো সংস্কাৰ কৰি ৰেকৰ্ড চিষ্টেমৰ পৰা আৰম্ভ কৰি কম্পিউটাৰাইজেশ্যনৰ পৰা এই কথাবিলাকো বাস্তৱমুখী কৰি তোলাৰ বাবে মই আহ্বান জনাইছো। এই কৰ্ত্তন প্ৰস্তাৱক মই বিৰোধিতা কৰিছো। আগন্তুক দিন বিলাকত আমাৰ যি খিলঞ্জীয়া জাতি জনগোষ্ঠী আছে তেওঁলোকক আমি ভূমি পট্টা প্ৰদান কৰি আৰু এই ক্ষেত্ৰত আমাৰ এচ টি, এচ চি, ও বি চি আদিক অগ্ৰাধিকাৰ দি যাতে আমি আগুৱাই লৈ যাব পাৰো এইখিনি কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**উপাধ্যক্ষ মহোদয় ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য ভূবন পেগু।

**শ্ৰীভূৱন পেগু, জোনাই ঃ** উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে, ৰেভিনিউ ডিপাৰ্টমেন্টক কেন্দ্ৰ কৰি, এই কৰ্ত্তন প্ৰস্তাৱটোত এই বাৰৰ Supplimentary Department ৰ বাজেটত যিখিনি প্লেছ কৰিছে তাৰ ভিতৰত আছে ৯৫ হাজাৰ গাড়ী ভাড়া দিয়াৰ বাবে । ২ নংত আছে এডভোকেটৰ ফিজৰ বাবে ২৯ লাখ । উপাধ্যক্ষ মহোদয়। ৪ নং পইন্টটো মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিছাৰিছো । 14 Crore 50 lacs is requiard for enhence

remuneration of  The Gaonburas. এই গাওঁবুঢ়াসকলৰ যিটো ৰেমুনাৰেশ্যন আছে সেইটো এনহেন্স কৰাৰ কাৰণে যিটো ১৪ কোটি ৫০ লাখ ধৰিছে ইয়াৰ আঁত ধৰি  ক'ব বিচাৰিছো যে মোৰ সমষ্টিৰ  জোনাই মহকুমাত ৰেভিনিউ গাওঁ আছে ১৯৪ খন Non Cadastral Village আছে ৬০ আৰু Forest Reserved Area  বুলি ৬০-৭০ খনমান গাওঁ সিঁচৰিত হৈ আছে য'ত ৰিজাৰ্ভ ফৰেষ্ট নাই অধ্যক্ষ মহোদয়। ৩০০ খনতকৈ অধিক গাওঁৰ ভিতৰত  চৰকাৰী গাওঁবুঢ়া আছে মাত্ৰ ৪ জন যিকেইজনে চৰকাৰী  ৰেমুনাৰেশ্যন পায়। এই বিষয়টো বাৰে বাৰে চৰকাৰীভাৱে উত্থাপন কৰি থকা হৈছে। আজি ২০০০ চনৰ পৰা ২০২০ চনলৈ ২০ বছৰ ধৰি এইটো উত্থাপন কৰি থকা হৈছে । অকল ৪ জন গাওবুঢ়াই ৩০০ তকৈ অধিক গাওঁ চলাব পাৰেনে নোৱাৰে ? নোৱাৰে বুলি ধৰি লৈ ৮০ জনতকৈ অধিক গাওঁবুঢ়া এপইন্টমেন্ট দিলে-  অনাৰেৰী গাওঁবুঢ়া বুলি কোৱা হৈছে। কিন্তু তেওঁলোক ২০ বছৰতকৈ  অধিক  কাল চাৰ্ভিছ দিছে কিন্তু চাৰি অনাও নাপায়। চৰকাৰী গাওঁ বুঢ়াই মোবাইল ফোন  ফ্ৰি পায়, দৰমহা পায় কিন্তু তেওঁলোকে একো নাপায়। কিন্তু সমানে কাম -কাজ কৰি আছে । Flood Duty, Relief Duty সমানে কৰি আছে। সকলো কামত চৰকাৰী গাওবুঢ়াৰ সমানে পৰিশ্ৰম কৰি আছে- এতিয়া চৰকাৰখনক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এইবাৰ যিটো  চৰকাৰী গাওবুঢ়াৰ enhence  remuneration  আহিছে যেতিয়া  এইবাৰ  তেওলোকক  প্ৰদান কৰিব । মই ভাবো যে মোৰ সমষ্টি আৰু ধেমাজী জিলাৰ পৰা যি ১২১ জন গাওঁবুঢ়াৰ  ৰেমুনাৰেশ্যনৰ প্ৰপোজেল আহিছে,  যিখিনি বেচৰকাৰী গাওঁবুঢ়াই আজি ২০-২৫ বছৰ ধৰি চাৰ্ভিছ দি আছে এখেতসকলক চৰকাৰী গাওঁবুঢ়াৰ মৰ্য্যদা দিব লাগে বুলি মই চৰকাৰৰ দৃষ্টি গোচৰ কৰিছো। অধ্যক্ষ মহোদয়, এটা কথা ভাল লাগিছে যে  আমাৰ চৰকাৰখনে লাখ লাখ মানুহক ভূমিৰ পট্টা দি আছে। আমি আৰু  ভূমিৰ পট্টা দিম। কিন্তু এটা কথাত  দুখ লাগে যে, আমাৰ আগৰ চৰকাৰৰ কিছু  ভূল  সিদ্ধান্তৰ বাবে এতিয়া "লাইকা-দধিয়া"  নামৰ দুখন গাওঁ  , যিটো   ছৈ-খোৱা Wild Life Sanctuary ত আছে।  চেংচুৰেৰী ক্ৰিয়েট কৰোতে সেই দুখন গাওঁ আছিলেই কিন্তু ফৰেষ্ট ডিপাৰ্টমেন্টে ভাবিলে জংখলৰ মাজত থাকিব গতিকে এই গাওঁদুখন Forest Village কৰি দিলে। এতিয়া ফৰেষ্ট ভিলেজ বুলি কৈ দিয়াৰ পাছত যুগ যুগ ধৰি তাত থকা খিলঞ্জীয়া লোকসকল মানে ১২০০তকৈ অধিক মানুহ, পৰিয়ালে একো চৰকাৰী আঁচনিৰ সুযোগ নাপায়। আমি ইয়াত ধুনীয়াকৈ ধুনীয়া ধুনীয়া আঁচনিৰ কথা পাতো  যে কেনেকৈ দেশখন উন্নতিৰ পথত আগবঢ়াই নিব পাৰো। পি এম জি এচ ৱাইৰ ৰাস্তা, পকী দলং, ৰাস্তা, গাওঁে গাওঁে ইলেক্ট্ৰিচিটি কানেকশ্যন হোৱা বুলি কওঁ, মাটিৰ পট্টা, ৰেচন কাৰ্ড আদি পাইছে বুলি কওঁ  কিন্তু এই লাইকা- দধিয়াৰ খিলঞ্জীয়া মানুহে একো নাপায়। ছাৰ আমাৰ চৰকাৰ অহাৰ পিছত এটা সিদ্ধান্ত ল'লে যে ১০ কোটি টকাৰ পেকেজ এটা ঠিক কৰি এইখিনি মানুহ  ৰিএলোকেট কৰাৰ কাৰনে সিদ্ধান্ত ল'লে। চৰকাৰে Revenue Department ক জনালে যে ক'ত ক'ত এনেকুৱা মাটি আছে য'ত- এই মানুহখিনিক ৰিএলোকেট  কৰিব পাৰি ।  কিন্তু দুখৰ বিষয়টো এইটোৱে  ছাৰ , চৰকাৰৰ সদিচ্ছা আছে কিন্তু অফিচাৰবোৰৰ সদিচ্ছা নাই । Revenue Department  য়ে লিখি দিয়ে যে এইখিনি অঞ্চলত ২০০০ বিঘা মাটি আছে। এই সকল লোকক ইয়াতে ৰি এলোকেট কৰিব পৰা যাব। ইফালে ডিপাৰ্টমেন্ট লেভেলৰ কেছৰ কাৰণে ফৰেষ্টে কয়  ফৰেষ্টৰ মাটি ৰেভিনিউ কয় অমুকৰ মাটি  । এই ক্লেশবিলাকৰ বাবে এই কামবিলাক কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, এইখিনি মানুহে আজি ১০-১২ দিন ধৰি ধৰ্না দি আছে। এইবাৰ বানপানী হ'লে ঘুৰি যাবলৈ ঠাই নাই এখেতসকলৰ। উপাধ্যক্ষ মহোদয়, মানবীয় গুনৰ খাতিৰত মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব

বিচাৰিছো যে এই ১২০০ ঘৰ মানুহৰ বাবে ২০০০ বিঘা মাটি অসমত পোৰা নোপোৰা লৈ চৰকাৰে অলপ চিৰিয়াচলি বিষয়টো লৈ টেক আপ কৰিব লাগে । এই কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াও অৱগত আৰু ৰাজহ বিভাগৰ মন্ত্ৰীও অৱগত ।ৰাজহ আৰু ফৰেষ্ট ডিপাৰ্টমেন্ট দুয়োটা বিভাগৰ যিখিনি ক্লেশ আছে সেইখিনি মীমাংসা কৰি এই ১২০০ পৰিয়ালক সকাহ দিব লাগে। শেষত, এটা কথা মই বিৰোধীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমি আমাৰ খিলঞ্জীয়া ভূমিপুত্ৰসকলক ১ বিঘা মাটি দিব পৰা নাই তেনে অৱস্থাত এইখন অসমতে লাখ লাখ বিদেশী মানুহক চৰকাৰে ক'ত সংস্থাপন দিব? কথাবিলাক যে কিমান মিছা এইবোৰে প্ৰমাণ কৰি আছে। মই এইখিনি কৈ আমাৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে চৰকাৰে খিলঞ্জীয়া মানুহক ভুমি পট্টা দিয়াৰ ব্যৱস্থা কৰিছে। আমি নিজ হাতেৰে পট্টা দিব পাৰিছো। ৰাইজক বিলাব পাৰিছো। শেষত আমাৰ অঞ্চলৰ গাওঁবুঢ়াখিনিৰ বাবে এই চৰকাৰৰ দিনতেই ৰেমুনাৰেশ্যন যাতে দিব পাৰে এই বিষয়ত ৰাজহ মন্ত্ৰীয়ে ব্যৱস্থা কৰে যেন। মই ৰাজহ মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতে আজি ৩.৩০ বজাত আমাৰ গাওঁবুঢ়াসকলক সাক্ষাৎ কৰাৰ বাবে appointment দিছে গতিকে আজি ইয়াৰ এটা মীমাংসা ওলাব বুলি মই আশা কৰিছো যিহেতু বাজেটত টকাটো ধৰা আছে। এইখিনিকে কৈ মই আমাৰ চৰকাৰক পুনৰ বাৰ ধন্যবাদ জ্ঞাপন কৰি বিৰোধীয়ে যি কৰ্ত্তণ প্ৰস্তাৱ আনিছে তাৰ তীব্ৰভাবে বিৰোধিতা কৰি অধিক পুঁজি দি ৰাজহ বিভাগক শক্তিশালী কৰি তুলিব লাগে ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিছো।

**অধ্যক্ষ মহোদয় ঃ** Thank You

**ডাঃ নোমল মোমিন, বোকাজান ঃ** Point of order Sir. ইয়াতে গাওঁবুঢ়াৰ কথাটো যেতিয়া আহিছে , মই এটা কথা ইয়াত যোগ কৰিব বিচাৰিছো যে কাৰ্ব্বি -আংলঙৰ গাওঁবুঢ়াসকলে ৭০০ টকা দৰ্মহা পায় গতিকে অসম চৰকাৰৰ পৰাই অসমৰ ভিন্ন প্ৰান্তৰ গাওঁবুঢ়াসকলে দৰ্মহা ৭০০০ টকা পায় গতিকে কাৰ্ব্বি আংলঙৰ ক্ষেত্ৰত এইটো injustice হৈছে। গতিকে অসম চৰকাৰে কাৰ্ব্বি আংলঙৰ গাওঁবুঢ়াসকলক ৯ হাজাৰ টকাকৈ দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তাৰ কাৰণে যাতে পুঁজি আবন্টণ দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ-- এতিয়া সত্যব্ৰত কলিতা

**শ্ৰীসত্যব্ৰত কলিতা (কমলপুৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বেছিকৈ নকওঁ, আমাৰ সন্মানীয় সদস্য বৃন্দাবন গোস্বামী, প্ৰদীপ হাজৰিকা দুয়োজনে কব বিচাৰি আছে আৰু বহুখিনি খুব যোগাত্মক কথা ইয়াত আলোচনা হৈছে তাৰ কাৰণে আমি ধন্যবাদ দিছো। প্ৰথমে বিৰোধী পক্ষই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি দুটামান কথা ইয়াত কব বিচাৰিছো। কথাখিনি কওঁতে নিশ্চয়কৈ আমি বিধায়ক বিলাকে যিবিলাক সমস্যা মুখামুখি হওঁ, সেই কথা দুটামান ইয়াত উল্লেখ কৰিব লাগিব। মাটি বা ভূমিটোৰে সমস্যা। মহাভাৰতত যেতিয়া পঞ্চপাণ্ডৱে ধৃতৰাষ্ট্ৰক কৈছিল যে আমি ৫ জন ভাই ৫ খন গাঁও দিয়ক, তেতিয়া দুৰ্যোধনে কৈছিল যে বিনাযুদ্ধে নাহি দিবো সুচাগ্ৰমেতনি। অৰ্থাৎ যুদ্ধ নকৰাকৈ এক কঠা মাটিও নিদিও। তেতিয়াৰ পৰা মাটিৰ কাজিয়াটো আজিও আছে। এতিয়াও গাঁৱে গাঁৱে কাজিয়া হয় ঘৰে ঘৰে। এইটো চলিয়ে থাকিব। কিন্তু সমস্যাটো হ'ল আমি যিবিলাক ভি জি আৰ, পি জি আৰ কথাটো বহুত আলোচনা হ'ল সেইটো নতুনকৈ আৰু আলোচনা কৰিব খোজা নাই, কিন্তু ভি জি আৰ, পি জি আৰৰ কথাটো আহিল ২০১১ চনৰ পৰা। আজি ৫০ বছৰ ধৰি যিবিলাক অনুষ্ঠানে সেই মাটিত কোনোৱাই বিদ্যালয় পাতিছে, কোনোৱাই অফিচ কাছাৰী পাতিছে সেইবিলাকৰ মাটিও কিন্তু ইয়াৰ পৰা কাগজখন ওলাই নাযায়। মোৰ

কমলপুৰ সমষ্টিত এখন মহাবিদ্যালয় আছে তাৰ মাটিটো ১৯৮৫ চনতে দিয়া, কিন্তু আজিৰ তাৰিখতো মাটিটোৰ এলোটমেন্ট নিদিয়ে। বৃন্দাবন হায়াৰ চেকেণ্ডাৰী আছে, তেওঁলোকৰ মাটিটো ১৯৮৬ চনত এলোটমেন্ট দিয়া হৈছিল কিন্তু আজিৰ তাৰিখত তেওঁলোকৰ মাটিৰ কাগজখন উলিয়াই নিদিয়ে। তেওঁলোকে গৈ চুপ্রিম কোৰ্টত verdic আছে। চুপ্রিম কোৰ্টৰ verdicৰ আগত যিখিনি মাটি আমি পাব লাগিছিল সেইমাটি খিনি আমি কিয় নাপওঁ? আন এটা সমস্যা উপাধ্যক্ষ মহোদয়, যে মোৰ তাত আঠগাঁৰত মথাউৰী ভাঙিলে, বহু নদীয়ে মথাউৰী ভাঙে, মথাউৰী ভঙাৰ পিছত যেতিয়া বালিটো ওলাই গৈ কৃষিভূমি নষ্ট কৰে, এইটো এটা বহুত গুৰুত্বপূর্ণ কথা, কৃষিভূমি যেতিয়া নষ্ট হয়, তাত যেতিয়া বালি পৰি থাকে তেতিয়া তাৰ মালিকটো হৈ গৈ বন বিভাগ। এতিয়া কিন্তু উদ্ধাৰ কৰিবৰ কাৰণে বন বিভাগে কিন্তু কোনো ব্যৱস্থা কৰি নিদিয়ে। আমাৰ ৰাজহ মন্ত্রী ডাঙৰীয়াক এই কথাটো দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। যিবিলাক কৃষিভূমি নষ্ট হ'ল, সেই কৃষিভূমি নষ্ট হোৱা বালিখিনিৰ মালিকো আচলতে মই যদি পট্টাদাৰ মই যদি সেই মাটিটোৰ মালিক মই হ'ব লাগে। আৰু যদি মই নহয় এইটো বনবিভাগে লৈ যাওঁক আমাৰ কবলগীয়া নাই। কিন্তু সেই মাটিখিনি যদি এজন সাধাৰণ কৃষকে এটা পিটনি পুতিবলৈ লৈ যায় তেতিয়া বনবিভাগে বাটত ধৰি তেওঁলোকক অপদস্থ কৰে বা থানালৈ লৈ যায় বা বনবিভাগে তেওঁলোকক লৈ যায়, টেক্টৰ খন ৰিকুৱেজিচন কৰি এক লাখ টকা দিমাণ্ড কৰে এই কথাটো সদায় চলি আহিছে। আৰু যদি মাটিটো গড়াখহনীয়া হৈ নদী বৈ যায় সেইটোৰ মালিক জলসম্পদ বিভাগ হৈ যায়। বালিটোৰ মালিক বনবিভাগ, পানীটোৰ মালিক জলসম্পদ বিভাগ আৰু আচলতে মাটিটোৰ মালিক আছিলো মই। গতিকে ৰাজহ বিভাগৰ লগত যদি বনবিভাগ বা জলসম্পদ বিভাগৰ যদি এটা যোগাসূত্র নহয় তেনেহলে এই সমস্যাটো সদায় থাকিব। বহু নদীয়ে মাটি গড়াখহনীয়া কৰিলে সেইটো কাৰোবাৰ পট্টাদাৰ মাটি আছিল, হোৱাৰ লগে লগে তেওঁলোকে বিক্রী কৰি দিলে মোৰ সমষ্টিত কোনোবা গৈ নদীৰ বুকুতে তেওঁলোকে পোষ্ট পুতি দিলে যে ইয়ালৈকে মোৰ মাটি, নদীখন বন্ধ কৰি দিব স্কুল পাতিব। গতিকে এই ধৰণৰ সমস্যা বিলাক আমৰ যদি বিভাগ সমূহে অকমান সৰলিকৃত নকৰে তেনেহলে আমাৰ কৃষক সকলে, আমাৰ যিখিনি প্রকৃত মানুহ সেই মানুহখিনিয়ে নিশ্চয় সদায় এই ধৰণৰ সমস্যা ভূগিয়ে থাকিব। আমি খিলঞ্জীয়া বুলি কলে বৰ দিক্‌দাৰ, খিলঞ্জীয়া কোন এইটোক লৈ ডাঙৰ প্রশ্ন সুধি দিব। মই চমু কৰিছো। কিন্তু আমাৰ খিলঞ্জীয়া মানুহে ২০০ বছৰ ধৰি মাটি দখল কৰি থকাৰ পিছতো সেই মাটিবিলাক কোনোবা ভূ দানৰ মাটি আছিল, কোনোবাই ৰায়ত হিচাপে খায় আছে, সেই মাটিবিলাকো যাতে তেওঁলোক ভূমিহীন নহয়, কিন্তু তেওঁলোকৰ মাটি থকাৰ পিছতো তেওঁলোকৰ মাটিতো তেওঁলোকৰ নামত নামজাৰি নহয়। এই কথাটো মই ৰাজহ মন্ত্রী ডাঙৰীয়াৰ দৃষ্টি আকর্ষণ কৰিছো। আমাৰ উদ্যোগ মন্ত্রী ডাঙৰীয়া আছে, উদ্যোগ মন্ত্রী ডাঙৰীয়াই জানে যে মোৰ সমষ্টিত ৭৫ বিঘা মাটি চেলক দি আছো, বহুবাৰ কলো বিধান সভাৰ মজিয়াত। ৰাজহ বিভাগে উদ্যোগক মাটিতো দি দিয়ে কিন্তু উদ্যোগ যদি নকৰে সেই মাটিতো ঘুৰাই আনিবলৈ বহুত বছৰ লাগে। গতিকে যিবিলাকে উদ্যোগ নকৰে সেই মাটিতো তৎকালীন ভাৱে যাতে ৰাজহ বিভাগলৈ ঘুৰাই দিয়াৰ ব্যৱস্থা কৰে সেই কথা নকৰিলে বহুতে মাটিতো লৈ থাকি উদ্যোগ নকৰে। এই সমস্যাটো বহুত সমস্যা হৈছে। গতিকে এইবিলাক সমস্যা সৰলিকৃত কৰিবৰ কাৰণে গাওঁবুঢ়াৰ কথাটো কৈছে, মই নকওঁ, খিলঞ্জীয়াৰ কথাটো কোৱাৰ লগে লগে আমি ভাৱো যে ভূমিহীন শব্দটো বৰ সাংঘাতিক শব্দ। ভূমিহীন মানে বেদখলকাৰী ভূমিহীন, নে পট্টাধাৰী ভূমিহীন। নদীৰ বুকুত যেতিয়া জাহ যায়, বহুত মানুহ আছে তেওঁলোকে গোৰ মাৰি গংগাত পেলাই দিয়ে। মোৰ মাটি নাছিল, নদীৰ পাৰত

আছিল, গড়াখহনীয়া হ'ল এতিয়া ভূমিহীন বুলি ডিমাণ্ড কৰিছো। গতিকে মই ভাৱো এই কাম বিলাক কৰিবৰ কাৰণে মোৰ এটা পইন্ট আছিল আচলতে এইখিনি কথা মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দি কব লাগিব কাৰণ ৰাজহ মন্ত্ৰী ডাঙৰীয়াই মোলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে, যে মই বহুবাৰ বিধান সভাৰ মজিয়াত আমাৰ সমষ্টিটো যিহেতু ১৭৫০০০ ভোটাৰৰ সমষ্টি, তাত এটায়ে ৰাজহ চক্ৰ বিষয়াৰ কাৰ্য্যালয় কমলপুৰ, আমি কিছুমান যাব লাগে ৰঙিয়াত, কিছুমান যাব লাগে গৰেশ্বৰত, সেইকাৰণে বহুদিন ধৰি ডিমাণ্ড কৰি আহিছো যে বিহদিয়া অঞ্চলত বিহদিয়া জাজিকোণা ব্লকৰ কাষত এটা ৰাজহ চক্ৰ নতুনকৈ স্থাপন কৰিব লাগে। যাতে তিনিখন মৌজাৰ মানুহে সমষ্টিৰ বাহিৰত যাব লগীয়া নহয়। ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ চিঠিৰ উত্তৰত তাত নতুনকৈ এটা ৰাজহ চক্ৰ কৰিবলৈ বিচাৰিছো আৰু আশা ৰাখিছো আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী আছে, বিত্ত মন্ত্ৰীকো দেখিছো ৰাজহ মন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ দিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য গৰাকীয়ে অলপ চমু কৰক। সময় কম আছে, মন্ত্ৰীয়ে উত্তৰ দিব লাগিব।

**শ্ৰীসত্যব্ৰত কলিতা ঃ** মই আশা কৰিম যে এই নতুন বছৰত কমলপুৰ সমষ্টিৰ মানুহক ৰাজহ চক্ৰটো ৰাজহ মন্ত্ৰী ডাঙৰীয়াই উপহাৰ হিচাপে দিয়ে কমলপুৰত নতুন বছৰৰ উপহাৰ তাৰ কাৰণে অনুৰোধ জনাই মোৰ কবলগীয়া সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী। আপুনি ৪ মিনিটৰ ভিতৰত সমাপ্ত কৰিব লাগিব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** ৩ মিনিটতে শেষ কৰিম।

**শ্ৰী ৰফিকুল ইছলাম ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জিলাত গাওঁবুঢ়া নাই, মই এটা কথা কৈছো বহুত বছৰে। কাছাৰ জিলা, হাইলাকাণ্ডি, কৰিমগঞ্জ, গোৱালপাৰা, সমগ্ৰ বৰাক উপত্যকা, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো অতি সোনকালে গাওঁ বুঢ়া নিযুক্তি দি মানুহৰ সুবিধাৰ কাৰণে ব্যৱস্থাখিনি কৰিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব হ'ব, সময় নষ্ট নকৰিব। মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীআপুনি কওঁক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাই মই চমুকৈ কব বিচাৰিছো। বিশেষকৈ বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনে আৰু ইয়াত শাসক-বিৰোধীয়ে বক্তব্য-পৰামৰ্শ বিভিন্ন ধৰণে ৰাখে। এই বিভাগটো অসমৰ অতি গুৰুত্বপূৰ্ণ বিভাগ, এই বিভাগটোৰ এটা সংস্কাৰ হওক। আমি যদি চাও অসমৰ বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী কোন বুলি কলে আমি মাননীয় সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নামটো জানো। তেখেতৰ গৃহ সমষ্টি কোনটি বুলি যদি আমি মনলৈ আনো তেতিয়া মাজুলী আহে। মাজুলীৰ দক্ষিণ আহতগুৰিৰ উজনি মাজুলি ৰাজহ চক্ৰ বিভিন্ন গাঁৱত, মই পৰহীদিনাখন মাজুলীলৈ গৈছিলো, মাজুলী-নিমাটি দলঙত চেলফি লম বুলি আৰু এক্সপ্ৰে হাইৱে চাম বুলি আৰু লগতে ফ্ৰি ৱাই ফাইৰে ফটো পঠিয়াম বুলি গৈছিলো। দেখাটো নাপালো বাৰু, কিন্তু মই উজনি সোনোৱাল আৰু জাৰণি সোনোৱাল গাঁৱৰ লোক সকলক মই নিজে সাক্ষাৎ কৰিলো। সাক্ষাত কৰি মই সুধিলো আপোনালোকৰ মাটি পট্টা বোলে নাই, মঠাউৰীত আছো বোলে বহু বছৰৰ পৰা আৰু পট্টাৰ কথা কি হ'ল বোলে চৰকাৰে এইটো ঘোষণা কৰে আৰু কি কৰিব নাইপোৱা। এতিয়া এটা উদাহৰণে অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টি মাজুলীৰ মথাউৰীত দক্ষিণ আহতগুৰি, আহতগুৰি ৰাজহ চক্ৰ আৰু উজনি মাজুলী ৰাজহ চক্ৰ অন্তৰ্গত প্ৰায় ৮০০০ তকৈ অধিক পৰিয়াল আমি যদি পূৰণ কৰো তিনি বা চাৰিকে তেতিয়া আমি পাম ২০-২২ হাজাৰ

লোক মথাউৰীত আছে। তেওঁলোকক পট্টা এতিয়ালৈকে দিয়া হোৱা নাই বা পুনৰ সংস্থাপন এতিয়ালৈ কৰা হোৱা নাই। এইটো এটা উদাহৰণ যে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে সমষ্টিৰ লোক সকলকে সন্মান জনাব পৰা নাই। শাসক দলৰ বৰ্তমান চৰকাৰৰ এজন বিধায়কে কলে যে তেওঁ তথ্য নোহোৱাকৈ কথাবোৰ এনে হাৱাত মৰাৰ নিচিনাকৈ মাৰি আমাক অকমান দোখাৰোপ কৰিব বিচাৰিলে বা যি কি নহওঁক, লাইকাত যদি ১৪৭০ টা পৰিয়াল আছে, তেওঁ কলে ১২০০ পৰিয়াল, মই মিচিং জনগোষ্ঠীৰ হয় আৰু মিচিং জনগোষ্ঠীৰ তাত।

**শ্ৰী বিমল বৰা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেখেতে মাজুলী গৈ চৰজমিন তদন্ত কৰিলে।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি বহক।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীআপুনি কৰ্তন প্ৰস্তাৱ পক্ষে কওক, বেলেগ কথা নকওক।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য বিমল বৰা আপুনি বহক, অলপ বহক।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মীআপুনি কৰ্তন প্ৰস্তাৱ পক্ষে কওক, আপোনাৰ ৪ মিনিট শেষ হৈছে। আপুনি এক মিনিটৰ ভিতৰত শেষ কৰক।

(হুলস্থূল)

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** পুহ মহীয়া থাণ্ডাত কোলাত সন্তানলৈ প্ৰতিবাদ কৰি আছে, চৰকাৰী পক্ষৰ কোনো যোৱা নাই তাত।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ভূবন পেগু আপুনি বহক, অলপ বহক। সময় হেৰাই আছো, মন্ত্ৰীয়ে উত্তৰ দিব লাগিব নহয়। মাননীয় সদস্য আপুনি কিয় ইমান উত্তেজিত হৈছে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মোক কবলৈ দিয়ক, মই কোৱাৰ অধিকাৰ আছে।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী আপোনাৰ সময় শেষ হৈছে। এতিয়া মাননীয় সদস্য কুশল দেউৰী আপোনাৰ ৩ মিনিট সময় আছে, তিনি মিনিটৰ ভিতৰত শেষ কৰিব।

(হুলস্থূল)

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী আপুনি ৭ মিনিট নষ্ট কৰিছে। আপুনি নিজেই কৈছে ৩ মিনিটত শেষ কৰিব বুলি, আপুনি বহক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** আপুনি ৰখাব নোৱাৰিলে কেলে? মুখ্যমন্ত্ৰীৰ চাবুৱা সমষ্টিৰ নিজৰ পঞ্চায়তৰ আজি লাইকা বাসী ৰাইজৰ আজি ৯ দিন হ'ল পুহ মাহৰ থাণ্ডাত খিলঞ্জীয়া অসমীয়া লোকে প্ৰতিবাদ কৰি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** নাই নাই। আপোনালোকক মন্ত্ৰীৰ উত্তৰ নালাগে নেকি? আপোনালোকক বিধায়িনী দলৰ পৰা সময় ফিক্স কৰি দিয়াৰ পিছতো যদি সময় নষ্ট কৰে কেনেকৈ হ'ব?

(হুলস্থূল)

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** আমাৰ সদস্যই টো তেনেকুৱা আচৰণ কৰি হস্তক্ষেপ কৰা নাই, মই কওঁতে হস্তক্ষেপ কিয় কৰিব। মাজুলী গৈ মই নিজে চাই আহিছো।

(হুলস্থূল)

**माननीय अध्यक्ष ঃ** माननीय सदस्य ৰূপজ্যোতি কুৰ্মী এক মিনিটৰ কাৰণে অনুগ্ৰহকৰি বহক, সকলো বহকচোন। এইটো এটা কৰ্তনপ্ৰস্তাৱহে আছিলে।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক কৈছো, সবৰে মাত আছে সবে চিঞৰিব পাৰে। You should behave in a civilize way. সকলোকে কৈছো আমি civilize behave কৰিব লাগে, Please, you can't speak now.বহিবলৈ কৈছো civilize behave যদি নকৰো বাহিৰলৈ কি মেচেজ যায়, We are the public representatives.হয় আমাৰ খং উঠিব পাৰে, কাৰোবাৰ ওপৰত বেয়া হ'ব পাৰে, You can protest. কিন্তু চিঞৰ বাসৰ এনেকৈ এইটো ক'ত হয়? মই লজ্জানত হৈছো, মই লজ্যাত পৰিছো। মই কিবা এটা কাৰণে অকমান সময় বাহিৰত আছিলো, কালিলৈ এখন অধ্যক্ষ-উপাধ্যক্ষ মিলি এটা আলোচনা হ'ব তাৰ কাৰণে মই অকমান গৈছিলো। কি আছে, ক'ব খুজিছে কেতিয়াবা এজনে ক'ব আপুনি বাৰু কি ক'ব খুজিছে কওক, কুৰ্মী আপুনিও ক'ব আপোনালোকে যি কব খুজিছে কওঁক মই অলপ বহি দিছো। তেওঁলোকে যদি কিবা অসুবিধাত পেলাইছে আপুনি ক'ব লাগিছিল ঠিক আছে উপাধ্যক্ষ মহোদয় তেখেত সকলে কওঁক তাৰ পিছত মোক কবলৈ দিব। মইতো আপোনাক সদায় লক্ষ্য কৰো, মই সদায় লক্ষ্য কৰো মানুহখিনিক। ময়ো কেতিয়াবা দৰকাৰীতকৈ বেছিকৈ কেতিয়াবা তানকৈ কওঁ, মই নিজক বুজি পাওঁ নহয়, নিজক সংশোধন কৰিবলৈ চাব লাগিব আমি সকলোৱে। মোৰ কি ভুল নহয় নেকি, ময়ো নিজক সংশোধন কৰিব লাগিব। সদস্য সকলে এইটো কৰি থাকিলে কি হ'ব বাৰু, আৰু এতিয়া আপোনাৰ কিবা যদি পইন্ট আছে লিখিত হিচাপে দিব মই ৰেকৰ্ডত সোমাই দিম। আৰু আলোচনা নহয়। আপুনি যি দিব শুদ্ধকৈ দিব মই তাত সোমাই দিম। যদি অশুদ্ধ হয় মই আপোনাকে কম। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** লিখিত দিম, চাৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** চাৰ।

**শ্ৰী নুৰুল হুদা ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোক বহক। এজনে কলে হয় নহয়, দুয়োজনে কিয় থিয় হৈছে? আপুনি বহক, এজনে কলে হয় নহয়। ৰাজেদ ডাঙৰীয়া মই আপোনাক কথা এটা সুধিছো, কালি আমি সময় কৰিছো মন্ত্ৰীয়ে ৩০ মিনিট উত্তৰ নিদিয়ে, মই ৩০ মিনিটতকৈ কবলৈ নিদিও বাৰু।

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** প্ৰকৃততে আমি সময় বেছি লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** সময় সবৰে অলপ অলপ কাট হ'ব পাৰে। ২ মিনিট, ৩ মিনিট কাৰোবাৰ কাট হ'ব পাৰে। সেই কাৰণে আমি সদায় আলোচনা কৰো আপোনালোকৰ কংগ্ৰেছ বিধায়িনী দলৰ ৪৫ মিনিট ইতিমধ্যে দিছে, ৰূপজ্যোতি কুৰ্মীৰ ৫ মিনিটে ৫০ মিনিট হ'ব। কাৰণ আপোনাৰ ৫ মিনিট দেৱব্ৰত শইকীয়া, আৰম্ভণিৰ পৰা তেখেত আছে কাৰণে ৫ মিনিট ধৰি দিছে, তেতিয়া থিয় হওঁতে মোভ কৰিছে। তাৰ কাৰণে মইটো কেইমিনিটমান বঢ়াই দিম। ৫ মিনিট, ৯ মিনিট ৰাজেদ আলী চৌধুৰী মুঠ ১৪ মিনিট। শেৰমান আলী আহমেদ ১৬ মিনিট, এতিয়া ৩০ মিনিট হ'ল। তাৰপিছৎ কমলাক্ষ দে পুৰকায়স্থই দিছে ১৬ মিনিট।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** আমি দিয়া নাই, চাৰ।

**মাননীয় অধ্যক্ষ ঃ** এইটোত আপোনাৰ নামটো কিয় আছে? ৰব শুনক, ৩০ মিনিট হ'ল, ৪০ মিনিটৰ এতিয়া আপোনালোকৰ ১০ মিনিট থাকিলে, কিন্তু কি হ'ল মাজতে আমাৰ সকলোৰে

হুলস্থূল হ’ল। আপোনালোকৰ পইন্ট অৰ অৰ্ডাৰতো গৈছে অলপ সময়। কালি আমি আলোচনা কৰিছো যে পইন্ট অৱ অৰ্ডাৰত অলপ সময় যায়। তথাপি আমি পইন্টখিনি লৈছো। গতিকে কাৰোবাৰ ৫ মিনিট কম হ’ব পাৰে। কিন্তু মন্ত্ৰীক ৩০ মিনিট যদি নিদিও কিবা উত্তৰ আহিব জানো আমাৰ! সেইকাৰণে বুজিব লাগিব। সেই কাৰণে পইন্ট কেইটা লিখিত হিচাপে দি দিয়ক। দুই মিনিটত কোনো কথা কব নোৱাৰে। মই নিজেও বিধায়ক আছিলো। সেইটো মিছা কথা। কিন্তু মই কৈছো আপোনালোকে যদি ভাৱিছে কৰ্তন প্ৰস্তাৱত কিবা দৰকাৰী পইন্ট আছে যদি দিয়ক। পইন্টকেইটা আমি ৰেকৰ্ডত সোমাই দি প্ৰচিডিংত সোমাই দিম। নহলেতো এনেকৈ কথাহে কব লাগিব।

**শ্ৰী নুৰুল হুদা ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক। সকলোৰে কথা গুৰুত্বপূৰ্ণ, কাৰো কথা গুৰুত্বপূৰ্ণ নোহোৱা নহয়। ৰূপজ্যোতি কুৰ্মীৰো গুৰুত্বপূৰ্ণ, সকলোৰে। কিন্তু মই সময়টো চাব লাগিব। যদি আপোনালোকে ভাৱে যে আমিয়ে কথা কম, মই দুটা বজালৈ সকলো guillotine ত দিব পাৰিম, মন্ত্ৰীয়ে একো নকলেও হ’ব তেতিয়া। কথা কবলৈ দি থাকিব পাৰিম দুটা বজালৈ, মোৰ একো অসুবিধা নাই।

**শ্ৰী নুৰুল হুদা ঃ** চাৰ।

**শ্ৰী ৰাজেদ আলী চৌধুৰী ঃ** চাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কেইমিনিট ক’ব সেইটো কৈ লওক, ৫ মিনিটতকৈ নহ’ব। ৫ মিনিট। আপুনিও ঘড়ী চাব ময়ো চাম। আপুনি বহক। এতিয়া পাটোৱাৰী ডাঙৰীয়া আপুনি কিবা এটা কব বিচাৰিছিলে কওঁক।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ সম্পৰ্কত লাইকা দধিয়াৰ যিখিনি adjourment motion আনিছিলে আজিও এইখিনি কথালৈ উত্তপ্ত পৰিস্থিতি হৈছে, মই অধ্যক্ষ ডাঙৰীয়া আপোনাক জনাও যে লাইকা দধিয়াৰ সম্পৰ্কত মূখ্যমন্ত্ৰী ডাঙৰীয়াই যিখিনি ব্যৱস্থা গ্ৰহণ কৰিছে, সদস্য সকলে যিটো concern দেখুৱাইছে তাতকৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া বেছি concern। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে লাইকা দধিয়াৰ মানুহখিনিক সংস্থাপন কৰাৰ বাবে সদনত বিষয়টো অহাৰ আগতে বহুতো সন্মানীয় বিধায়কক লৈ আলোচনা কৰিছে যদিও technical অসুবিধা। কিছুমান মাটি Forest ৰ আছে। গতিকে Forest আইন-কানুনৰ কথা আছে। গতিকে সন্মানীয় সদস্যসকলে বিধান সভাত প্ৰশ্ন উত্থাপন কৰাৰ আগতে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই লাইকা দধিয়াৰ সম্পৰ্কত ব্যৱস্থা লৈছে আৰু অতি সোনকালে ইয়াৰ এটা সমাধান পাব।

**শ্ৰী নুৰুল হুডা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সবকা সাথ, সবকা বিকাশৰ কথা কোৱা হৈছে। এইটো এটা অমূলক। জাতি-মাটি ভেটিৰ কথা যিটো কৈছে, সেইটো আজি ভূমি দিয়া হোৱা নাই, ... যোৱা **২০১৭** চনত মোৰ প্ৰশ্ন আছিলে যে নগাওঁ জিলা আৰু মৰিগাওঁ জিলাৰ মোৱামাৰিৰ সুতাৰ গাওঁ আৰু দেউৰাগাওঁৰ স্থানীয় **৭** টা পৰিয়াল গড়াখহনীয়াত ঘৰ-মাটি ভেটি নাইকীয়া হৈ মানুহখিনি মথাউৰিত আছে। মই সদনত যেতিয়া প্ৰশ্ন আনিছিলো উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে এই মানুহখিনিয়ে নিজৰ নিজৰ এলেকাত গৈ নিজে মাটি ক্ৰয় কৰি বসবাস কৰি আছে। তেতিয়া মই বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনিছিলো। মাননীয় অধ্যক্ষ মহোদয়ে মোক কৈছিলে যে বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনিটো লাভ নহব। গতিকে আমাৰ কামটো হ’ব লাগে। অধ্যক্ষ মহোদয়ে মন্ত্ৰী শ্ৰী পল্লৱলোচন দাস ডাঙৰীয়াক মাতি কলে যে এইটোৰ আপুনি ব্যৱস্থা কৰক। মন্ত্ৰী ডাঙৰীয়াই

মৰিগাওঁ আৰু নগাওঁ জিলাৰ উপায়ুক্তক কলে যে সেই মানুহখিনিৰ কিবা ব্যৱস্থা কৰক, কিন্তু নকৰিলে।

তাৰ পিছত আকৌ এই সদনতে প্ৰশ্ন উত্থাপন কৰিলো, তেতিয়া মাননীয় অধ্যক্ষ মহোদয়ে কলে যে Revenue Minister, Water Resource Minister , মোক আৰু Revenue Commissioner বহি আলোচনা কৰিব লাগে। আলোচনা হোৱাৰ পিছতো আজিলৈকে চাৰিটা বছৰ হৈ গ'ল এই মানুহখিনিক এতিয়ালৈকে কোনো এটা ভেটি মাটি দিয়াৰ ব্যৱস্থা কৰি দিয়া নাই। গতিকে এই মানুহখিনিক অতি সোনকালে মাটি দিয়াৰ ব্যৱস্থা কৰি দিব লাগে।

দ্বিতীয়তো হ'ল মাননীয় অধ্যক্ষ মহোদয়, যোৱা **২২** অক্টোবৰৰ তাৰিখে বৰছলা সমষ্টিৰ বৰাচিঙৰি, বিৰালপাজুলী,ঢেকেৰীগাওঁ, বেছিমাৰী এই চাৰিটা গাঁৱৰ পৰা **৬৪** নং ঘৰৰ মানুহক কোনো জাননী নিদিয়াকৈ উচ্ছেদ কৰা হৈছে। **৮** জন মানুহ ম্যাদী পট্টাৰ মাটি আৰু খেৰজী পট্টা **২৬** ঘৰ মানুহ আছে, চৰকাৰে এলোট কৰা আছে আৰু তৌজী পট্টাৰ কিছু সংখ্যক মানুহ আছে। এই মানুহখিনি সম্পূৰ্ণ ভাৰতীয় নাগৰিক। তেওঁলোকক উচ্ছেদ কৰা হৈছে। গতিকে এইসকলক পুনৰ সংস্থাপন দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে।

তৃতীয়তো হ'ল মাননীয় অধ্যক্ষ মহোদয়, চতিয়া সমষ্টিত ভূমিৰ চৰত **৫২২** জন মানুহক উচ্ছেদ কৰা হৈছে। আজিও এইখিনি বাহিৰা মানুহ বুলি কৈছে, থলুৱা মানুহ নহয় বুলি কৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই বাৰী মাটি গড়াখহনীয়াৰ কবলত পৰি সৰ্বস্বান্ত হোৱা, তেখেতসকলক গড়াখহনীয়াৰ প্ৰমান-প্ৰত্ৰ আছে, তেখেতসকলৰ **১৯৫১** চনৰ NRC ত নাম আছে, **১৯৬৫** চনৰ ভোটাৰ তালিকাত নাম আছে, **১৯৭০** চনৰ ভোটাৰ তালিকাত নাম আছে। এনেকুৱা প্ৰমাণ-প্ৰত্ৰ থকা মানুহখিনিয়ে **২০-২২** বছৰ আগতে তাত গৈ মাটি ক্ৰয় কৰি ঘৰবাৰী সাজি বসবাস কৰি আছিলে, সেই মানুহসকলক উচ্ছেদ কৰি ন্যায়সংগত হৈছে নেকি? গতিকে এই ভাৰতীয় নাগৰিক সকলক সম্পূৰ্ণ অন্যায় ভাৱে উচ্ছেদ কৰা হৈছে। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে এই উচ্ছেদ কৰা মানুহখিনিক পুনৰ সংস্থাপন দিব লাগে।

চতুৰ্থতে হ'ল মাননীয় অধ্যক্ষ মহোদয়, PMGSY ঘৰ দিয়াৰ বাবে যিসকল ভেটিহীন মানুহ, মোৰ সমষ্টিতে প্ৰায় **৩০০** মান মানুহ আছে, তেওঁলোকৰ ঘৰৰ তালিকাত নাম আছে, কিন্তু মাটি নথকাৰ বাবে তেওঁলোকে ঘৰটো নাপায়। চৰকাৰে সিদ্ধান্ত লৈছিলে যে যিসকল ভেঁটিহীন মানুহ তেওঁলোকক **৫০** হাজাৰকৈ টকা দিব মাটি কিনাৰ কাৰণে। কিন্তু সেই টকাতো নিদিয়াৰ কাৰণে এই মানুহখিনিয়ে ঘৰ পোৱা নাই। গতিকে এইটোৰ ওপৰত চৰকাৰে অলপ গুৰুত্ব দিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে।

**শ্ৰী পদ্ম হাজৰিকা (চতিয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পবিত্ৰ সদনত চতিয়া সমষ্টিৰ কথাটো কৈছে। সন্মানীয় সদস্যগৰাকীয়ে কৈছে যে **৫২২** জন মানুহক হাইকোৰ্টৰ নিৰ্দেশতে উচ্ছেদ কৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। Minister please.

**শ্ৰীযোগেন মোহন (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ অতিৰিক্ত পূঁজি অনুমোদনত যিসকল সন্মানীয় বিধায়কসকলে অংশগ্ৰহণ কৰিছে, সন্মানীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া, সন্মানীয় বিধায়ক আমিনুল ইছলাম, সন্মানীয় বিধায়ক ওৱাজেদ আলি চৌধুৰী, সন্মানীয় বিধায়ক চক্ৰধৰ গগৈ, সন্মানীয় বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, সন্মানীয় বিধায়ক দেৱানন্দ হাজৰিকা, সন্মানীয় বিধায়ক শ্বেৰমান আলি, সন্মানীয় বিধায়ক পদ্ম হাজৰিকা, সন্মানীয় বিধায়ক

ৰফিকুল ইছলাম, সন্মানীয় বিধায়ক বিমল বৰা, সন্মানীয় বিধায়ক ভুৱন পেগু, সন্মানীয় বিধায়ক দেবব্ৰত কলিতা, সন্মানীয় বিধায়ক ড° সত্যব্ৰত কলিতা, সন্মানীয় বিধায়ক ডাক্তৰ নুমল মমিন, সন্মানীয় বিধায়ক ৰূপজ্যোতি কূৰ্মী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে সন্মানীয় বিধায়ক নৰুল হুডা আটাইলৈকে মই এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ জনালো।

ৰাজহ বিভাগৰ প্ৰথম যিটো বিষয় আহিছে - ভূমিহীন মানুহক পট্টা দিয়া। আমাৰ বিভাগত জিলা উপায়ুক্ত সকলৰ পৰা পোৱা তথ্য মতে **৩,৭৪,৮০৫** জন ভূমিহীন ব্যক্তি তালিকাত আছে। ইয়াৰে আমি বৰ্তমানলৈকে **৮৭,৭২৭** গৰাকীক allotment দিয়া হৈছে। আমি দুই ধৰণে পট্টা দিওঁ - allotment & settlement। এই দুটা লগ লগাই বৰ্তমানলৈকে আমাৰ চৰকাৰে দায়িত্ব লোৱাৰ পৰা **২,২৮,১৬০** পৰিয়ালক ভূমি পট্টা বিতৰণ কৰা হৈছে আৰু **১,৪৪,৬৩৯** টা পৰিয়াল বাকী আছে। আমি অহা জানুৱাৰী মাহত আৰু **১** লাখ ভূমিহীন পৰিয়ালক পট্টা দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। আমি জিলা উপায়ুক্ত সকলৰ লগত বৈঠক কৰি আছো, review লৈ আছো। তেওঁলোকে আজিৰ তাৰিখলৈকে প্ৰায় **৬৫** হাজাৰ পৰিয়ালক ভূমি পট্টা দিয়াৰ কাৰণে সাজু হৈছে। আমি ভাৰো জানুৱাৰী মাহৰ প্ৰথম সপ্তাহ ভিতৰতে এই target যিটো লৈছো, এইটো সম্পূৰ্ণ হ'ব। গতিকে আমি একেদিনাই ceremonial কৰি Autonomous Council ৰ জিলা বিলাকক বাদ দি **২৬** খন জিলাত সন্মানীয় বিধায়ক, মন্ত্ৰী, সাংসদে আনুষ্ঠানিক ভূমি পট্টা বিতৰণ কৰাত অংশগ্ৰহণ কৰিছে, এই কথাতো এটা যুগান্তকাৰী সিদ্ধান্ত। এই চৰকাৰে যি প্ৰতিশ্ৰুতি দি শাসনলৈ আহিছিল জাতি-মাটি-ভেটি সুৰক্ষা কৰি খিলঞ্জীয়া ভাৰতীয় মানুহক ভূমি পট্টা দি, যি ঘোষণা আছিল, সেই ঘোষণা কাৰ্য্যকৰী হৈছে। ইয়াৰ কৃতিত্ব সকলোৱে লৈছে অকল শাসকীয় দলৰ বিধায়ক, মন্ত্ৰী বুলিয়ে নহয় বিৰোধী দলৰ বিধায়ক সকলেও ইয়াত আনন্দ পাইছে। পূৰ্বতে এখন পট্টা উলিয়াবৰ কাৰণে কিমান হাহাঁকাৰ কৰিব লগীয়া হয় পৰিয়ালৰ। আমাৰ বিধায়ক বিমল বৰা ডাঙৰীয়াই কৈছে যে তেওঁলোকে মাটি-বাৰী, কুকুৰা-হাহঁ বিক্ৰী কৰিও এখন পট্টাৰ কাৰণে চিন্তিত হৈ আছিল। কিন্তু এতিয়া এই স্বচ্ছ আৰু নিকা প্ৰশাসনৰ জৰিয়তে circle office, ADC, Revenue, মণ্ডলক এনেধৰণে নিৰ্দেশ দিয়া আছে যাতে তেওঁলোকে survey কৰি কোনো ধৰণৰ নিদিষ্ট সময় সীমা পাৰ নকৰাকৈ এইবিলাক কাম কৰিব লাগিব। ঠিক তেনেধৰণে আমি ceremonially পট্টাখন হাতত তুলি দিছো। তেওঁলোকক মাটিৰ অধিকাৰ দিয়া হৈছে। এইটো স্বাধীনতা কালৰ এটা যুগান্তকাৰী পদক্ষেপ। এখন চৰকাৰে নিষ্ঠা, সততাৰে কথা দিয়া মতে ৰাখিছো। আমি গৌৰৱেৰে ক'ব পাৰো যে থলুৱা খিলঞ্জীয়া মানুহবিলাকে ভূমি পট্টা পাবলৈ সক্ষম হৈছে। গতিকে এই গোটেই বিষয়তো circle office ত block mandal ৰ যোগেদি, জিলা উপায়ুক্তৰ যোগেদি আমাৰ চৰকাৰৰ লৈকে আহে। ক'ৰবাত যদি থাকি গৈছে কোনোবা circle office ত এনেকুৱা ধৰণৰ তালিকা প্ৰস্তুত কৰাত কিবা বিসংগতি হৈছে, তাতে LAC Board আছে, তাত সকলো বিধায়কে অংশগ্ৰহণ কৰে। তাতে কথাবিলাক তেওঁলোকে আলোচনা কৰিব পাৰে। এই বিষয়বিলাক আমি ভাৰো Block Mandal সকলে survey কৰি গোটেই কামখিনি আগবঢ়াই লৈ গৈছে। আমি ভাৰো আমাৰ চৰকাৰে যেনেধৰণে কথা দিছিল, ঠিক তেনেধৰণে কথাখিনি আগবঢ়াই লৈ গৈছো। ইয়াৰ উপৰিও এই বিভাগে বহুত আলোচনা ওলাই আছে গাওঁবুঢ়া সকলৰ। গাওঁবুঢ়া বিলাক হ'ল চৰকাৰৰ শেষৰ জন চৰকাৰী ব্যক্তি। তেওঁলোকৰ ওপৰতো বহুত দায়িত্ব থাকে। গাওঁ খনত শান্তি-শৃঙ্খলা, ন্যায়কে আদি কৰি বিভিন্ন দূৰ্য্যোগৰ সময়ত তেওঁলোকে Block Mandal ৰ পৰা circle office ক সহযোগ কৰে। তেওঁলোকৰ এই বিভাগটো গতিশীল কৰিবৰ কাৰণে এইবাৰ গাওঁবুঢ়া সকলক **১০**

হাজাৰকৈ এককালীন সাহায্য দিছো। তেওঁলোকৰ বহু সামগ্ৰী কিনিবৰ কাৰণে পইচাৰ প্ৰয়োজন আছে আৰু লগতে এটা এটা smart phone প্ৰায় ৫৬০০ ৰ ওপৰত গাওঁবুঢ়াক দিছো। তেওঁলোকক প্ৰতি মূহুৰ্তে যোগাযোগ কৰিব লগীয়া হৈ যায়। আজি বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যোগ। এনেধৰনে এই বিভাগটো গতিশীল কৰাৰ ব্যৱস্থা কৰা হৈছে। আমি সেই কাৰণে ১৯.৭০ কোটি টকাৰ অতিৰিক্ত দাবী মঞ্জুৰী সদনত বিচাৰিছো। আমি আশা ৰাখিছো এই ক্ষেত্ৰত আপোনালোক সকলোৱে অনুমোদন জনাব। যিসকলে অংশগ্ৰহণ কৰিছে, আমি বহুক্ষেত্ৰত চকু দিব লাগিব কাৰণ Assam Survey & Settlement Training Centre এই Training Centre ১৮৮২ চনৰ আটাইতকৈ পুৰণা বিভাগ। এইটো North East ত এটাই আছে। ইয়াক অলপ আধুনিকীকৰণ কৰিব লাগে। মই নিজে তাত গৈ দেখিছো যে চেন্টাৰটোৰ অৱস্থা বহু জৰাজীৰ্ণ য'ত ACS সকল, Mandal সকলক training দিয়া হয়, UPSC দিয়া সকলক তাতে প্ৰশিক্ষণ দিয়া হয়, গতিকে কিমান সুন্দৰ হ'ব লাগে। মই দেখিছো প্ৰাথমিক বিদ্যালয় তাতকৈ ভাল। সেইটো অলপ renovation কৰাৰ প্ৰয়োজন আছে, তাৰ কাৰণে আমাক কিছু পইচাৰ প্ৰয়োজন হ'ব। গতিকে Assam Survey & Settlement Training Centre টোৰ কাৰণে আমি নতুনকৈ সিদ্ধান্ত লৈছো যে ইয়াতে আমি Free Certificate Diploma Course য'ত North East নেছাৰ ৰ লগত agreement হৈছে, শিক্ষিত নিৰনুৱা লৰা সকলক আমি বিনামুলীয়াকৈ certificate দিব পাৰিম। তেওঁলোকে যাতে তাত প্ৰশিক্ষণ শেষ কৰি বহু ঠাইত নিযুক্তি পায় তাৰ ব্যৱস্থা কৰি আছো। গতিকে এই Survey Settlement বিভাগটো Renovation কৰিবৰ কাৰণে আমাৰ ইয়াত দাবী আছে। সদনৰ পৰা আমি অনুমতি বিচাৰিছো। খালী হৈ থকা গাওঁবুঢ়া পদত নিযুক্তি দিয়াৰ বাবে চৰকাৰৰ ফালৰ পৰা উপায়ুক্ত সকলক নিৰ্দেশ দিয়া হৈছে। কাৰণ উপায়ুক্ত সকলৰ ওচৰত গোটেই দায়িত্ব আছে। DC য়ে এখন selection board ৰ জৰিয়তেদি কামখিনি কৰে। গতিকে যিসকল সন্মানীয় বিধায়কৰ নিজৰ নিজৰ ঠাইত এই পদ খালী হৈ আছে, সেই বিলাক উপায়ুক্ত সকলৰ লগত আলোচনা কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। বৰাক উপত্যকা য'ত আগতে গাওঁবুঢ়াৰ ব্যৱস্থা নাছিল। আমি ধুবুৰী, বঙাইগাওঁ আদিত গাওঁবুঢ়া পদৰ সৃষ্টি কৰিব লাগিব। বৰাকতো গাওঁবুঢ়াৰ post creation কৰি লাগিব। আমি বাজেটৰ অনুমোদন লৈ বিত্তীয় বিভাগৰ পৰা অনুমোদন লব লাগিব। গতিকে সেইখিনি আমি পুৰণৰ ব্যৱস্থা কৰিবৰ কাৰণে চিন্তা কৰি আছো। আমি ভাবিছো যে এই বিভাগতো আমি সক্ৰিয় কৰিব লাগিব। এই বিভাগতোত ২৭ টা Survey & Settlement গ্ৰুপ আছে। এইখিনি field ত কাম কৰিবৰ কাৰণে আমি proposal লৈছো। এই proposal বিলাক কাৰ্য্যকৰী কৰাৰ কাৰণে আমাৰ কিছু পুঁজিৰ প্ৰয়োজন আছে। আজি কালি আধুনিক যুগত বহুত পইচাৰ প্ৰয়োজন হয়, আপোনালোকে জানে আমাৰ নতুন equipment বিলাকৰ প্ৰয়োজন আছে। ETS (Electronic Total Stationary) আৰু এটা DGPS (Differential Global Positioning System) সেইবিলাকৰ যোগেদি survey হয়। এতিয়া হাজাৰৰ ওপৰত Non Cadestral village আছে। এতিয়ালৈকে ২শ ওপৰত আমাৰ survey চলি আছে। আমি Non Cadestral টো Cadestral কৰিব লাগিব। গতিকে এনেকুৱা ধৰণে এই বিভাগতো সক্ৰিয় কৰাৰ কাৰণে কোনো চিন্তা পূৰ্বতে নাছিলে। এতিয়া আমি সেইবিলাক আধুনিকীকৰণ কৰি এই বিভাগতো গতিশীল কৰাৰ ব্যৱস্থা আমি কৰি আছো। মুঠৰ ওপৰত ৰাজহ বিভাগ যিহেতু এটা গুৰুত্বপূৰ্ণ বিভাগ, এই বিভাগতো কাৰ্য্যক্ষম কৰিবলৈ অলপ পুঁজিৰ প্ৰয়োজন আহিব আৰু আমি সকলো সমস্যা সমাধান কৰিবলৈ হ'লে আমাৰ লগত জিলা উপায়ুক্ত সকলে ইয়াৰ মুল ব্যক্তি, circle officer সকল মুল ব্যক্তি,

এই বিভাগটো আলোচনা কৰিব লাগিব। লগতে এই কথাটোও মই আজি সদনক জনাইছো যে ডিজাষ্টাৰ মেনেজমেন্টৰ ক্ষেত্ৰত যোৱাবাৰ বহুত কেইটা প্ৰশ্ন আহিছিল। এইবাৰ বানপানী বা ধুমুহাত কোনো ঠাইৰ পৰা আপত্তি অহা নাছিল। আমি জি আৰ টো সময় মতে দি আছিলো। চাউল, দাইল পোৱা নাই বুলি অসমৰ কোনো এখন জিলাৰ পৰা ৰাইজে কোনোধৰণৰ চিঞৰ -বাখৰ কৰা নাই, আপত্তিও কৰা নাছিল কাৰণ ইমান সুন্দৰ কৈ এই ব্যৱস্থাটো কৰা হৈছিল। তলৰ পৰ্যায়ৰ পৰা আমাৰ গাওঁবুঢ়া, লাট মণ্ডল, চাৰকোল অফিচাৰ ,ডি,ডি,এম , প্ৰজেক্ট অফিচাৰ ,ফিলড্ অফিচাৰ আদি সকলোৱে ৰাইজৰ এইবিলাক কাম সময় মতে অতি সুন্দৰকৈ কৰি আছে। গতিকে আমাৰ জি, আৰ দিয়াৰ ক্ষেত্ৰত ক'তো ত্ৰুটি হোৱা নাই। আজিৰ তাৰিখলৈকে বহু জিলা উপায়ুক্তৰ হাতত পইচা আছে। আমি তেওঁলোকৰ হাতত আগতীয়াকৈ পইচা দিয়াৰ ব্যৱস্থা কৰো তেওঁলোকৰ হাতত যাতে কোনো ক্ষতিগ্ৰস্তলোকে কোনো ধৰণৰ অসুবিধা নাপায়। আমি আৰ, জিৰ ক্ষেত্ৰত যিমান বিলাক প্ৰপ'জেল পাইছো, সেইয়া বানপানী তথা ধুমুহাই হওঁক প্ৰপ'জেলসমূহ বিভাগত ২/৩ দিনৰ বেছিদিন নাৰাখো। কৰবাত ভুল-ত্ৰুটি থাকিলে বেলেগ কথা, সেইটো query কৰিবলগীয়া হয়, কিন্তু শুদ্ধ হ'লে আমি ২/৩ দিনৰ ভিতৰতে পইচা মোকলাই দিব পাৰো। ক'ভিড সময়তো সহায়ৰ বাবে আমাৰ বিভাগৰ পৰা ১৮২ কোটি টকা গৈছে। এনেধৰণে আজিএই বিভাগটোৱে নিষ্ঠাৰে কাম কৰি আছে। আমাৰ বিভাগৰ ৫৫৭ কোটি টকা miscellaneous ক্ষেত্ৰত খৰচ কৰা হৈছে। G.R ৰ ক্ষেত্ৰত আমি ৩১৮ কোটি টকা আৰু বানপানীৰ ক্ষতিৰ ক্ষেত্ৰত ১২৮ কোটি টকা, এনে ধৰণে আমাৰ বিভাগৰ প্ৰতিটো ক্ষেত্ৰত যিখিনি বিভাগৰ আবন্টন আছে সেইখিনি কোনো ত্ৰুটি নকৰাকৈ বিভাগে কৰি আছে। আমাৰ এই বিভাগটোৰ যিখিনি কাম বাকি আছে বা আপত্তি আহিছে সন্মানীয় বিধায়ক সকলৰ পৰা ,আমি সেইখিনি চালি-জাৰি চাম। ইতিমধ্যে আমাৰ চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াই কৈছে লাইকা দধীয়াৰ কথাতো। এই পৰিয়ালক সংস্থাপন দিবৰ কাৰণে মই যোৱাকালিও মুখ্যমন্ত্ৰীৰ লগত মই নিজে বহিছিলো, য'ত তিনচুকীয়া আৰু ধেমাজি জিলাৰ উপায়ুক্ত, দি এফ অ, ৰেঞ্জাৰ সকলোৱে আছিল। তৎকালীনভাৱে কিবা এটা যাতে স্থান উলিয়াব পাৰি এই বিষয়টো আলোচনা হৈছে। আমি যাতে পি এম এ ৱাইৰ ঘৰ বনাই দিব পাৰো এই গোটেই পৰিয়াল খিনিৰ বাবে, তাত যদি আমি মহিলা সকলক অৰুনোদয় স্কীম দিব পাৰো, ৰেহাই মূল্যত বিজুলি যোগান, পানী আদি সকলো ব্যৱস্থাৰ ওপৰত যোৱাকালি আলোচনা হৈছে।। মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক তেৰচ গোৱালাও উপস্থিত আছিল। যিহেতু চৰকাৰী আইন-কানুন কিছুমান থাকে,কোৰ্টৰ কথা আছে, নিউ লেণ্ড প'লিচিৰ কথা আছে সেয়েহে সকলো মাটি আমাৰ ইচ্ছামতে দিব নোৱাৰো। সেয়েহে আমি গোটেই কথাবোৰ মিলাই চালি-জাৰি চাইহে কামখিনি কৰিব লাগিব। ৰাইজৰ লগত মত বিনিময় কৰি ৰাইজে সন্মতি প্ৰদান কৰিব লাগিব। ভূৰন পেগু ডাঙৰীয়াই কথাখিনিৰ নিশ্চয় দায়িত্ব লৈছে। মুখ্য মন্ত্ৰী মহোদয় এই বিষটো লৈ যথেষ্ট চিৰিয়াচ। মই সেইকাৰণেই কৈছো যে এইখিনি থলুৱা -খিলঞ্জীয়া মানুহখিনিক সংস্থাপন কৰা হ'ব। আমি জিলা উপায়ুক্ত, ফৰেষ্ট বিভাগৰ লগত আলোচনা কৰি গম পাইছো যে ফৰেষ্টৰ মাটিও আমি ল'ব পাৰো।কিন্তু এইটো১০% নহয়, ৫% মাটিয়েদি তেওঁলোকক দিব পৰা এটা আইন আছে। এই আইনৰ জড়িয়তেহে আমি কাম কৰিব পাৰিম, কাৰণ আমি কোনো আইনৰ উৰ্দ্ধত নহয়। য'তে ত'তে দখল কৰিবলৈ পাৰ্মিচন দিয়া নহব। অবৈধ ভাৱে দখল কৰিলেও উচ্ছেদ কৰিবলৈ চৰকাৰৰ নিৰ্দেশ আছে। আমাৰ যি ভূমিহীন থলুৱা খিলঞ্জীয়া মানুহ আছে তেওঁলোকক পট্টা দিবৰ বাবেও আমাৰ আইন আছে। কিছুমান আইন শিথিল কৰিব পৰা যায়। গতিকে চৰকাৰে এই আইন শিথিল

কৰি যেনেধৰণে ব্যৱস্থা লব পাৰে তেনেধৰণে ব্যৱস্থা লৈ আছে। ইয়াত কোনেও সন্দেহ কৰিব নালাগে। ইয়াত কোনোবা এটা গোষ্ঠীক আঁতৰাই ৰাখিব বিচাৰিছে এনেধৰণৰ কোনো কথা নাই। আমি District Authority ক জনাই দিছো যে যিখিনি ভূমিহীন, আমাৰ ক্ৰাইটেৰিয়াত যিখিনি পৰে, জেনিউইন মানুহখিনিয়ে পাবই। ইয়াত কোনো বেলেগ কথা নাই। আপোনালোকে জানে, এতিয়া সকলো মানুহৰ মুখত হাঁহি বিৰিঙিছে এইখন চৰকাৰৰ দিনত প'ট্টাখন পায়। আমাৰ গাঁৱৰ আইতাসকলক মাতি নি প'ট্টাখন দিছো, চাৰ্কোল অফিচত মাতি নি চাহো খুৱাইছো। পূৰ্বতে এইটো হোৱা নাছিল। এতিয়া গাঁৱত আহি চাৰ্কোল অফিচাৰে নিজে চাৰ্ভে কৰে, লাটমণ্ডল নিজে আহে। এনেধৰণে এই বিভাগটোক আমি গতিশীল আৰু উজ্বলাই তুলিবৰ কাৰণে, থলুৱা মানুহক মাটিৰ অধিকাৰ দিবৰ কাৰণে চেষ্টা কৰিছো। আমাৰ চৰকাৰৰ যিটো ভিজন- জাতি,মাটি,ভেটিৰ সুৰক্ষাৰ ,তাক প্ৰথম কাৰ্য্যকৰী কৰিবলৈ হ'লে আমি তেওঁলোকক ভূমিৰ অধিকাৰ দিব লাগিব, তাৰ পিচত ভেটি, তাৰপিচতহে জাতি। এনেধৰণে চৰকাৰখনে কাম কৰিবৰ কাৰণে আমাৰ ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোটৰ চৰকাৰে এইখিনি সিদ্ধান্ত লৈছে আৰু এইখিনিত ৰাইজ সুখী আছে। বাকী থকা কামখিনি পৰৱৰ্তী সময়ত আমি কৰিম আপোনালোকে সহযোগ কৰিব। মই সেইকাৰণে আশা ৰাখিছো এই বিভাগটোৰ কাম-কাজ সকলোৱে চোৱাৰ অধিকাৰ আছে। আমাৰ এই বিভাগটোৰ অধীনত এখন অৰুন্ধুতি আঁচনি লোৱা হৈছে, য'ত এই আঁচনিৰ যোগেদি বহুত ব্যক্তি উপকৃত হৈছে। নৱ বিবাহিত দম্পতিৰ এতিয়ালৈকে প্ৰায় ৫০০০ হাজাৰৰ ওপৰত Registration হৈছে। অৰুন্ধতি আঁচনিৰ যোগেদি ৪০ হাজাৰ টকাকৈ নৱ বিবাহিত দম্পতিক দি ভৱিষ্যত জীৱন উজ্বলাব বিচাৰিছো আৰু তাৰ লগে লগে কিছুমান সংস্কাৰৰ কথা কৈছে। কইনাৰ বয়স ২১ বছৰ আৰু দৰাৰ বয়স ২২ বছৰ হ'ব লাগিব। বাল্য বিবাহ ৰোধ কৰাৰ এইখন এখন আইন আৰু মেট্ৰিক পাচ কৰাৰ যোগেদি মহিলা সকলৰো যাতে শিক্ষিত হাৰ বাঢ়ে তাৰ বাবে এই বিভাগৰ এইখন উল্ল্যেখযোগ্য আঁচনি। মহিলা সৱলীকৰণত এই আইনখনে যথেষ্ট সহায় কৰিব। তেওঁলোকক যৌতুক দাবী কৰিব নোৱাৰিব, অত্যাচাৰ কৰিব নোৱাৰিব, স্বামীৰ ঘৰত মৰ্যাদা পাব। এইদৰে আমাৰ বিভাগে এইখিনি কাম আগবঢ়াই লৈ গৈছে। Registration ৰ ক্ষেত্ৰত যিখিনি শিথিলতা আছে সেইখিনিও আমি যাতে চাৰ্কোল অফিচতে কৰিব পাৰি তাৰো ব্যৱস্থা কৰি আছো। তাৰোপৰি আমি এটা Re-habilitation প'লিচি লৈছো, এইবাৰ কেবিনেটত পাছ হৈ গৈছে। পূৰ্বতে নৈ বা গড়াখহনীয়াত ঘৰ -ভেটি উটি গলে ৫০ হাজাৰ টকা দিয়াৰ ব্যৱস্থা আছিল , আমি ১.৫০ লাখ দিয়াৰ ব্যৱস্থা কৰিছো। তিনিবিঘাকৈ মাটিত আমি ১ লাখ টকাকৈ দিম। এইখনো কেবিনেটত পাছ হৈছে। পুঁজি আহিলেই কাৰ্য্যকাৰী হোৱাৰ পথত। আমি ইতিমধ্যে জিলা উপায়ুক্ত সকলৰ পৰা ক'ত কেনেধৰণেৰে গৃহহাৰা ব্যক্তি মথাউৰিত আছে ,গৰাখনীয়াত মাটি, বাৰি ,খেটি, ঘৰ উটি গৈছে তাৰ আমি তথ্য বিচাৰিছো। এইখিনি তালিকা দিয়াৰ ক্ষেত্ৰত আপোনালোকে নিজৰ নিজৰ জিলা উপায়ুক্তৰ লগত আলোচনা কৰিব। আজি ধুবুৰী,বৰপেটা বা অন্যান্য জিলাত এনেকুৱাধৰণৰ সংখ্যা যদি আছে আমাক দিলে আমি বিভাগৰ লগত তৎকালে আলোচনা কৰি অতি সোণকালে কাৰ্যকৰী কৰাৰ ব্যৱস্থা কৰি দিম যিহেতু হাতত পুঁজি আহিছে। গতিকে , মই আৰু বিশেষ নকওঁ। মই ভাবো আজি আমি যি অতিৰিক্ত পুঁজি বিচাৰিছো, এই পুঁজি মই বিৰোধীক উঠাই লবলৈ আহ্বান জনাইছো। Total আমাৰ ৩১ মাৰ্চলৈকে১৯ কোটি টকাৰ প্ৰয়োজন আছে বহু বিভাগৰ কিছু মিট কৰিবৰ কাৰণে । কাৰ্বি-আংলঙৰ গাওঁ বুঢ়াই ৭০০ টকা পাই আছে। এইটো যাতে অসম চৰকাৰৰ নিৰিখত পায় তাৰ কাৰণে আমি আলোচনাত বহিম যাতে সকলো গাওঁবুঢ়াই সমান মৰ্য্যদা পায়। গতিকে, মই আশা

ৰাখিছো যে সদনে যাতে এই বিষয়ত অনুমোদন জনাই। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সময় আবেলি ২ বাজিছে। এইটোকে ধৰি সকলো পৰিপুৰক দাবী মঞ্জুৰী আছে মই গিল'টিনত দিছো। পৰিপূৰক দাবী মঞ্জুৰীসমূহ হ'ল - ৬,১,৩,৪,৫,৮,৯,১১,১২,১৩,১৪,১৬,১৭,১৮,১৯,২০,২২,২৩,২৫,২৬,২৭, ২৯,৩০,৩২,৩৪,৩৫,৩৬,৩৭,৩৮,৩৯,৪১,৪২,৪৩,৪৪, ৪৫,৪৬,৪৭,৪৮,৪৯, ৫১,৫২,৫৪, ৫৫,৫৬, ৫৭,৫৮,৫৯,৬০,৬২, ৬৩, ৬৪,৬৫,৬৭,৬৯,৭০, ৭১,৭৩,৭৪, ৭৫,৭৬,৭৭,৭৮ সদনত অনুমোদনৰ বাবে আগবঢ়ালো। যিসকলে এই অনুমোদনত সমৰ্থন কৰিব, তেওঁলোকে কওঁক 'হয়' আৰু যি সকলে অনুমোদনত সমৰ্থন নকৰে তেওঁলোকে কওঁক 'নহয়', মই ভাবো 'হয'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে।( পৰিপূৰক দাবী মঞ্জুৰী সমূহত মাননীয় সদস্য সকলে অনুমোদন জনায়) গতিকে পৰিপুৰক দাবী মঞ্জুৰী নং- ৬, ১, ৩, ৪, ৫, ৮, ৯, ১১, ১২, ১৩, ১৪, ১৬, ১৭, ১৮, ১৯, ২০, ২২, ২৩, ২৫, ২৬, ২৭, ২৯, ৩০, ৩২, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪১, ৪২, ৪৩, ৪৪, ৪৫, ৪৬, ৪৭, ৪৮, ৪৯, ৫১, ৫২, ৫৪ , ৫৫, ৫৬, ৫৭,৫ ৮, ৫৯,৬০,৬২,৬৩,৬৪,৬৫,৬৭,৬৯, ৭০,৭১,৭৩, ৭৪,৭৫, ৭৬,৭৭আৰু ৭৮ গৃহীত হ'ল বুলি মই ঘোষণা কৰিলো। এতিয়া 'অসম বিনিয়োজন ( নং -IV) বিধেয়ক, ২০২০ খন মই সদনৰ মজিয়াত বিতৰণ কৰিবলৈ অনুৰোধ কৰিলো। মই বিলখন বিতৰণ কৰি থাকোতে ঘোষণা এটা দি দিওঁ। ঘোষণাটো হ'ল-

"অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৮৬(২) নম্বৰ নিয়মৰ অধীনত মাননীয় সদস্য- সদস্যা সকলৰ জ্ঞাতাৰ্থে জনাব বিচাৰো যে অসম বিধান সভাৰ ৪২ নং পাটাছাৰকুছি বিধান সভাৰ সমষ্টিৰ পৰা নিৰ্বাচিত সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যোৱা কালি অৰ্থাৎ ২৮ ডিচেম্বৰ ২০২০ তাৰিখে কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৮৬(১) নং নিয়মৰ অধীনত বিধান সভাৰ সদস্য পদৰ পৰা পদত্যাগ কৰে। শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াৰ পদত্যাগ পত্ৰ ২৮ ডিচেম্বৰ ২০২০ ৰ পৰা কাৰ্য্যকৰী হোৱাকৈ গ্ৰহণ কৰা হয়।"

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধক্ষ্য মহোদয়, 'অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' সদনত উৎথাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়েক খন উৎথাপন কৰাৰ বাবে অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? ( সন্মানীয় সদস্য সকলে অনুমতি প্ৰদান কৰে ) অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়ক খন সদনত উৎথাপন কৰিবৰ বাবে ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে, মই বাণীটো পাঠ কৰি দিছো।

' Under the provision of Article-207 SubClause (1) of the Constitution of India, I Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of the Assam Appropriation (No.IV) Bill, 2020 in the Asam Legislative Assembly. এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন সদনত উৎথাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' মই সদনত উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ভাৰপ্ৰাপ্ত সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়িব।

**ভাৰপ্ৰাপ্ত সচিব ঃ** বিধেয়কখনৰ শিৰোনামা হ'ল -'অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০।

**মাননীয় অধ্যক্ষ ঃ** ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে, মই বাণীটো পাঠ কৰি দিছো।

' Under the provision of Article-207 SubClause (3) of the Constitution of India, I Prof. Jagdish Mukhi, Governor of Assam, recommend that the Assam Appropriation (No.IV) Bill, 2020 be taken into consideration by the Asam Legislative Assembly.

এতিয়া বিত্ত মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তাৱ উৎথাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' বিবেচনাৰ বাবে মই সদনত প্ৰস্তাৱ উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উৎথাপন কৰিছো। প্ৰস্তাৱটো হৈছে-অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' বিবেচনাৰ বাবে লোৱা হওঁক। যিসকল সন্মানীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয', যি সকলে বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়.', মই ভাবো 'হয় 'ৰ সপক্ষে, 'হয় 'ৰ সপক্ষে, 'হ য়.',ৰ সপক্ষে প্ৰস্তাৱ গৃহীত হৈছে। এতিয়া মই বিধেয়কখনৰ ২ নম্বৰ, ৩ নম্বৰ দফাৰ লগত অনুসূচীখনো সদনত উৎথাপন কৰিলো। প্ৰশ্নটো হৈছে বিধেয়কৰ ২নম্বৰ,ঃ ৩ নম্বৰ দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যিসকল সদস্য -সদস্যা ইয়াৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয', যি সকলে বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়'। মই ভাবো 'হয'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নম্বৰ দফাৰ লগত অনুসূচীখনো বিধেয়কৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া মই বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম সদনত উৎথাপন কৰিছো। বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম বিধেয়ক খনৰ অংশ হ'ব। এতিয়া যিসকল সন্মানীয় সদস্য- সদস্যা ইয়াৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয', যি সকলে বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,'হয়'ৰ সপক্ষে বিধেয়কখনৰ ১নং দফা, সংক্ষিপ্ত নাম বিধেয়কখনৰ অংশ হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উৎথাপন কৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধক্ষ্য মহোদয়, 'অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' পাৰিত কৰাৰ বাবে মই সদনত প্ৰস্তাৱ উৎথাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিনিয়োজন (নং-IV ) বিধেয়ক,২০২০' পাৰিত কৰা হওঁক। যিসকল সন্মানীয় সদস্য- সদস্যা ইয়াৰ সপক্ষে আছে তেওঁলোকে কওঁক 'হয', যি সকলে বিপক্ষে আছে তেওঁলোকে কওঁক 'নহয়.'। মই ভাবো 'হয়'ৰ সপক্ষে, 'হয'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত হৈছে,বিধেয়ক খনো পাৰিত কৰিছে।(সকলোৰে সন্মতি প্ৰদান কৰে) মই আপোনালোকক ধন্যবাদ জনাইছো যে আমি চৰকাৰক আৰু অলপ পইচা খৰচ কৰিবৰ বাবে আজি বিশেষ আলোচনাৰ মাজেৰে অনুমোদন দিবলৈ সক্ষম হ'লো। মই শাসক-বিৰোধী সকলোকে ধন্যবাদ জনাইছো। এতিয়া

**সদন কালিলৈ পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হৈছে।**